অক্টোবৰ 2003 Rs. 10/-

চান্দমামা

PARLE



Help Rohan find his Fun Centre™.

O&M / 3802

Chocolate · Lemon · Pineapple · Elaichi

Fun Centre™
Cream Biscuits

The Fun is in the Centre

MRP Rs. 8.00 inclusive of all taxes for net wt. 100 g

visit us at www.parleproducts.com

LET'S CELEBRATE
NOVEMBER
OUR SPECIAL MONTH
WATCH OUT FOR THE
CHILDREN'S SPECIAL ISSUE
OF CHANDAMAMA IN NOVEMBER 2003
Exciting stories from child-writers!
Illustrations from child-artists!
Jokes, riddles, games - all from children!
Your favourite comics, contributed by a child!
This special issue with more pages of fun for Rs.12/-
FROM KIDS, FOR KIDS
DON'T MISS CHANDAMAMA'S CHILDREN'S SPECIAL ISSUE!
A SPARKLER TO LIGHT UP YOUR DIWALI!

চান্দমামা
বৰ্ষ : ৩০ অক্টোবৰ ২০০৩ সংখ্যা-১০

এই সংখ্যাত আছে

মায়া সৰোবৰ
১৩

সোণৰ মুদ্ৰাৰ গছ
(বেতাল কাহিনী)
১৯

ভাৰতৰ পৌৰাণিক উপাখ্যান
২৬

গণেশ
৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ যেনে কুকুৰ তেনে টাঙোন...৬ ★ লোকনায়কক স্মৰণ...৮ ★ দান গুণ...৯ ★ মায়া সৰোবৰ...১৩
★ সোণৰ মুদ্ৰাৰ গছ...১৯ ★ বিচিত্ৰ ভাৰত...২৫
★ ভাৰতৰ পৌৰাণিক উপাখ্যান-১৮...২৬ ★ সংবাদ বিচিত্ৰা...২৯ ★ উত্তৰাঞ্চলৰ এটা লোক কাহিনী...৩০
★ কেৱল এঘৰৰ ভিখাৰী...৩৫ ★ নমস্কাৰৰ আতিশৰ্য...৪০
★ ভাৰতৰ বিষয়ে জানি লোৱা...৪৪ ★ গণেশ...৪৫
★ দুটা বৰ...৫১ ★ অতি চালাকৰ গলত ফাঁচী...৫৫
★ ফিলিপিন্সৰ এটি আখ্যান...৫৮
★ আৰ্য...৬০ ★ খেলিমেলি খেমালি...৬৪
★ ফটো নামকৰণ প্ৰতিযোগিতা...৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20

Remittances in favour of Chandmama India Ltd.
to

Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইন্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

For booking space in this magazine please contact :
DELHI
Mona Bhatia :
Ph: 011-26515111 / 26565513 / 26565516
Mobile: 98110-29092
MUMBAI
Sonia Desai :
Ph : 022-56942407 / 2408
Mobile: 98209-03124
CHENNAI
Shivaji :
Ph : 044-22313637 / 22347399
Fax: 044-22312447
Mobile : 98412-77347
email : advertisements@chandamama.org

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপানি

পৰিষ্কাৰ মন আৰু পৰিষ্কাৰ পৰিৱেশ

আমাৰ জীৱনটো সহজ কৰি তুলিবলৈ আৰু নিজৰ বাবে বেছি সময় উলিয়াব পৰাকৈ আমাৰ হাতত ইমানবোৰ যতন থকাৰ পাছতো আমি যে প্ৰতিটো কথাতে খৰ খেদা লগাঁও, সেইটো বাৰু এটা আচৰিত বৈপৰীত্য নহয়নে ? ক্ষিপ্ৰতাৰে নিজৰ কামবোৰ শেষ কৰি যাতে আমি অৱসৰৰ বাবে বেছি সময় পাওঁ তাৰ কাৰণেই আমাৰ আজি আছে টেলিফোন, মবাইল ফোন, ফেক্স আৰু ই-মেইল সুবিধা ।

আমাৰ আজিৰ ফাষ্ট্ ফুড সংস্কৃতিতো এইটো কথা জলজল পটপটকৈ ওলাই পৰে । সময় ৰাহি কৰাই হেনো এই নতুন সংস্কৃতিৰ উদ্দেশ্য । পিছে জীৱনৰ আয়ুস কমাই সময় ৰাহি কৰাটো জানো দূৰদৃষ্টি হ'ব পাৰে ? বিস্তৃত অধ্যয়নৰপৰা এতিয়া এই কথা জনা গৈছে যে যথাৰ্থতে কামত নহা খাদ্য বুলি জনাজাত হোৱা এইবোৰ ফাষ্ট্ ফুড কেৱল ব্যয়বহুলেই নহয়, আমাৰ স্বাস্থ্যৰ বাবেও ভীষণ অপকাৰী । ছানফাঞ্চিচকোৰ খাদ্য আৰু সমাজ নীতি বিশেষজ্ঞ মিচেল মাচকাৰেনহাচৰ এইখিনি কথা গুৰুত্বপূৰ্ণ : "আমেৰিকাৰ মেদবহুলতাৰ সমস্যাটোৰ কথা গোটেই পৃথিৱীয়ে জানে । কিন্তু, মাংসৰ বৰ্দ্ধিত ব্যৱহাৰ, পশ্চিমীয়া ফাষ্ট্ ফুড, আৰু ব্ৰেণ্ড নামবিশিষ্ট চ'ডাৰ ৰূপত ভাৰতলৈ আমেৰিকাৰ খাদ্য ৰপ্তানি কৰাৰ লগে লগে ভাৰতে বাৰু এটা নতুন স্বাস্থ্য সংকট মাতি অনাৰ দৰে হৈছে নেকি ? ক্ষুধা নিবাৰণ আৰু মেদবহুল লোকৰ চিকিৎসা এই দুটা কামৰ কোনোবাটো বাচি ল'বলৈ ভাৰতক বাধ্য কৰোৱা হ'ব নেকি ?" তেওঁ আৰু কৈছে, "সাংস্কৃতিক পৰম্পৰা আৰু কৃষি ক্ষেত্ৰত চহকী বৈচিত্ৰ্যৰ দেশ ভাৰতত স্থানীয়ভাৱে উৎপাদিত উপকৰণৰদ্বাৰা স্বাস্থ্যসন্মত খাদ্য তৈয়াৰ কৰিব পাৰি ।"

এই মেদবহুলতাৰ অন্যতম বলি হ'ব আমাৰ শিশুসকল । আমাৰ দেশৰ বাবে ই আন এটা অভিশাপ হৈ উঠাৰ আগেয়ে ভাৰতীয় অভিভাৱক সকল সজাগ হ'বৰ সময় আহিছে ।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

যেনে কুকুৰ তেনে টাঙোন

প্ৰকাশে এখন অনাথ আশ্ৰমৰ বাবে চান্দা তুলি আছিল । কোনোবাই তেওঁক পৰামৰ্শ দিলে, "তুমি কিয় শেঠ গোপীনাথক লগ নকৰা? তেওঁ নগৰখনৰ আটাইতকৈ চহকী মানুহ। তেওঁ নিশ্চয় সহায় কৰিব ।" প্ৰকাশে ভাবিলে এইটো এটা ভাল বুধি । সি পিছদিনা শেঠক লগ ধৰিলে।

পিছে এই শেঠ জন অত্যন্ত কৃপণ আছিল আৰু এইদৰে লোকৰ কাৰণে পইচা খৰচ কৰা কথাটো তেওঁ মুঠেই ভাল নাপালে । তথাপিও মানুহৰ আগতে প্ৰকাশে কৰা অনুৰোধটো তেওঁ পোনছাটেই না নকৰিলে । সেয়ে তেওঁ প্ৰকাশক পিছত লগ ধৰিবলৈ ক'লে ।

ঠিক পিছদিনাখনেই প্ৰকাশ শেঠৰ ঘৰলৈ গ'ল । ওপৰ মহলাৰ খিৰিকীয়েদি শেঠে তাক আহি থকা দেখিলে, "উসৰাম ! আহিল আকৌ আপদডাল !" বিৰক্তিৰে তেওঁ ভাবিলে। কোনো কথা নাই--তাৰ মই দিহা লগাম ।" তেওঁ তেওঁৰ লগুৱক মাতিলে আৰু তেওঁও ঘৰত নাই বুলি ক'বলৈ ক'লে ।"

প্ৰকাশে দুৱাৰত টুকুৰিয়ালে আৰু দুৱাৰ খুলি দিয়া লগুৱাটোক ক'লে, "মই তোমালোকৰ শেঠক লগ কৰিবলৈ আহিছোঁ।" শিকোৱা মতেই লগুৱাটোৱে টপৰাই ক'লে, "আস, তেখেত এইমাত্ৰ ওলাই গ'ল । তেখেত কেতিয়া ঘূৰি আহিব মই নাজানো।" "ঠিক আছে বাৰু হ'ব ।" এইবুলি কৈ প্ৰকাশ ঘূৰিল । তাৰ পিছত হঠাতে কিবা মনত পৰাৰ দৰে এক মুহূৰ্ত্ত ৰৈ সুধিলে, "তুমি তেওঁক এটা কথা ক'ব পাৰিবানে ?" লগুৱাটোৱে মূৰ দূপিয়ালে ।

"তুমি তেওঁক ক'বা যে ইয়াৰ পিছৰবাৰ এনেকৈ ফুৰিবলৈ গ'লে তেওঁ যাতে তেওঁৰ মুখখনো খিৰিকীৰ ওচৰতে থৈ নগৈ লগতে লৈ যায় ।" এইদৰে কৈ প্ৰকাশে এবাৰো ঘূৰি নাচাই খোজ ল'লে ।

ওপৰ মহলাৰ পৰা গোটেই কথা-বতৰাবোৰ শুনি থকা শেঠ লাজত ৰঙা পৰি গ'ল । তেতিয়াহে তেওঁ গম পালে যে প্ৰকাশে তেওঁক খিৰিকীয়েদি দেখিলে ।

JUNIOR CHANDAMAMA

RESERVE YOUR COPY NOW!



Do you want your children to sharpen their faculties by working on puzzles?
Come to Junior Chandamama for loads of puzzles and games.

Are you looking out for interesting new stories to be read out to the kiddies?
Pick up a copy of Junior Chandamama, and you'll find them there.

Does your child have a taste for colouring and you want to develop the habit?
Junior Chandamama is what you must get for your child.

Want your kid to learn all about the culture and heritage of India?
Only Junior Chandamama can help you.

PAGE AFTER PAGE WILL KINDLE YOUR CHILD'S IMAGINATION

ISSUE AFTER ISSUE, MONTH AFTER MONTH

SUBSCRIPTION FORM

Please enrol me as a subscriber of Junior Chandamama. I give below the required particulars:

Name : ....

Address : ....

....

....

PIN Code : ....

I am remitting the amount of Rs.120/- for 12 issues by Money Order/Demand Draft/Cheque No.................... on.................................... Bank .... branch drawn in favour of Chandamama India Ltd., encashable at Chennai (outstation cheque to include Rs.25/- towards Bank Commission).

Place : ....

Date : .... Signature

লোকনায়কক স্মৰণ

এই বছৰ আমাৰ দেশত লোকনায়ক জয়প্ৰকাশ নাৰায়ণৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰা হৈছে।

তেখেতৰ জন্ম হৈছিল ১৯০২ চনৰ ১১ অক্টোবৰত বিহাৰৰ চিতবদিয়াৰা নামে গাৱঁত। তেওঁ যেতিয়া পাটনাৰ কলেজত পঢ়ি আছিল তেতিয়াই তেওঁ স্বাধীনতা আন্দোলনৰ গুপ্ত সভাবোৰলৈ গৈছিল আৰু তাতেই ছাত্ৰনেতা সকলৰ ভাষণ শুনি তেওঁৰো অন্তৰত দেশপ্ৰেমৰ ভাৱ উথলি উঠিছিল। কলেজীয়া শিক্ষা সাং কৰি তেওঁ উচ্চ শিক্ষাৰ বাবে আমেৰিকালৈ যোৱাৰ সিদ্ধান্ত কৰিলে। তাত পঢ়া শুনাৰ লগতে অৰ্থোপাৰ্জনৰ বাবে তেওঁ আঙুৰৰ বাগিছা, হোটেল, কাৰখানা আনকি কচাইখানাতো কাম কৰিছিল। তেওঁ তাত শ্ৰমৰ মৰ্যাদাৰ লগতে শ্ৰমিক শ্ৰেণীৰ দুখ-যাতনাও অনুভৱ কৰিছিল। লগতে সমাজ বিজ্ঞান অধ্যয়ন কৰিছিল আৰু সমাজ সেৱাৰ আদৰ্শৰে ১৯২৯ চনত ভাৰতলৈ ঘূৰি আহে।

ভাৰতলৈ আহি তেওঁ গান্ধীজীৰ নেতৃত্বত কংগ্ৰেছত যোগদান কৰে। তেওঁ এনে এখন ভাৰতৰ স্বপ্ন দেখিছিল য'ত জন্মৰ ভিত্তিত কোনো বৈষম্য নাথাকিব, য'ত কোনো উচ্চ-নীচ নাথাকিব আৰু য'ত ৰাষ্ট্ৰীয় সম্পত্তিৰ ওপৰত সকলোৰে সমান অধিকাৰ থাকিব। তেওঁ খুব সোনকালেই ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতা হ'ল আৰু সমাজবাদৰ এক নতুন চিন্তাধাৰাৰ অগ্ৰণী প্ৰবক্তাৰূপে জনতাৰ মাজলৈ আহিল।

ভাৰতৰ স্বাধীনতা প্ৰাপ্তিৰ পিছত সমাজবাদী চিন্তাধাৰাৰ লোকসকলে কংগ্ৰেছৰ পৰা আঁতৰি এটা নতুন দল গঠন কৰিলে, কিন্তু ১৯৫২ চনৰ প্ৰথম সাধাৰণ নিৰ্বাচনত শাসনলৈ আহিবলৈ সমৰ্থ নহ'ল। তথাপিও নেহেৰুৱে কেন্দ্ৰীয় চৰকাৰত যোগদান কৰিবলৈ জয়প্ৰকাশ নাৰায়ণক আমন্ত্ৰণ কৰিছিল। জয়প্ৰকাশে মন্ত্ৰী পদ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে। ১৯৫৪ চনত ৱিনোবা ভাৱেৰ দ্বাৰা পৰিচালিত 'সৰ্বোদয়' আন্দোলনত তেওঁ যোগ দিলে আৰু স্বতন্ত্ৰতা আৰু সমতাৰ ওপৰত আধাৰিত 'সৰ্বোদয়' আন্দোলনৰ কাৰণে নিজৰ সকলো সমৰ্পণ কৰি দিলে।

দিনে দিনে বেয়াৰ ফাললৈ যোৱা দেশৰ অৱস্থা দেখি জয়প্ৰকাশ নাৰায়ণে ১৯৭১ চনত সামাজিক ব্যৱস্থাৰ পৰিৱৰ্ত্তনৰ বাবে 'সম্পূৰ্ণ বিপ্লৱ' ৰ আহ্বান কৰিলে। ইন্দিৰা গান্ধীৰ তৎকালীন চৰকাৰে নিজৰ শাসনৰ বাবে সংকট দেখি দেশত জৰুৰীকালীন অৱস্থাৰ ঘোষণা কৰে আৰু তেওঁক গ্ৰেপ্তাৰ কৰে। জৰুৰীকালীন অৱস্থাৰ সমাপ্তিৰ পিছৰ নিৰ্বাচনত জয়ী হোৱা অনা কংগ্ৰেছ চৰকাৰৰ দ্বাৰা জয়প্ৰকাশ নাৰায়ণক শাসনলৈ আহি দেশবাসীক পথপ্ৰদৰ্শনৰ বাবে আহ্বান জনোৱা হয়। কিন্তু তেওঁ এইবাৰো শাসনলৈ আহিবলৈ অস্বীকাৰ কৰে। তেওঁৰ এইটোৱেই সন্তুষ্টি আছিল যে অন্ততঃ লোক শক্তিৰ জয় হ'ল।

দেশৰ সমস্ত জনতাই তেওঁৰ ত্যাগক প্ৰশংসা কৰিলে আৰু তেওঁক 'লোকনায়ক' বুলি স্বীকাৰ কৰিলে।

জয়প্ৰকাশ নাৰায়ণে ১৯৭৯ চনৰ ৮ অক্টোবৰ তাৰিখে তেওঁৰ নশ্বৰ দেহ ত্যাগ কৰে।



দান গুণ

ৰাজা নগৰত শীলভদ্র নামৰ এজন ধনৱান লোক আছিল । ভগৱানে তেওঁক ধনৰ লগতে দান কৰিব পৰা গুণো দিছিল । আন কাৰোবাৰ দুখ দেখিলে তেওঁৰ দয়া ভাব উপজিছিল । দুৰ্দশাগ্ৰস্ত লোকক তেওঁ পাৰ্যমানে সহায় কৰিছিল । এই কাৰণেই তেওঁৰ সম্পত্তি ক্ৰমাৎ কমি গৈছিল ।

তেওঁৰ পত্নী চন্দ্ৰিকাৰ স্বভাৱো নিজৰ স্বামীৰ দৰেই আছিল । ওচৰ-চুবুৰীয়া লোকে তেওঁক তেওঁৰ স্বামীক এইদৰে দান-দক্ষিণা দিয়াত হাক দিবলৈ বুজাইছিল । তেওঁলোকে তেওঁক এইবুলিও সাৱধান কৰি দিছিল যে এনেকৈ লোকক দান দি থাকিলে নিজৰ ল'ৰা-ছোৱালীলৈ বুলি একোৱে নাথাকিব আৰু সিহঁত ভৱিষ্যতে ভীষণ আৰ্থিক সমস্যাত পৰিব ।

এনেবোৰ কথা শুনি চন্দ্ৰিকাই হাঁহি উৰাই দিছিল আৰু কৈছিল, "মেঘে কেৱল মানুহ থকা ঠাইতে বৰষুণ নিদি জংঘলতো বৰষুণ দিয়ে, য'ত কোনো মানুহ নাথাকে । ই কোনো ধৰণৰ পক্ষপাতিত্ব নকৰে । সিয়েই সৃষ্টিৰ ধৰ্ম ।"

"যদি মেঘে এই কথা ধৰি লয় যে পাহাৰ, টিলা আৰু জংঘলত কিয় বৰষিম তেন্তে মানুহৰ প্ৰয়োজনত অহা নদীবিলাকৰ উৎপত্তি কেনেকৈ হ'ব ? মোৰ স্বামীৰ এই দানী স্বভাৱ ভগৱানৰ বৰ । যদি সৃষ্টিকৰ্তাই এই নিৰ্ণয় আগতেই কৰি থৈছে যে আমাৰ এই দানী স্বভাৱৰ বাবে আমাৰ কষ্ট হওক, আমি দৰিদ্ৰ হওঁ তেন্তে তেওঁৰ এই সিদ্ধান্তৰ বিৰুদ্ধে আমি নো কি কৰিব পাৰোঁ ।"

দিনবোৰ পাৰ হৈ গ'ল । শীলভদ্ৰৰ দুই সন্তান ছবছৰ আৰু আঠবছৰ বয়সৰ হ'ল । শীলভদ্ৰৰ সংস্কৃত ভাষাৰ জ্ঞানৰ প্ৰশংসা সকলোৰে মুখে মুখে শুনিবলৈ পোৱা গৈছিল ।

এদিনাখন চন্দ্ৰিকাই নিজৰ স্বামী শীলভদ্ৰক ক'লে, "সকলো লোককে আপুনি দান দি আহিছে । কেতিয়াও 'না' কোৱা নাই ।

অমীৰ গায়ত্ৰী

এই কথাত ময়ো কেতিয়াও আপত্তি কৰা নাই। এতিয়া ল'ৰাদুটা ডাঙৰ হৈছে। সিহঁতক পঢ়ুওৱা শুনোৱা, ভালদৰে সিহঁতক শিক্ষিত কৰাটো আমাৰ কৰ্ত্তব্য । মোৰ ইচ্ছা যে সিহঁতক চহৰলৈ পঠিয়াই তাতেই সিহঁতৰ পঢ়াৰ ব্যৱস্থা কৰা হওক । এই বিষয়ে আপোনাৰ মতামত কি মই নাজানো । সকলোৱে জানে যে আপুনি সংস্কৃত ভাষাত পৰম বিদ্বান । আপুনি ৰজাৰ পাঠশালাত অধ্যাপক হওক । লাগিলে আমাৰ টকা-পইচা কমিয়েই যাওক আমি গোটেই জীৱন বিদ্যাদান কৰি যাব পাৰিম । আমাৰ ল'ৰা ছোৱালীক সা-সম্পত্তি দিব নোৱাৰোঁ কিন্তু জীৱিকাৰ কাৰণে প্ৰয়োজনীয় বিদ্যা দিয়াটো আমাৰ কৰ্তব্য । এই বিষয়ে আপুনি কি ক'ব খোজে ?"

শীলভদ্ৰই পত্নীৰ কথাত নিহিত হৈ থকা যুক্তিযুক্ততা ধৰিব পাৰিলে আৰু তেওঁ চহৰলৈ যাবলৈ সাজু হ'ল । তেওঁ গৈ থাকোতে বাটতে শিঙামৰা নামৰ গাঁওখন পালেগৈ । সেই সময়ত গাৱঁৰ সোঁ-মাজত থকা শিৱালয়ৰ ধ্বজস্তম্ভৰ পুনৰ প্ৰতিষ্ঠাপন হৈ আছিল । যোৱা বছৰ অহা ধুমুহাত সেই ধ্বজস্তম্ভ ভাগি গৈছিল । শীলভদ্ৰই চহৰলৈ যোৱাৰ নিজৰ ইচ্ছা ত্যাগ কৰিলে । আৰু শিৱালয়ৰ ভিতৰলৈ সোমাই গ'ল । দানী আৰু ধনৱান হোৱাৰ বাবে সকলোৱে তেওঁক আদৰ-সাদৰ কৰিলে ।

শিৱালয়ৰ ধৰ্মকৰ্ত্তা জমিদাৰো তাত উপস্থিত আছিল । যেতিয়া তেওঁ গম পালে যে শীলভদ্ৰও তেওঁৰ জমিদাৰীৰ ভিতৰৰে এখন গাৱঁৰ পৰা আহিছে তেতিয়া তেওঁ বৰ আনন্দ পালে । পিছত কথা পাতোতে জমিদাৰে জানিব পাৰিলে যে শীলভদ্ৰ সংস্কৃত ভাষাৰ ডাঙৰ পণ্ডিত আৰু চহৰত নিজৰ পাঠশালাত চাকৰি কৰিবলৈ ওলাইছে বুলি শুনি তেওঁ আৰু আনন্দ পালে ।

জমিদাৰে শীলভদ্ৰক ক'লে, "আপুনি ল'ৰালৰিকে চহৰলৈ যোৱাৰ কোনো প্ৰয়োজন নাই । আপোনাৰ সুবিধা অনুসৰি কামত যোগদান কৰিলেই হ'ব ।"

শীলভদ্ৰই জমিদাৰৰ কথা শুনি আনন্দ পালে । পিছত তেওঁ শিৱৰ নামত এভাগ পূজা আগবঢ়ালে । পূজাৰীক বহুত ধন দিলে আৰু গাৱঁলৈ ঘূৰি আহি পত্নীক সকলো কথা ক'লে।

কিন্তু শীলভদ্ৰৰ গাওঁ এৰি চহৰলৈ যোৱাৰ কথাটো ভাল লগা নাছিল । তেওঁ সকলোৱে ইচ্ছা পূৰা কৰিছিল । যিয়েই সহায় বিচাৰি হাত আগবঢ়াইছিল, তাকেই সহায় কৰিছিল।

কিন্তু আজি তেওঁৰ পত্নীৰ ইচ্ছাক সমৰ্থন কৰিব পৰা নাছিল । এই বিষয়ে ভাবি-ভাবি তেওঁ ব্যাকুল হৈ পৰিল আৰু নদীৰ পাৰত গৈ প্ৰশান্তি লভিবলৈ ওলাই গ'ল ।

নদীৰ পাৰত দেৱী দুৰ্গাৰ এটা মন্দিৰ আছিল । অন্য এখন গাৱঁৰ পৰা অহা এজন যুৱকে মন্দিৰৰ ওচৰত থিয় হৈ প্ৰাৰ্থনা কৰি আছিল, "মাতৃ, মই পঢ়া-শুনা ল'ৰা, কিন্তু মোৰ কোনো মূল্য নাই । জীৱিকাৰ আশা কৰিছিলোঁ, কিন্তু যিফালেই চাওঁ সকলোতে বাধাই বাধা । মানুহৰ জীৱনটোৱেই প্ৰতিহিংসাৰ আখৰা হৈ পৰিছে । কোনোবা শীলভদ্ৰ নামৰ এজন লোক গাওঁ এৰি ৰজাৰ পাঠশালাত চাকৰি কৰিবলৈ যাবলৈ ওলাইছে। মোৰ ওপৰত কৃপা কৰক দেৱী, তেওঁক চহৰলৈ যোৱাৰ পৰা বাৰণ কৰক । হে মাতৃ,কেতিয়াবা ভাবো তেওঁৰ ওচৰলৈ গৈ এইকথা কওঁ কিন্তু গাৱঁৰ মানুহে মোক উপদেশ দিছে যে তাৰ আগতে মই আপোনাৰ পূজা কৰোঁ ।" এইবুলি কৈ তেওঁ দেৱীক প্ৰণাম কৰিলে । অলপ দূৰত থিয় হৈ থকা শীলভদ্ৰই যুৱক জনৰ কথা শুনিলে । তাৰ পিছত তেওঁৰ ওচৰলৈ আহি তেওঁৰ সকলো খবৰ সংগ্ৰহ কৰিলে ।

যুৱকজনৰ নাম আছিল নীলকান্ত ! তেওঁৰ সংস্কৃত ভাষাত গভীৰ ব্যুৎপত্তি আছে । চহৰত ৰজাৰ পাঠশালাত তেওঁ চাকৰি পাইছিল । কিন্তু তেনেতে তেওঁ গম পালে যে স্বয়ং জমিদাৰে শীলভদ্ৰক এই চাকৰিৰ বাবে কথা দিছে । সেয়েহে পাঠশালাৰ প্ৰধান অধ্যাপকে নীলকান্তক খবৰ দিলে যে তেওঁক এই চাকৰি দিয়াটো সম্ভৱপৰ ন'হব । কিন্তু যদি শীলভদ্ৰই

ছমাহৰ ভিতৰত কাৰ্যভাৰ চম্ভালি নলয় তেন্তে নীলকান্তক সেই স্থানত নিযুক্তি কৰাটো সম্ভৱ হ'বও পাৰে । কিন্তু তেওঁৰ সেই নিযুক্তি অলপ দিনৰ বাবেহে হ'ব । প্ৰধান অধ্যাপকে কথা দিছে যে শীলভদ্ৰৰ নিযুক্তিৰ পিছতো তেওঁক চাকৰিত ৰাখিবৰ বাবে তেওঁ যত্ন কৰিব ।

নীলকান্তৰ কথা শুনি শীলভদ্ৰৰ অন্তৰ দয়াৰে ভৰি পৰিল আৰু তেওঁ নীলকান্তক সহায় কৰিবলৈ সিদ্ধান্ত কৰিলে । তেওঁ নিজেই নীলকান্তক চহৰলৈ লৈ গ'ল, প্ৰধান অধ্যাপকক লগ ধৰিলে আৰু তেওঁক ক'লে যে ছমাহৰ পিছতহে তেওঁৰ বাবে এই কামত যোগ দিয়াটো সম্ভৱ হ'ব । যিটো চাকৰি তেওঁ পাব লাগিছিল তাত সদ্যহতে নীলকান্তকে নিযুক্তি দিব লাগে ।

ঘৰলৈ ঘূৰি আহি শীলভদ্ৰই গোটেই

কাহিনীটো পত্নীক জনালেহি । দাম্পত্য জীৱনত প্ৰথম বাৰৰ বাবে নিজৰ স্বামীক দোষাৰোপ কৰি চন্দ্ৰিকাই ক'লে, "নিজৰ শক্তিৰ বাহিৰত দান দিয়াটো সকলোতেই অনুচিত । এই ছমাহৰ ভিতৰত কিমান অপ্ৰত্যাশিত পৰিৱৰ্তন ঘটিব পাৰে, ঘটনা ঘটিব পাৰে । সকলো কথাই ভগৱানৰ ওপৰত এৰি দিয়াটো উচিত জানো ?" এইদৰে তেওঁ নিজৰ দুখ প্ৰকাশ কৰিলে ।

গাওঁবাসীয়ে এই কথাটো গম পালে । ছমাহৰ পিছত শীলভদ্ৰই গাওঁ এৰি যোৱা কথাটোত তেওঁলোকে আপত্তি জনালে । তেওঁলোকে শীলভদ্ৰক গাৱঁতে নতুন পাঠশালা আৰম্ভ কৰিবলৈ জোৰ কৰিলে । শীলভদ্ৰই বহুত ভাবি-গুনি নিজৰ পথাৰত এখন পাঠশালা নিৰ্মাণ কৰিলে আৰু দুজন সহকাৰী অধ্যাপক নিযুক্ত কৰি পাঠশালা আৰম্ভ কৰিলে ।

এমাহ পূৰা হোৱাৰ আগতেই জমিদাৰে এই নতুন পাঠশালাৰ বিষয়ে গম পালে । তেওঁৰ বৰ খং উঠিল আৰু নিজৰ দিৱানক মতাই ক'লে, "আমি ভাবিছিলো যে শীলভদ্ৰ সৰল মানুহ, অগাধ পণ্ডিত, দানশীল, সেয়ে নিজৰ পাঠশালাৰ কাৰণে তেওঁক নিৰ্বাচিত কৰিছিলো । ওলোটাই তেওঁ নিজৰ পাঠশালা আৰম্ভ কৰিলে । যোৱা আৰু কিয় এনে হ'বলৈ পালে ভালকৈ জানি আহাঁ।"

দিৱান তুৰন্তে ৰাজানগৰলৈ গ'ল । প্ৰথমতে তেওঁ গাৱঁৰ মুখিয়াল সকলৰ পৰা পাঠশালাৰ বিষয়ে খবৰ সংগ্ৰহ কৰিলে । তেওঁ এটা কথা দেখিবলৈ পাই আনন্দিত হ'ল যে জমিদাৰৰ নামতেই এই পাঠশালাৰ নাম ৰখা হৈছে । কিন্তু ইয়াৰ খৰচ শীলভদ্ৰই নিজৰ খেতিৰ পৰা হোৱা উপাৰ্জনৰ পৰাই চলাই আছে ।

দিৱানে শীলভদ্ৰৰ বিদ্যাদানৰ ভূৰি ভূৰি প্ৰশংসা কৰিলে আৰু জমিদাৰক সকলো বিবৰি ক'লে । জমিদাৰে আনন্দিত হৈ ক'লে, "আমাৰ জমিদাৰীত শীলভদ্ৰৰ দৰে দানী ব্যক্তি থকাটো গৌৰৱৰ কথা।" তাৰ পিছত তেওঁ সেই মুহূৰ্ত্তত নিজৰ খেতিৰ পৰা পঞ্চাশ একৰ উৰ্বৰ মাটি শীলভদ্ৰই চলোৱা পাঠশালালৈ বুলি দান কৰিলে । ইয়াৰ বাহিৰেও শীলভদ্ৰৰ দুয়ো পুত্ৰৰ থকা-মেলা আৰু পঢ়াশুনাৰো সকলো ব্যৱস্থা জমিদাৰে কৰি দিলে । এতিয়া তেওঁৰ দুয়ো পুত্ৰই চহৰত থাকি উচ্চ শিক্ষা লাভ কৰিব পাৰিব ।

মায়া সৰোবৰ

১৯

(মায়া সৰোবৰেশ্বৰে প্ৰতাৰণা কৰি জয়শীলৰ ডিঙিত ৰছীৰ ফাচ লগাই দিলে । জয়শীলে সেইডাল কাটিব খুজিলে । কিন্তু মায়া সৰোবৰেশ্বৰে মিঠা মিঠা কথাৰে কাঞ্চনমালাৰ লগতে জয়শীলকো মায়া সৰোবৰলৈ লৈ গ'ল । এই খবৰ নৰভক্ষীহঁতৰ মুখৰপৰা সিদ্ধসাধকে জানিব পাৰিলে । ইয়াৰ পাছত...)

নৰভক্ষীহঁতে যেতিয়া গোটেই কাহিনীটো আদ্যোপান্ত বিৱৰি কৈ বিচিত্ৰ হাতীৰ ওপৰত উঠা ব্যক্তিৰ হাতত বন্দী হোৱা মানুহজনৰ কথা ক'লে তেতিয়া সিদ্ধসাধকে বুজি পালে যে সেই মানুহজন আন কোনো নহয়, তেওঁৰেই মিত্ৰ জয়শীল । কিন্তু এটা কথাতহে তেওঁৰ সন্দেহ হ'ল যে শত্ৰুৰ লগত থকা সেই যুৱতী বাৰু কোন হ'ব পাৰে? ৰজা কনকাক্ষই নৰভক্ষীহঁতৰ কাহিনী শুনি বিস্ময়ত তবধ মানিলে । তাকে দেখি সিদ্ধসাধকে ৰজাক বুজালে, "মহাৰাজ, মোক আদেশ কৰক । মোৰ মিত্ৰ জয়শীলক মায়া সৰোবৰৰ দুষ্ট লোকে বন্দী কৰি লৈ গৈছে। মই ভাবি আচৰিত হৈছো তেওঁৰ দৰে এজন পৰাক্ৰমী বীৰ সিহঁতৰ হাতত বন্দী হ'বলৈ পালে কেনেকৈ ? কাৰণ যিয়েই নহওক, তেওঁক ৰক্ষা কৰাটো মোৰ কৰ্ত্তব্য। মই এতিয়াই যাওঁ।"

এইবুলি কৈ তেওঁ নৰবান্দৰৰ কান্ধত উঠি যাবলৈ সাজু হ'ল ।



নিজৰ প্ৰাণ দিবলৈয়ো সাজু থকা মই আপোনাৰ প্ৰভুভক্ত সেৱক ।"

"যদি কথা সেইটোৱেই হয়, তেন্তে মোক কোৱা মায়া সৰোবৰ ক'ত আছে ?" সিদ্ধসাধকে সুধিলে ।

"মালিক ! মই আগতেও আপোনাক এবাৰ কৈছোৱেই যে মায়া সৰোবৰৰ অৱস্থিতি ক'ত জনালে মোৰ মূৰ ফালি চিৰাচিৰ হ'ব । আমাৰ জাতিক মায়া সৰোবৰৰ ৰজাৰ লগতে আমাৰ ৰজায়ো এই অভিশাপ দি থৈছে ।" জলবৃক ৰাক্ষসে ভয়ে ভয়ে ক'লে ।

"হে মোৰ ভক্ত ! মৃত্যুলৈ ভয় নকৰিবা। মই মহাকালৰ ভক্ত । কিবা কাৰণত তোমাৰ যদি মৃত্যুও হয় তেন্তে কেই মিনিটমানৰ ভিতৰতে মই তোমাক কৈলাশলৈ পঠিয়াই স্বৰ্গ সুখ দিয়াব পাৰিম ।" নিজৰ শূল আকাশৰ ফালে টোৱাই সিদ্ধসাধকে ক'লে।

তাকে শুনি জলবৃকই ক'লে, "তথাপিও মই কাঠৰ টুকুৰা এটাৰে আপোনাক বুজাবলৈ চেষ্টা কৰিম ।" এইবুলি কৈ জলবৃক ৰাক্ষসে শুকান কাঠৰ টুকুৰা এটাৰে মাটিত আঁক-বাঁক কৰি হঠাতে চিঞৰি উঠিল, "উহ ! মোৰ মূৰ ফাটিবৰ উপক্ৰম হৈছে ।"

জলবৃকই আঁকা ৰেখাবোৰ দেখি সিদ্ধসাধকে সুধিলে, "হেৰা জলবৃক ! এইবোৰ কি ৰেখা আঁকিছাহে । এই একা-বেকা আঁচবোৰ কি ?"

মূৰ দাঙি নাচাই জলবৃক ৰাক্ষসে কঁপি কঁপি উত্তৰ দিলে, "মালিক ! এইয়া ওচৰৰে সৌ পাহাৰটো আৰু এইবোৰ হ'ল অৰণ্যৰ কিছুমান বৃক্ষ । ইয়াৰে আটাইতকৈ ওখ বৃক্ষজোপা আছে এটা টিলাৰ ওপৰত । সেইজোপা গছত উঠি একেবাৰে ওপৰৰ

ৰজা কনকাক্ষই তেওঁক ৰ'বলৈ কৈ ক'লে, "সিদ্ধসাধক ! জয়শীলক ৰক্ষা কৰাৰ দায়িত্ব মোৰো । মইয়ো কেইজনমান পদাতিক আৰু অশ্বাৰোহী সৈন্য লৈ তোমাৰ লগতে যাব খুজিছো । কিন্তু আমি শীঘ্ৰেই মায়া সৰোবৰ ক'ত তাক জানি ল'ব লাগিব । তুমিনো তোমাৰ ভক্ত সেই জলবৃক ৰাক্ষসকে সুধি নোচোৱা কিয় ?"

সিদ্ধসাধকে মূৰ জোকাৰি ৰজাৰ কথাত সন্মতি দিলে আৰু নিজৰ শূলডাল জলবৃক ৰাক্ষসৰ বুকুৰ ফালে টোৱাই লৈ সুধিলে, "হেৰা জলবৃক সেৱক । তুমি সঁচা কথা কোৱা, তুমি মোৰ বিশ্বাসৰ পাত্ৰ সেৱক নে মায়া সৰোবৰেশ্বৰৰ গুপ্তচৰ হৈ ইয়ালৈ আহিছা ?"

এই প্ৰশ্ন শুনি জলবৃক ৰাক্ষসে শিলৰ গদা সিদ্ধসাধকৰ চৰণত ৰাখি ক'লে, "মালিক ! জলবৃক ৰাক্ষসে কেতিয়াও মিছা প্ৰতিশ্ৰুতি নিদিয়ে । আপোনাৰ বাবে প্ৰয়োজন হলে

ডালটোৰপৰা এবাৰ পূব দিশে, তাৰ পিছত পশ্চিম দিশে চাই পঠিয়ালেই দেখা যাব উত্তৰলৈ মুখ কৰি থকা মায়া সৰোবৰ ।" এইবুলি কৈ জলবৃক ৰাক্ষসে তাৰ দুই হাত মূৰত ৰাখি মাটিত বাগৰি পৰিল । "মালিক! মই আপোনাক ৰহস্য ভাঙি দিলো । মোৰ মূৰ এতিয়াই ফাটি যাব । আৰু মই মৃত্যুক সাবটি ল'ব লগীয়া হ'ব ।"

সিদ্ধসাধকে নিজৰ হাতখন জলবৃকৰ নাকৰ ওচৰত ৰাখি লৈ তাক উশাহ লৈ থকা দেখি ক'লে, "মহাৰাজ ! অন্ধবিশ্বাস কিমান বিপদজনক হ'ব পাৰে তাৰেই জলন্ত প্ৰমাণ হ'ল এই জলবৃক ৰাক্ষস । অভিশাপৰ ভয়ত সি মাটিত বাগৰি পৰিল ঠিকেই, কিন্তু এতিয়াও তাৰ মৃত্যু ঘটা নাই ।" এইবুলি কৈ ওচৰতে থিয় হৈ থকা নৰভক্ষীহঁতক তেওঁ আদেশ দিলে । "তহঁত দৌৰি যাহঁত আৰু চাৰি-পাঁচ কলহ পানী লৈ আহগৈ ।"

নৰভক্ষীহত জলবৃক ৰাক্ষসৰ ফালে চাই মৌন হৈ ৰ'ল । তাকে দেখি সিদ্ধসাধকে নিজৰ শূল দাঙি লৈ ক'লে, "হেৰ' অধমহঁত, তহঁতি জানো মোৰ আদেশ শুনা নাই ?"

নৰভক্ষীহঁতৰ নেতাৰ ইংগিত পাই সিহঁতৰ পূজাৰী গণাচাৰী আগবাঢ়ি আহিল । ৰজা কনকাক্ষক সাষ্টাঙ্গে প্ৰণিপাত কৰি গণাচাৰীয়ে ক'লে, "আপুনি কৃপা কৰি ভূত-প্ৰেতহঁতৰ এইজন নেতাক ইয়াৰপৰা যাবলৈ কৈ জলবৃক ৰাক্ষসক আমাৰ হাতত গতাই দিয়ক । আপোনাৰ যশ গাই আমি তাক ভক্ষণ কৰিম ।"

গণাচাৰীৰ কথা শেষ হবলৈ নৌ পাঁওতেই সিদ্ধসাধকে তাৰ টিকনিত ধৰি ক'লে, "হেৰ' নৰভক্ষী নিষ্ঠুৰ প্ৰাণী । ৰ মই তোক এতিয়াই



শূলত হানি লৈ মহাকালৰ চৰণত অৰ্পণ কৰিম ।"

সিদ্ধসাধকে গণাচাৰীৰ বুকুত শূল বহুৱাই দিব খোজোতেই জলাশ্বৰ পিঠিত উঠি অহা সৰ্পনখে দূৰৰেপৰা দৃশ্যটো দেখি চিঞৰি উঠিল, "সিদ্ধসাধক ! খৰ খেদা নকৰিবা । আমি মায়া সৰোবৰৰ জলবৃক ৰাক্ষসহঁতৰ সৈতে যুঁজাৰ সময় আহিছে । আমি চাব লাগিব আমাৰ এই অভিযানত এই নৰভক্ষীহঁতৰপৰা কিবা সহায় পাব পৰা যায় নেকি ?"

এই চিঞৰ শুনি সিদ্ধসাধকে পিছলৈ ঘূৰি চালে । ছেগ চাই গণাচাৰী পলাই গৈ তাৰ দলৰ মাজত সোমাই পৰিল ।

সিদ্ধসাধকৰ ওচৰ পাই সৰ্পনখ নিজৰ ঘোঁৰাৰ পিঠিৰপৰা নামিল আৰু মাটিত পৰি থকা মৃতপ্ৰায় জলবৃক ৰাক্ষসক দেখি ক'লে, "সিদ্ধসাধক, তুমি ইয়াক পৰলোকলৈ



পৰা তই মুক্তি পাইছ । মই তোক জীয়াই তুলিলো, উঠ এতিয়া ।”

এই কথা শুনি জলবৃক উঠি থিয় হ'ল । সৰ্পনখে ওচৰতে থিয় হৈ থকা কনকাক্ষ আৰু তেওঁৰ সৈন্য সকলক দেখি ক'লে, “হাঁহে টনা ৰথত উঠি উৰি ফুৰোতে বৈদ্যদেৱে আমাক কৈছিল, এঁওৱেই হিৰণ্যপুৰৰ ৰজা কনকাক্ষ ।”

ৰজা কনকাক্ষই তেতিয়ালৈকে বিস্ময়ত অভিভূত হৈ সৰ্পনখৰ বিচিত্ৰ বেশভূষা আৰু তেওঁৰ জলাশ্বক চাই আছিল । এতিয়া সৰ্পনখে কোৱা কথা বুজি নাপাই ৰজাই সুধিলে, “এই বৈদ্যদেৱ কোন? তেওঁ মোৰ দেশৰেই নেকি?”

“মহাৰাজ, সেই কথা মই ক'ব নোৱাৰিম। তেওঁ ইয়ালৈকে আহি আছে ।” সৰ্পনখে ক'লে ।

“সিদ্ধসাধক! কিহে তুমি এই বৈদ্যদেৱক চিনি পোৱানে বাৰু ?” ৰজা কনকাক্ষই সুধিলে । সিদ্ধসাধকে এই ৰহস্যৰ ভেদ ভঙাটো উচিত হ'ব নে নহয় সেই কথা কিছু সময় ভাবি উঠি ক'লে, “মহাৰাজ ! এই বৈদ্যদেৱৰ বিষয়ে মায়া সৰোবৰত পৰম শত্ৰু হিচাপে বাস কৰা জলবৃক ৰাক্ষস তথা মায়া সৰোবৰেশ্বৰৰ অনুচৰহঁতে গম নোপোৱা এটা সৰু ৰহস্য আছে । তেওঁৰো জয়শীলৰ দৰে অমৰাৱতীৰেই নাগৰিক ।”

“কি ক'লা? জয়শীল অমৰাৱতীৰ নাগৰিক? সেই দেশৰ ৰজা ৰুদ্ৰসেন মোৰ আজন্ম শত্ৰু । গুপ্তচৰৰ বিশ্বস্ত সূত্ৰৰপৰা জনামতে মোক কঠিন পৰিস্থিতিত পৰা দেখি ৰুদ্ৰসেনে মোৰ দেশৰ ওপৰত আক্ৰমণ চলাবলৈ যো-জা কৰিছে ।” ক্ৰোধান্বিত হৈ ৰজা কনকাক্ষই ক'লে ।

পঠিয়ালা নেকি ? ই জানো আমাৰ বিশ্বাসী ভৃত্য নাছিল ?”

“সি আমাৰ বিশ্বাসী ভৃত্য ঠিকেই, কিন্তু ইয়ো তোমালোকৰ দৰে কেৱল নিজৰ ৰজাৰ ওপৰতে নহয় বৰঞ্চ সৰোবৰেশ্বৰৰ শক্তিৰ ওপৰতো বিশ্বাস ৰাখে । কিবা এটা অভিশাপৰ কথা মনত পেলাই মায়া সৰোবৰলৈ যোৱা ৰাস্তাৰ কথা কৈ উঠিয়েই সি ছটফটাই মাটিত বাগৰি পৰিল । কিন্তু বিশ্বাস কৰা, ই এতিয়াও মৰা নাই ।” সিদ্ধসাধকে উত্তৰ দিলে ।

এনেতে ৰজা কনকাক্ষৰ কেইজনমান অনুচৰে পাত্ৰত পানী আনি জলবৃক ৰাক্ষসৰ মূৰত ঢালি দিলেহি । শীতল পানীৰ পৰশত জলবৃক ৰাক্ষসে ইফালে-সিফালে চকুমেলি চাই চিঞৰি উঠিল, “মই এতিয়া ক'ত ? নৰকত নে মায়া সৰোবৰত ?”

সিদ্ধসাধকে জলবৃকৰ পিঠিত এগোৰ শোধাই ক'লে, “হেৰ জলবৃক ! অভিশাপৰ

"মহাৰাজ ! আপুনি জয়শীলৰ সততাক সন্দেহৰ চকুৰে নাচাব । তেওঁ কোন দেশৰ নাগৰিক সেইটো ডাঙৰ কথা নহয় । যুৱৰাজ আৰু ৰাজকুমাৰীক আপোনাৰ হাতত গতাই দিবহি বুলি তেওঁ যি পণ কৰিছিল, সেই প্ৰতিজ্ঞা পালন কৰিবলৈ তেওঁ নিশ্চয় প্ৰচেষ্টা চলাব । আপোনাৰ দেশৰ নাগৰিক হিচাপে মই আপোনাক এই প্ৰতিশ্ৰুতি দিব পাৰো ।" সিদ্ধসাধকে ৰজাক বুজালে ।

সিদ্ধসাধকে ৰজাক এনেকৈ বুজাই থাকোতেই কিছু দূৰৈত থকা নৰভক্ষীহঁতৰ মাজত এটা কোলাহল শুনা গ'ল । তেওঁ তাৰ কাৰণ জানিবলৈ ইফালে-সিফালে চাওঁতেই নৰভক্ষীহঁতৰ নেতা শ্বেৰসিং আৰু গণাচাৰী ফোপাই জোপাই তেওঁৰ ওচৰ পাই ক'লেহি, "মহাশয়, আপোনাৰ নিচিনা চাৰিজন মানুহে দহ-বাৰটামান জলবৃক ৰাক্ষসৰ সৈতে যুদ্ধ কৰি আছে । আমি তেওঁলোকক সহায় কৰিব পাৰোনে ? আমি তেতিয়া কিছু আহাৰো পাম।"

পিছ মুহূৰ্ত্তে সৰ্পনখে নিজৰ ঘোঁৰাৰ ওপৰত উঠি লৈ ক'লে, "সিদ্ধসাধক ! এওঁলোক আন কোনো নহয়, বৈদ্যদেৱ, মোৰ সৰু ভাই, হাঁহে টনা ৰথৰ সাৰথি আৰু ৰজাৰ অংগৰক্ষক ।" এইবুলি কৈ সৰ্পনখে নিজৰ ঘোঁৰা চেকুৱাই দিলে ।

"মহাকালৰ জয় !" এইবুলি চিঞৰি সিদ্ধসাধক একেজাপে নৰবান্দৰৰ পিঠিত উঠি ললে। ৰজা কনকাক্ষক মাত লগালে, "মহাৰাজ। সৰ্বপ্ৰথমে আমি এই জলৰাক্ষসহঁতৰ কবলৰপৰা আমাৰ মানুহ কেইজনক বচাব লাগিব ।" এইবুলি কৈ তেওঁৰো সৰ্পনখক অনুসৰণ কৰিলে ।

"হে অৰণ্যদেৱ ! আপুনি আমাৰ ক্ষুধা নিবৃত্তি কৰক ।" এইবুলি কৈ নৰভক্ষীহঁতেও তেওঁলোকৰ পাছ ল'লে ।

সৰ্পনখ আৰু সিদ্ধসাধক সেই ঠাই গৈ পাওঁতে, ঘোঁৰাৰ ওপৰত উঠি থকা সৰ্পস্বৰে জলবৃকহঁতৰ লগত যুদ্ধ কৰি নিজৰ তৰোৱালেৰে তাৰে এটাক কাটিবলৈ উদ্যত হৈছিল । কিন্তু তেওঁৰ হাতৰপৰা সৰকি গৈ সেই জলবৃক ৰাক্ষসে বৈদ্যদেৱ নামেৰে পৰিচিত দেৱশৰ্মা, হাঁহে টনা ৰথাৰ সাৰথি তথা লেঙেৰা মংগলবাৰ্মাক জীৱন্তে বন্দী কৰিবলৈ চেষ্টা কৰিছিল । কিন্তু দেৱশৰ্মাই নিজৰ হীৰাৰ প্ৰলেপ থকা লাঠিৰে তাক বাধা দি ক'লে, "হেৰ' মূৰ্খ, সাৱধান ! এই লাঠিৰ শীৰ্ষত বিহ লগোৱা আছে । ইয়াৰে তোক স্পৰ্শ কৰিলেই তই সিপুৰী পাবিগৈ ।"

ঠিক সেই সময়তে সিদ্ধসাধক আৰু সৰ্পনখ সেই ঠাই পাইছিলগৈ । দূৰৰপৰা চিঞৰ বাখৰ কৰি নৰভক্ষীহঁত আৰু ৰজা কনকাক্ষৰ

সৈনিকসকলও সেইফালেই আহি আছিল । সেই দৃশ্য দেখি জলবৃক ৰাক্ষসটোৱে পলাবলৈ চেষ্টা কৰিলে ; ঠিক তেতিয়াই তাৰ নেতাই চিঞৰি চিঞৰি আদেশ দিলে, "নপলাবি, নপলাবি! আমাৰ ৰজাই আদেশ দিছে, জীৱন্তে ধৰিব নোৱাৰিলে তেওঁক হত্যা কৰিহে আমি উভতিব পাৰিম ।" এইবুলি কৈ জলবৃক ৰাক্ষসহঁতৰ নেতাই নিজৰ শিলৰ গদাৰে দেৱশৰ্মাক প্ৰহাৰ কৰিবলৈ উদ্যত হ'ল।

এখোজ পিছলৈ গৈ দেৱশৰ্মাই ক'লে, "মৃত্যুৱে তোক হাত বাউল দি মাতিছে, মূৰ্খ। মোৰ আৰু এতিয়া কোনো উপায় নাই ।" এইবুলি কৈ দেৱশৰ্মাই তাৰ শৰীৰত নিজৰ লাঠিডাল ভৰাই দিলে । পিছ মুহূৰ্ত্তত ৰাক্ষসহঁতৰ নেতাই মাটিত বাগৰি ছটফটাবলৈ ধৰিলে ।

তাকে দেখি দেৱশৰ্মাই নিজৰ লাঠিডাল ওপৰলৈ তুলি ক'লে, "হেৰ', বাচি থকা ৰাক্ষসহঁত । মই তহঁতক শেষবাৰৰ বাবে সাৱধান কৰি দিছো । সৰোবৰত থকা মায়া সৰোবৰেশ্বৰৰ কন্যা পদ্মমুখী তথা ৰাজকুমাৰ কাঞ্চনবৰ্মাক তঁহতি যদি কিবা অপকাৰ কৰিবলৈ চেষ্টা কৰ তেন্তে তহঁতৰ ৰজাৰ লগত তহঁত আটাইকে সিপুৰীলৈ পঠিয়াম । খবৰদাৰ! যা, তহঁতৰ ৰজাক এই কথা কগৈ।" এই কথা শুনি জলবৃক ৰাক্ষসহঁতে থৰকাছুটি হেৰুৱাই অৰণ্যৰ ভিতৰলৈ পলাই গ'ল ।

তেতিয়া সৰ্পনখে দেৱশৰ্মাৰ ওচৰলৈ গৈ নিজৰ ঘোঁৰাৰপৰা নামি ক'লে, "বৈদ্যদেৱ ! মায়া সৰোবৰেশ্বৰ, কাঞ্চনমালা, আৰু জয়শীলৰ জলবৃক ৰাক্ষসহঁতৰপৰা হ'ব পৰা বিপদৰ কথা নজনাৰ বাবে এই লোকসকল মায়া সৰোবৰ অভিমুখে যাব লাগিছে । তেওঁলোকক জানো সাৱধান কৰি দিয়া উচিত নহ'ব?"

"এই কাম তোমালোক দুয়ো ভাই আৰু হাঁহে টনা ৰথৰ সাৰথি মায়া সৰোবৰেশ্বৰ অংগৰক্ষকে মিলি কৰিব লাগিব । সোনকালে যোৱা ।" দেৱশৰ্মাই আদেশ দিলে ।

এই কথা শুনি সৰ্পনখ আৰু সৰ্পস্বৰে নিজ নিজ জলাশ্বক হেঁচুকি বিজুলী বেগেৰে যাবলৈ ধৰিলে । অংগৰক্ষকে ওচৰৰ গছবোৰৰ ডালত ধৰি কেইমিনিট মানৰ ভিতৰতে হাঁহে টনা ৰথ আকাশলৈ উৰাই নিলে । ইফালে আনন্দত উত্ৰাৱল হৈ ক্ষুধাতুৰ নৰভক্ষীহঁতে পলাই যাবলৈ ধৰা জলবৃক ৰাক্ষসহঁতক পিছে পিছে খেদি গ'ল । **(ক্ৰমশঃ)**

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

সোণৰ মুদ্ৰাৰ গছ

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ গছ জোপাৰ ওচৰলৈ গ'ল । গছৰপৰা মৰাশটো নমাই কান্ধত পেলাই লৈ তেওঁ নীৰৱে শ্মশান অভিমুখে আগবাঢ়িল । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, মোক কোৱাচোন, যত্ন কৰি তুমি কেতিয়াবা সুফল পাইছানে ? মই মানি লৈছো, তোমাৰ প্ৰতিজ্ঞা অমোঘ। লক্ষ্যৰ প্ৰতি তোমাৰ দৃঢ়তা নিশ্চয় প্ৰশংসনীয় । কিন্তু ইয়াৰপৰা লাভ কি হ'ব ? সংসাৰত কিছুমান মানুহৰ ব্যৱহাৰ বিচিত্ৰ আৰু ৰহস্যজনক । এইসকল লোকে পৰোপকাৰৰ অভিনয় কৰি বন্ধুৰ মাজত বা তেজৰ সম্পৰ্ক থকা লোকৰ মাজত অবিশ্বাসৰ বীজ ৰোপণ কৰে। এনেকুৱা মনোবৃত্তিৰ কোনো লোকেই তোমাক নিশ্চয় প্ৰৰোচিত কৰিছে, সেয়েহে তুমি এনে এটা কাম



কৰিবলৈ সাজু হ'লা । তোমাক এতিয়া মই জয়নাথ নামৰ এজন ব্যক্তিৰ কাহিনী শুনাম। মন দি শুনিবা ।" এইবুলি কৈ বেতালে কাহিনীটো আৰম্ভ কৰিলে ।

ভদ্ৰপুৰ নামৰ এখন চহৰত মণিদীপ নামৰ এজন ধনৱান লোকে বাস কৰিছিল । তেওঁৰ পত্নী বেদৱতীও সম্ভ্ৰান্ত পৰিয়ালৰ আছিল । পতি-পত্নী উভয়ে বৰ সৰবৰহী আৰু দানী আছিল । কোনোবা সহায় বিচাৰি আহিলে মণিদীপে প্ৰাণ উজাৰি সহায় কৰিছিল । অতিথিক বেদৱতীয়ে নিজৰ সন্তানৰ দৰে চেনেহ কৰিছিল । কোৱা হয়, বহি বহি খাই থাকিলে পৰ্বতও গলি যায় । লাহে লাহে তেওঁলোকৰ একমাত্ৰ সন্তান গুণদীপ ডাঙৰ হৈ আহিল । পিছে পুতেকৰ বাবে পৈতৃক ঘৰটোৰ বাহিৰে তেওঁলোকে আন একোৱেই ৰাখিব নোৱাৰিলে ।

নিজৰ ঘৰখনত কি ঘটি আছে সেই বিষয়ে গুণদীপে একোৱেই কথা নাজানিছিল । সেইখন চহৰৰে জড়নাথ নামৰ এজন বন্ধুৰ সৈতে এদিন গুণদীপ বৈদ্য বৃত্তিৰ শিক্ষা ল'বলৈ বুলি বহু দূৰলৈ ওলাল । কেৱল নিজৰ পুতেকলৈকে নহয় জড়নাথৰ বাবেও মণিদীপে নিয়মীয়াকৈ আৱশ্যকীয় ধনৰাশি পঠিয়াই আছিল । শিক্ষা সাং কৰি ঘৰলৈ উভতি অহাৰ পিছতহে গুণদীপে ঘৰখনৰ আচল অৱস্থাৰ কথা জানিব পাৰিলে ।

"উপৰিপুৰুষে এৰি থৈ যোৱা সা-সম্পত্তি শেষ কৰি এতিয়া আপোনালোকে মোৰ বাবে ভিক্ষাৰ জোলোঙা থৈছে । মই ভাবিয়েই পোৱা নাই, এই অৱস্থাতনো মই কৰো কি ?" গুণদীপে মাক-দেউতাকক খঙেৰে কথাখিনি ক'লে ।

"পুত্ৰ, সম্পত্তি স্থায়ী বস্তু নহয় । তোমাৰ দেউতাৰাই কৰা প্ৰতিটো কামৰ অন্তৰালত মোৰ উৎসাহ আছে । যদিহে তুমি এই কামবোৰ ভুল বুলি ক'ব খোজা, তেন্তে এই ভুল আমি দুয়োজনে একেলগে কৰিছো। আমি এতিয়াও পৰৰ আশ্ৰয় লৈ থাকিব লগীয়া হোৱা নাই । থাকিবলৈতো ঘৰ আছে। তুমি বৈদ্য বৃত্তি আৰম্ভ কৰি দিলে নিশ্চয় দুই-চাৰি টকা উপাৰ্জন হ'ব ।" এইখিনি কথাৰে বেদৱতীয়ে পুতেকক বুজাবলৈ চেষ্টা কৰিলে।

গুণদীপে বৈদ্য বৃত্তি আৰম্ভ কৰিলে । ইয়াৰে তেওঁৰ দুই-চাৰিটকা উপাৰ্জন হৈছিল ঠিকেই, কিন্তু তেওঁ কেতিয়াও সন্তুষ্ট হ'ব পৰা নাছিল । ইয়াৰ কাৰণ আছিল জড়নাথ, কিয়নো এবছৰ পূৰা নৌ হওঁতেই তেওঁ খুব উপাৰ্জন কৰিবলৈ লৈছিল আৰু চাৰিওফালে জড়নাথৰ খ্যাতি বৈ বৈ গৈছিল । মানুহে কৈছিল এনেকুৱা ভাল বৈদ্য তেওঁলোকে হেনো জীৱনত দেখাই নাই । দূৰ দূৰণিৰ পৰা

চিকিৎসা বিচাৰি তেওঁৰ ওচৰলৈ মানুহ আহিবলৈ ধৰিলে । লাহে লাহে তেওঁৰ সম্পত্তি বাঢ়ি আহিবলৈ ধৰিলে ।

"আপোনাৰ ধন লৈয়েই জড়নাথে বৈদ্য বৃত্তি শিকিলে আৰু সেই একেই জড়নাথ আজি মোৰ প্ৰতিদ্বন্দ্বীৰূপে থিয় দিছে । আপোনাৰ কাৰণেই মই সম্পত্তিৰ পৰা বঞ্চিত হ'লো আৰু মোৰ বৈদ্য বৃত্তি ব্যৰ্থ প্ৰমাণিত হ'ল ।" গুণদীপে ক'লে ।

"পুত্ৰ, তোমাৰতো উপাৰ্জন বৰ বেয়া নহয় । বৈদ্য বৃত্তিত সেৱাৰ মনোভাৱহে ডাঙৰ কথা । নিজৰ বৃত্তিৰদ্বাৰা তুমি ৰাইজক সহায় কৰা, তেওঁলোকৰ উপকাৰত অহা কাম কৰা। তেতিয়াহে প্ৰজাই তোমাক আদৰ কৰিব । তোমাক ডাঙৰ বৈদ্য বুলি স্বীকৃতি দিব । " মণিদীপে নিজৰ পুতেকক বুজালে । কিন্তু শয়নে-সপোনে গুণদীপৰ চিন্তা এটাই আছিল, নিজৰ উপাৰ্জন বৃদ্ধি কৰা । বাস্তৱত অৱশ্যে তেনে হোৱা নাছিল ।

সেইখন চহৰৰে চাউলৰ ব্যৱসায়ী মহাসেনে কথাটো গম পালে । ৰত্নমালা তেওঁৰ একমাত্ৰ দুহিতা আছিল । তেওঁৰ নিজৰ যিহেতু কোনো পুত্ৰ সন্তান নাছিল সেয়ে তেওঁ নিজৰ কন্যাৰ বাবে এজন যোগ্য বৰৰ সন্ধান কৰি আছিল । তেওঁ ভাবি থৈছিল বিয়াৰ পিছত জোঁৱায়েকক নিজৰ ঘৰতে ৰাখি নিজৰ বেহা বেপাৰৰ দায়িত্ব সঁপি দিব । তেওঁ এদিন গুণদীপক লগ ধৰি ক'লে, "বোপাই, তোমাৰ পৰিয়ালৰ বিষয়ে মই সকলো কথা জানো । তোমাৰ উপৰি পুৰুষে অনেক দান কৰিছিল । তোমালোকৰ পৰিয়ালটো এসময়ত অতি আঢ্যৱন্ত আছিল । পৰিয়ালটোৰ ওপৰত লক্ষ্মী দেৱীয়ে আশীষ বৰষিছিল ।

কিন্তু কি কৰিবা, তোমাৰ মা-দেউতাই দুৰ্ভগীয়া । তেওঁলোকৰ লগত থাকিলে কাহানিও তোমাৰ অৱস্থাৰ পৰিৱৰ্তন নঘটিব। দিনে দিনে তোমাৰ অৱস্থা বেয়াৰ ফাললৈ ঢাল খাইছে । মোৰ ছোৱালীক বিয়া কৰোৱা। ঘৰজোঁৱাই হৈ মোৰ ঘৰলৈকে থাকিবলৈ আহা। মা-দেউতাৰক তোমাৰ ওচৰলৈ আহিবলৈ নিদিবা ।" মহাসেনৰ এইখিনি কথাই গুণদীপৰ ওপৰত ডাঙৰ প্ৰভাৱ পেলালে । ৰত্নমালাৰ ৰূপ-লাৱণ্য দেখিও গুণদীপ মোহিত হ'ল ।

গুণদীপে ৰত্নমালাক বিয়া কৰালে আৰু ঘৰজোঁৱাই হৈ শহুৰেকৰ ঘৰতে থাকিবলৈ ধৰিলে । ইয়াৰ মাজতে জড়নাথে মণিদীপৰ দুৰৱস্থাৰ কথা গম পালে । এদিন জড়নাথে এই দুৰ্ভগীয়া দম্পতিক লগ পাবলৈ যাওঁতে তেওঁলোকে জড়নাথক ক'লে, "আমিতো বেচ সুখী । আমাৰ ল'ৰাই বিচাৰে তাৰ লগতে আমিও তাৰ শহুৰেকৰ ঘৰতে থাকো, পিছে

আমিহে সেইটো নিবিচাৰো । এই ঘৰতেই থাকি চকু মুদিব পাৰিলেই আমি ভাল পাম।”

কিছু সময় মৌন হৈ থাকি জড়নাথে ক'লে, “মই ইয়ালৈ অহাৰ আঁৰত মোৰ এটা স্বাৰ্থ আছে । আপোনালোকৰ ঘৰৰ পাছফালে এজোপা গছ আছে। সেই গছ জোপাৰ ফলৰপৰা অদ্ভুত ঔষধ বনাব পৰা যায়। অলপতে মই এই ৰহস্যৰ কথা গম পাইছো। গছজোপাই গোটেই বছৰে ফল দিয়ে। একোটা ফলৰ মূল্যই দহটা সোণৰ মুদ্রা হ'ব। কিন্তু ইমানখিনি ধন মই দিব নোৱাৰিম । দৈনিক আপুনি মোক একোটাকৈ ফল দিলে মই তাৰ মূল্য হিচাপে এটাকৈ সোণৰ মুদ্রা দিব পাৰিম। কিন্তু আপুনি লিখিত ৰূপত মোক এই প্ৰতিশ্ৰুতি দিব লাগিব যে আন কাকো আপুনি এই ফল নেবেচে আৰু মোক দৈনিক এটাকৈ ফল দি থাকিব ।”

মণিদীপ চিন্তাত পৰিল । পিছে নিজকে চম্ভালি লৈ তেওঁ ক'লে, “তুমি নোকোৱা-হেঁতেন মই এই গছজোপাৰ মহত্ত্বৰ কথা কেতিয়াও জানিব নোৱাৰিলোহেঁতেন। তুমি কোৱা কথামতেই মই গছজোপাৰ ফল তোমাক বেচিবলৈ সাজু । কিন্তু এইখিনি কথা তোমাকনো লিখি দিব লাগে কিয় ?”

“বৰদেউতা, এই ফলৰ মহত্ত্বৰ কথা যদি আন কোনোবাই জানে তেন্তে ঘোৰ বিপদ আহিব । বহুতো মানুহে এই ফল কিনিব খুজিব । বেচিবৰ বাবে মানুহে আপোনাৰ ওপৰত হেঁচা দিব । যদিহে এটা বিশেষ পদ্ধতি অৱলম্বন কৰা যায় তেন্তে এই ফলৰপৰা মানুহৰ প্ৰাণৰক্ষাকাৰী ঔষধ তৈয়াৰ কৰিব পৰা যায় । কিন্তু পদ্ধতিটোৰ সামান্য ইফাল সিফাল হলেই ফলটোৰপৰা তৈয়াৰী ঔষধে মানুহৰ প্ৰাণ ল'ব পাৰে । অযোগ্য লোকৰ হাতত যাতে ফলটোৰ দুৰ্প্ৰয়োগ হ'ব নোৱাৰে তাক নিশ্চিত কৰিবলৈহে মই এনে এটা লিখিত প্ৰতিশ্ৰুতি আপোনাৰ পৰা বিচাৰিছো। ইয়াত মোৰ অন্য কোনো স্বাৰ্থ নাই ।” জড়নাথে কথাখিনি বুজাই দিলে ।

জড়নাথে কোৱাৰ দৰেই মণিদীপে লিখিত ৰূপত এই অধিকাৰ জড়নাথক প্ৰদান কৰিলে। সেইদিনাৰে পৰা মণিদীপৰ অৱস্থা লাহে লাহে ভাললৈ আহিবলৈ ধৰিলে । আৰামেৰে তেওঁ জীৱন কটাবলৈ ধৰিলে আৰু একে সময়তে পতি-পত্নী দুয়ো অভাৱী লোকক আগৰদৰে সহায় কৰিবলৈ ধৰিলে ।

গুণদীপে যেতিয়া গম পালে যে তেওঁৰ দেউতাকৰ অৱস্থা আকৌ ভাললৈ আহিছে তেতিয়া তেওঁ ভাবি ভাবি ইয়াৰ কাৰণটো উলিয়াব নোৱাৰিলে । এদিন গুণদীপ দেউতাকৰ ওচৰলৈ আহিল । গুণদীপে দেউতাকক ঘৰৰ সম্পত্তিৰ ভাগ খুজিলে ।

উপায়ন্তৰ হৈ মণিদীপে পুতেকক ঘৰৰ পাছফালে থকা গছজোপাৰ ফলৰ মহত্ত্বৰ কথা ক'ব লগীয়া হ'ল । এই ৰহস্যৰ কথা গম পাই গুণদীপ দৌৰি দৌৰি গছজোপাৰ ওচৰ পালেহি। গুণদীপে ক্ৰোধান্বিত হৈ দেউতাকক ক'লে, "আপুনি গছজোপাৰ ৰহস্যৰ কথা মোৰপৰা লুকুৱাই ৰাখিলে । মোক নজনোৱাকৈ আপুনি এই ফলবোৰ বেচিব বুলি জড়নাথক লিখিত প্ৰতিশ্ৰুতি দিলে । এইয়া ঘোৰ অন্যায় । মোৰ নিজৰ ভাগ পাবলৈ মই ৰজাৰ ওচৰত ন্যায় বিচাৰি আপোনাৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিম।"

মণিদীপে জড়নাথলৈ খবৰ পঠিয়ালে। গোটেই কথাখিনি জানি জড়নাথে ক'লে, "গুণদীপে কৰা অভিযোগ দলিয়াই পেলাব নোৱাৰি । মই ইয়াৰ এটা সমাধানৰ উপায় চিন্তা কৰিব লাগিব । গছজোপাৰপৰা চাৰি হেজাৰ ফল মই লৈ যাম । গতিকে দৈনিক একোটাকৈ সোণৰ মুদ্ৰাৰ হিচাপত মই এঘাৰ বছৰলৈকে এনেকৈ মুদ্ৰা দি যাব লাগিব । অন্ততঃ আপুনি যিমান দিন জীয়াই থাকে, মোৰপৰা দৈনিক একোটাকৈ সোণৰ মুদ্ৰা পাই থাকিব । আজিৰেপৰা এই গছজোপাৰ সৰ্বস্বত্ব গুণদীপৰ হ'ব ।"

জড়নাথৰ এই প্ৰস্তাৱ গুণদীপে ভাল পালে। ইয়াৰ পাছত গুণদীপে গছজোপাৰ ফল বেচিবলৈ চেষ্টা কৰিলে । কিন্তু বৈদ্যসকলে যেতিয়া ক'লে যে এই ফলৰ কোনো ঔষধি গুণ নায়েই তেতিয়া গুণদীপ নিৰাশ হ'ল । তেওঁৰ আশাত চেঁচাপানী পৰিল । গুণদীপে এদিন জড়নাথক লগ ধৰি ক'লে, "তুমি যি দাম দিব খোজা সেই দাম দি গোটেইখিনি ফল তুমিয়েই কিনি লোৱা।"

জড়নাথে মিচিকিয়া হাঁহি মাৰি ক'লে, "সেই অদৰ্কাৰী ফলসোপা কিনি মই কৰিম কি ?" আচৰিত হৈ গুণদীপে ক'লে, "কি ক'লা, অদৰ্কাৰী ফল ? তুমিয়েইতো প্ৰতিটো ফলৰ মূল্য একোটাকৈ সোণৰ মুদ্ৰা হ'ব বুলি ঠিক কৰিছিলা ।" "তোমাৰ দেউতাৰাৰ পৰা ল'লেহে সেই ফল মূল্যৱান হয় । তোমাৰ দেউতাৰাই কৰা পৰোপকাৰৰ বাবে তাৰ সুফল হিচাপে তেখেতে সেইজোপা গছ পাইছিল । বুজিলানে তুমি ?" জড়নাথে কোৱা কথাত এটা ৰহস্য নিহিত হৈ আছিল।

জড়নাথৰ কথা শুনি গুণদীপৰ মূৰত যেন আকাশী সৰগহে ভাঙি পৰিল । মূৰ তললৈ কৰি তেওঁ গুচি আহিল ।

বেতালে কাহিনীটো কৈ উঠি ক'লে, "ৰাজন, বৈদ্য বিদ্যা সাং কৰি ঘৰলৈ অহাৰ পাছৰেপৰা মণিদীপৰ পৰিয়ালৰ প্ৰতি জড়নাথৰ আচাৰ ব্যৱহাৰ বিচিত্ৰ আৰু

ৰহস্যজনক আছিল । জড়নাথে এই কথাও গম পাইছিল যে তেওঁৰ সহপাঠী গুণদীপ নিজৰ মাক-দেউতাকৰ প্ৰতি ৰুষ্ট, তেওঁলোকৰ প্ৰতি গুণদীপৰ মুঠেই শ্ৰদ্ধাভাব নাই, আৰু গুণদীপ তেওঁলোকৰপৰা আঁতৰি থাকিব খোজে । তথাপিও তেওঁ গুণদীপক শুদ্ধ পথলৈ আনিবলৈ কোনো চেষ্টাই নকৰিলে ।

বৈদ্য বৃত্তিৰদ্বাৰা যথেষ্ট ধন উপাৰ্জন কৰিও মণিদীপৰ ঘৰৰ পাছফালে থকা মূল্যৱান গছজোপাৰ ফলৰপৰা লাভ আদায় কৰি তেওঁ নিজৰ স্বাৰ্থপৰতাৰ পৰিচয় দিলে। যিজন ধৰ্মাত্মাৰ অনুগ্ৰহত তেওঁ নামজ্বলা বৈদ্য হ'ব পাৰিলে, সেইজন লোকৰ প্ৰতি জড়নাথে মুঠেই ন্যায় আচৰণ নকৰিলে । তেওঁক অপমানহে কৰিলে । এইবোৰ জড়নাথৰ কৃতঘ্নতাৰ চিন নহয়নে ? মোৰ এই প্ৰশ্নৰ উত্তৰ তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফালি চিৰাচিৰ হ'ব ।"

ৰজা বিক্ৰমাদিত্যই ক'লে, "জড়নাথৰ ব্যৱহাৰ না বিচিত্ৰ না ৰহস্যজনক আছিল । লৌকিক জ্ঞানত তেওঁ অদ্বিতীয় আছিল । তেওঁ ভালকৈ জানিছিল যে আৰ্থিক পীড়াত মানসিকভাৱে ভাগি পৰা লোকৰ সৈতে কেনেকুৱা ব্যৱহাৰ কৰা উচিত? নিৰ্মল মনৰ মাক দেউতাকে কেতিয়াও নিজৰ সন্তানক লঘু কৰি নেদেখুৱায় । সেই কাৰণেই মণিদীপে জড়নাথৰ ওচৰত এইবুলি মিছা মাতিছিল, "আমাৰ লৰাই আমাক জোৰ দি ধৰিছে যে আমি তাৰ সৈতে থাকিব লাগে । কিন্তু আমি নিজেহে থাকিব খোজা নাই ।" এনে অৱস্থাত জড়নাথে ইচ্ছা কৰিওনো কৰিব কি ? নিজৰ কৃতজ্ঞতা প্ৰকাশ কৰিবলৈকে জড়নাথে সেই মূল্যৱান গছজোপাৰ ফল কিনাৰ নাটক কৰিলে । গুণদীপে যেতিয়া জড়নাথক গোটেইখিনি ফল বেচিবলৈ আহিছিল তেতিয়া জড়নাথে জানো কোৱা নাছিল, "তোমাৰ দেউতাৰাৰ পৰা ললেহে সেই ফল মূল্যৱান হয় ।" গুণদীপে জড়নাথৰ কথাৰ অন্তৰ্নিহিত অৰ্থ বুজি পাইছিল আৰু মাক দেউতাকৰ পৰোপকাৰ কিমান বেছি মূল্যৱান আছিল, এই কথা গুণদীপে বুজি পাইছিল ।"

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ ।

(সুভদ্ৰা দেৱীৰ ৰচনাৰ আলম লৈ)

অনুপম বেৰ চিত্ৰ

কেৰালাৰ ত্ৰিচুৰৰ ওচৰত থকা কালাডীৰ শ্ৰীশংকৰ বিশ্ববিদ্যালয়ৰ ১,২০০ ফুট দীঘল বেৰত আছে অনুপম বেৰ চিত্ৰ। এই ৫ ফুট ওখ বেৰ চিত্ৰত দেখুওৱা হৈছে এটা অবিৰত শৃংখলাত এজন শিষ্যক গুৰু শংকৰাচাৰ্যই দিয়া চাৰিটা যুগৰ শিক্ষা--সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি যুগ। এই বেৰ চিত্ৰৰ আন কিছুমান বিষয় হ'ল ৰামায়ন, মহাভাৰত, শকুন্তলম, মেঘচন্দেচম, ৰঘুবংচম, ভৰতৰ ১০৮ কৰণ, আৰু আদি শংকৰাচাৰ্যৰ জীৱন। তিনি বছৰৰ কঠোৰ পৰিশ্ৰমৰ অন্তত ১৯৯৮ চনত এই কাম সম্পূৰ্ণ কৰা হয়। গিনীজ বুক অভ্ ৰেকৰ্ড্চত এই কীৰ্ত্তিক স্থান দিয়া হৈছে।

গাওঁখনেই হৈ পৰিল নিৰামিষভোজী

আজিকালি সৰহভাগ মানুহেই নিৰামিষভোজী হ'বলৈ লৈছে। উৰিষ্যাৰ এখন গাৱঁত ৫০ ঘৰ মানুহৰ কোনেও মাছ-মাংস নাৰান্ধে। তেওঁলোক কেৱল নিৰামিষহে খায়। পূৰ উৰিষ্যাৰ ধেনকানালৰ পৰা ৫০ কিলোমিটাৰ দূৰৰ বেনটাচালিয়া নামৰ এই গাওঁখন ৰাজ্যখনৰ যি কোনো এখন গাৱঁৰ দৰেই লাগে যদিও ই বহুত বেলেগ। ইয়াৰ বাসিন্দা সকল বৈষ্ণৱী আৰু গুৰু অচ্যুতানন্দৰ ভক্ত। বছৰ বছৰ ধৰি তেওঁলোকে বৈষ্ণৱী ধৰ্মীয় আনুষ্ঠানিকতা সমূহ পালন কৰি আহিছে। অকল সেয়ে নহয়, তেওঁলোকে এটা শান্তিপূৰ্ণ জীৱন কটায়, তেওঁলোকৰ গড় আয়ুসো যথেষ্ট বেছি, আৰু কেতিয়াও কোনো প্ৰাকৃতিক দুৰ্যোগ বা মহামাৰীত তেওঁলোক আক্ৰান্ত হোৱা নাই। বেনটাচালিয়াত মানুহ আৰু পশু পক্ষীয়ে শান্তিপূৰ্ণভাৱে সহ অৱস্থান কৰি আছে।

সোঁতৰ বিপৰীতে সাঁতোৰা জন



অতীজৰে পৰাই হিমালয়ৰ পাদদেশত থকা হৰিদ্বাৰ এখন পৱিত্ৰ ঠাই হিচাবে পৰিগণিত হৈ আহিছে । বহুতো যোগী আৰু গুৰুৱে তাত তেওঁলোকৰ আশ্ৰম পাতি থাকে।

মাজে সময়ে ভৈয়ামৰ পৰা এজন ধনী সদাগৰ সেই পৱিত্ৰ ঠাইলৈ গৈছিল । তাৰ এজন অত্যন্ত জ্ঞানী প্ৰবীণ নমস্য ঋষিক তেওঁ গুৰু বুলি মানি লৈছিল । যেতিয়াই তেওঁৰ ব্যৱসায়ত কিবা লোকচান হয় বা তেওঁৰ ব্যৱসায়ৰ অংশীদাৰৰ লগত কিবা ভুল বুজাবুজি হয় বা যেতিয়া তেওঁৰ পত্নী আৰু পুত্ৰসকলৰ লগত মতানৈক্য হয় তেতিয়া বিৰক্তিত সেই সদাগৰ জন হৰিদ্বাৰলৈ গুচি যায় । তেওঁৰ গুৰুৱে তেওঁক মৰমেৰে বুজনি দিয়ে । সদাগৰজনে আশ্ৰমলৈ গৈ মনত শান্তি পায় । বিশেষকৈ গুৰুৰ সান্নিধ্যত ।

গুৰুৱে যেতিয়া শিষ্য সকলৰ লগত কথা পাতে তেতিয়া তেওঁ গুৰুৰ ওচৰত বহি ভাল পায় । গুৰুৰ কথাবোৰ শুনি তেওঁ ভাল পায়। অৱশ্যে তাৰ অৰ্থ এইটো নহয় গুৰুৱে কোৱা সকলোবোৰ কথা তেওঁ বুজি পাইছিল। পুতৌলগা কথা এয়ে যে তেওঁ বুজি পোৱা বুলি ধৰি লোৱা কিছুমান কথাত তেওঁ গুৰুৰ সৈতে একমত হ'ব পৰা নাছিল । উদাহৰণ স্বৰূপে, যেতিয়াই তেওঁ গুৰুৰ আগত তেওঁৰ কোনো ব্যক্তিগত সমস্যা দাঙি ধৰিছিল

গুৰুৱে কেৱল সাধাৰণভাৱে কৈছিল যে "মোৰ পুত্ৰ, যদি তুমি মনৰ শান্তি বিচাৰা, তুমি নিজকে ঈশ্বৰৰ ওচৰত সমৰ্পণ কৰা।" তেওঁ বুজি নাপালে যে যেতিয়া তেওঁৰ ব্যৱসায়ৰ অংশীদাৰে প্ৰতাৰণা কৰে বা যেতিয়া এক বুজন পৰিমানৰ বস্তু চুৰি হয় তেতিয়া ভগৱানৰ কথা ক'ব পৰা আহিল ?

"গুৰুদেৱ, যেতিয়া মোক কোনোবাই ঠগে তেতিয়া মই আৰক্ষী বা আদালতলৈ যোৱা উচিত নহ'বনে ?" এনেকুৱা সৰু-সৰু ঘটনাত ভগৱানে সহায় কৰিব পাৰিবনে?" তেওঁ বিভিন্ন বিষয়ত বিভিন্ন ধৰণে গুৰুক প্ৰশ্ন সোধে ?

গুৰুৱেও সদায় বিভিন্ন ভাষাৰে একেটাই উত্তৰ দিয়ে। গুৰুৰ উত্তৰৰ সাৰাংশ হ'ল- তেওঁ আৰক্ষী বা আদালতলৈ নিশ্চয় যাব পাৰে, আনকি যিসকলে তেওঁক ঠগে সেই সকলক শাস্তি দিয়াত তেওঁ সফলো হ'ব পাৰে; কিন্তু সেয়াই তেওঁৰ মনত শান্তি দিব নোৱাৰে। সেই মুহূৰ্ত্ততে অন্য এক সমস্যাই তেওঁক পীড়া দিব। সৎ উপায়েৰে নিজৰ ব্যৱসায়ত সফলতা লাভ কৰিবৰ বাবে প্ৰয়োজনীয় আৰু সম্ভৱপৰখিনি কৰিবলৈ সকলো উপায়েই তেওঁ অৱলম্বন কৰক। কিন্তু যদি সঁচাকৈয়ে তেওঁ মনৰ শান্তি বিচাৰে তেন্তে তেওঁ নিজকে ভগৱানৰ ওচৰত সমৰ্পণ কৰিবলৈ শিকিবই লাগিব। আনকি যদি তেওঁ নিজৰ শেষ লক্ষ্যত উপনীত হ'বলৈ অসমৰ্থও হয়, তথাপি তেওঁ নিজতকৈ- তেওঁৰ বাবে কোনটো ভাল আৰু কোনটো বেয়া ভালকৈ জনা সৰ্বনিয়ন্তাৰ ওচৰত নিজকে সমৰ্পণ কৰাত তেওঁ সফল হ'লে বৰ্ত্তমানৰ অৱস্থাতে তেওঁ সুখী হ'ব পাৰিব।

এদিন ৰাতি এই বিষয়ে গুৰুৰ লগত সদাগৰে বহুত সময় ধৰি তৰ্ক কৰিলে। গুৰুৱে আজিলৈকে কাৰো লগতেই ধৈৰ্য হেৰুওৱা নাই। কিন্তু যেতিয়া তেওঁ বুজিলে যে এটা সত্য ব্যাখ্যা কৰাত তেওঁ ব্যৰ্থ হৈছে



তেতিয়া তেওঁ নীৰৱ হৈ পৰিল । ইতিমধ্যে মাজনিশা হৈছিল । সদাগৰে এইটো ভাবি বৰ দুখ পালে যে তেওঁ গুৰুক সিমান সময়লৈকে সাৰে ৰাখিলে । তেওঁ ক্ষমা খুজিলে আৰু শুবলৈ গ'ল ।

তেতিয়াও আন্ধাৰ হৈয়েই আছিল । পোহৰ হ'বলৈ সময় আছিল । গুৰুৱে সদাগৰক জগালে আৰু বিছনাৰ পৰা প্ৰায় চোচৰাই লৈ গ'ল । সদাগৰ হতভম্ব হ'ল । তথাপিও, এটা শব্দও নোকোৱাকৈ তেওঁ গুৰুক অনুসৰণ কৰিলে । কেইদিনমান ধৰি নেৰানেপেৰাকৈ বৰষণ দি আছিল আৰু তেতিয়াও আনকি কিনকিনয়া বৰষুণ দিয়েই আছিল । কেউফালে নিস্তব্ধতা । গুৰুৱে সদাগৰক গংগা নদীৰ পাৰলৈ লৈ গ'ল । উত্তাল ঢৌ আৰু তীব্ৰ স্ৰোতেৰে নদীখন ভয়ংকৰ হৈ পৰিছিল ।

গুৰুৱে কি কৰিব খুজিছে ? সদাগৰে ভাবি উলিয়াব নোৱাৰিলে ।

"সেইফালে চোৱা, মূৰ্খ কৰবাৰ," নিমিষতে নদীৰ সোঁতে উটুৱাই নিয়া এটা প্ৰকাণ্ড হাতীলৈ আঙুলিয়াই গুৰুৱে ক'লে ।

"আৰু এইফালে চোৱা," নদীৰ অলপ কাষলৈ সোঁতৰ বিপৰীতে অনায়াসে সাঁতুৰি থকা এটা অকণমানি মাছলৈ আঙুলিয়াই গুৰুৱে ক'লে ।

"তুমি কিবা বুজি পাইছানে ? বিশাল জন্তু এটাইয়ো পৰিস্থিতিৰ লগত যুঁজ দিব নোৱাৰি নিজ ইচ্ছাৰ বিপৰীতে মৃত্যুক সাবটি ল'লে। কিন্তু এই সামান্য প্ৰাণীটোৱে নদীতেই থকা বাবেই নিজৰ ইচ্ছামতে চলা-ফিৰা কৰিব পাৰিছে । আনকি এই প্ৰবল সোঁতৰ বিপৰীতেও । যেতিয়া তুমি ঈশ্বৰৰ ওচৰত নিজকে সমৰ্পণ কৰিবা, তুমি তেওঁৰ লগত বিলীন হৈ যাবা । যদি তেওঁ বিচলিত নহয়, তুমিও বিচলিত ন'হবা । গতিকে, তুমি কিবা বুজি পালানে এতিয়া?" সদাগৰৰ পিঠিত চপৰিয়াই গুৰুৱে সুধিলে ।

"মই বুজি পাইছোঁ গুৰুদেৱ, মোক ক্ষমা কৰক," বিনয়ী কণ্ঠেৰে সদাগৰে ক'লে ।



সংবাদ বিচিত্ৰা

জীৱনৰ অন্তিম ইচ্ছা

চীনৰ দহ বছৰীয়া শিশু হুৱাং গে দুৰাৰোগ্য কেন্সাৰ ৰোগত ভূগি আছিল । এদিন হুৱাঙে তাৰ দেউতাকক ক'লে যে সি সিহঁতৰ ঘৰৰপৰা প্ৰায় ২০০০ কি.মি. দূৰৈত থকা ৰাজধানী বেইজিঙৰ বিখ্যাত টিয়ানেনমেন স্কোৱাৰ এবাৰ চাবলৈ বৰ ইচ্ছা কৰে । হুৱাঙৰ ৪৪ বছৰীয়া মৰমিয়াল দেউতাকে পুতেকৰ ইচ্ছা পূৰণ কৰিবলৈ মন বান্ধি ল'লে । তেওঁৰ আছিল এখন বাইচাইকেল । তাতে তেওঁ দুটা চিট আৰু ৰ'দ তথা বৰষুণৰ পৰা ৰক্ষা পাবলৈ এটা হুডৰ ব্যৱস্থা কৰিলে আৰু পুতেকক লৈ চাইকেল যাত্ৰা আৰম্ভ কৰি ৬২ দিনৰ মূৰত গন্তব্য স্থল পালেগৈ । জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰাৰ আগতে কণমানি হুৱাঙে ইতিহাস প্ৰসিদ্ধ এই স্কোৱাৰ চাবলৈ পাই বৰ ভাল পালে ।

ভাৰতত আৰু ইহুদী নাই

ভাৰতত থকা শেষ ইহুদী পৰিয়ালে ভাৰতক বিদায় জনাই তেওঁলোকৰ পিতৃভূমি ইজৰাইললৈ ঘূৰি গৈছে । জোচেফ চাইমন, পত্নী ইয়াহুদিত আৰু তেওঁলোকৰ সন্তান চেম আৰু চু চানে কেৰালাৰ পাৰাবুৰত থকা ৬০০ বছৰৰ পুৰণি চীনাগগৰ সমুখত কেইটামান মুহূৰ্ত্তৰ বাবে থিয় হ'ল আৰু তাৰ পিছত সাজু হৈ থকা গাড়ীত উঠিল গৈ । আজি প্ৰায় পঞ্চাশ বছৰৰ আগলৈকে কেৱল ইহুদী সকলৰ বাসস্থল হৈ থকা জুইচ ষ্ট্ৰীটৰ বাকী বাসিন্দা সকল তেওঁলোকক বিদায় জনাবলৈ তাত গোট খাইছিল । যেতিয়া এটাৰ পিছত এটাকৈ পৰিয়ালবোৰে ঠাইখন এৰি গুচি গৈছিল তেতিয়া জোচেফ চাইমন আৰু তেওঁৰ পৰিয়ালে নিঃসংগ অনুভৱ কৰিছিল । তেওঁলোকৰ পৰম্পৰাগত উৎসৱ আৰু আনুষ্ঠানিকতা বোৰত অংশগ্ৰহণ কৰিবলৈ কোনোৱেই নাছিল । জোচেফ আৰু তেওঁৰ পত্নীয়ে ভাবিলে যে তেওঁলোকৰ সন্তান দুটিয়ে ভাৰতত কোনো সংগী নাপাব । সেয়ে তেওঁলোক স্বাভাৱিকতেই নিজৰ সমাজলৈ ঘূৰি গ'ল । চীনাগগক এতিয়া এটা সুৰক্ষিত স্মৃতিসৌধ বুলি ঘোষণা কৰা হৈছে ।

উত্তৰাঞ্চলৰ এক লোক কাহিনী

ভাৰতৰ এখন নতুন ৰাজ্য উত্তৰাঞ্চল গঠন কৰা হয় উত্তৰ প্ৰদেশৰ ১৩ খন জিলাক লৈ ২০০০ চনৰ চেপ্তেম্বৰ মাহত । ইয়াৰ ৰাজধানী ডেৰাডুন । এইখন ৰাজ্য অতিশয় নিৰিবিলি আৰু সীমাহীন প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা । এইখন ৰাজ্যক দেৱভূমি বা দেৱতাৰ আবাস বুলিও কোৱা হয় । কাৰণ ইয়াত কেদাৰনাথ, বদ্ৰীনাথ গংগোত্ৰী আৰু যমুনোত্ৰীকে ধৰি ভালেমান বিখ্যাত তীৰ্থস্থান আছে ।

ৰাজ্যখনৰ পূবে আছে নেপাল আৰু দক্ষিণে হিমালয় পৰ্বতমালাই ইয়াক চীনদেশৰ পৰা পৃথক কৰিছে । হাৰিয়ানা আৰু হিমাচল প্ৰদেশে ক্ৰমে পশ্চিম আৰু উত্তৰ-পশ্চিম দিশ আগুৰি আছে । ৰাজ্যখনৰ বেছি ভাগ অঞ্চলেই পাহাৰীয়া আৰু ক'বলৈ গ'লে সমগ্ৰ ৰাজ্যখনৰ মাত্ৰ ১০ শতাংশ অঞ্চলকহে সমতল অঞ্চল বুলিব পাৰি । গংগা, যমুনা, ভাগীৰথী আৰু অলকানন্দা নদীৰ উৎপত্তিস্থল আছে এইখন ৰাজ্যতে ।

উত্তৰাঞ্চলৰ মাটি কালি হ'ল ৫৫ হাজাৰ ৮৪৫ বৰ্গকিলোমিটাৰ আৰু ইয়াৰ মুঠ জনসংখ্যা হ'ল ৮,৪৭৯,৫৬২ । প্ৰধান ভাষাসমূহৰ ভিতৰত আছে হিন্দী, গাঢ়োৱালী আৰু কুমায়ুনী ।

এটা মেকুৰীৰ পৰাই

পাউৰিৰ পাদদেশত এটা পঁজাত এহাল বৃদ্ধ দম্পতীয়ে বাস কৰিছিল । তেওঁলোকৰ নেগী নামৰ এটা পুতেক আছিল । নেগী বৰ তজবজীয়া নাছিল। সি বৰ সহজ-সৰল আৰু লাজকুৰীয়া আছিল । কেৱল সহজ-সৰলেই নহয় সি বৰ ভদ্ৰও আছিল আৰু তাৰ ক'লা ধুনীয়া চকুযুৰি আৰু ভদ্ৰ ব্যৱহাৰৰ লগতে দেখিবলৈও সি ধুনীয়া আছিল ।

সিহঁতৰ ঘৰৰ কাষেদি এটি সৰু জুৰি বৈ গৈছিল । প্ৰায়েই নেগীয়ে জুৰিৰ পাৰত বহি বাঁহী বজাইছিল । ওচৰতে ছাগলীবোৰ চৰি

ফুৰিছিল আৰু উৰি ফুৰা হিলচা চৰাইবোৰৰ পাখি সূৰ্যৰ কিৰণত জকমকাই উঠিছিল । জীৱ-জন্তু আৰু চৰাইবোৰে তাৰ উপস্থিতিৰ লগত অভ্যস্ত হৈ গৈছিল আৰু যিহেতু তাক ভয় কৰিব লগা একো নাছিল সেয়ে সিহঁতে তাক ভয় কৰা নাছিল ।

কিন্তু মাক-দেউতাকৰ নেগীক লৈ চিন্তাৰ অন্ত নাছিল । তেওঁলোকে শংকা কৰিছিল যে তেওঁলোকৰ মৃত্যুৰ পিছত নেগীয়ে নিজৰ দায়িত্ব নিজে ল'ব নোৱাৰিব ।

"নেগীৰ কি হ'ব ? তাক কোনে চাব ?" কুকুৰা গঁৱালৰ পৰা কণীবোৰ গোটাই থাকোতে নেগীৰ মাকে গিৰিয়েকক সুধিলে। ছাগলী গাখীৰ খীৱাই থকা গিৰিয়েকে তেওঁলৈ চালে । কিন্তু কোনো উত্তৰ নিদিলে । চিন্তাত তেওঁৰ কপালত স্পষ্টহৈ উঠিল বলিৰেখাবোৰ। তেওঁ উদাস ভাৱেৰে দূৰৰ বৰফাবৃত পৰ্বতমালালৈ চাই পঠিয়ালে । দূৰৰ উপত্যকাৰ পৰা বৈ অহা কোমল বতাহজাকে নেগীৰ বাঁহীৰ সুমধুৰ সুৰ কঢ়িয়াই আনিছিল।

সেই নিশা বুঢ়া মানুহজনে চকুৰ টিপ এটাও মাৰিব নোৱাৰিলে । বিচনাত পৰি তেওঁ ইকাতি সিকাতি কৰি থাকিল । বিচনা চাদৰখনে এটা অজগৰ সাপৰ দৰে তেওঁ ভৰি দুটা যেন চেপি ধৰিলে । পুৱা খুব সোনকালে তেওঁ সাৰ পালে আৰু পুতেকক হেঁচুকি জগালে । "নেগী, উঠচোন, মোৰ তোক কিবা অলপ ক'ব লগা আছে ।"

নেগী উঠি বহিল আৰু চকু মোহাৰিবলৈ ধৰিলে । ৰাতিপুৱা হ'বৰ হৈছে আৰু পৰ্বতৰ ওপৰত সুৰুযৰ সোণোৱালী আভা পৰিছে । কুকুৰাৰ ডাকে ৰাতিপুৱাৰ সঙ্কেত দিলে আৰু গছত চৰাইৰ মাত শুনিবলৈ পোৱা গ'ল ।

দেউতাকৰ পিছে পিছে নেগী ছাগলী গড়াললৈ গ'ল । দেউতাকে নোমেৰে ভৰা এটা পাহাৰীয়া ছাগলী আৰু এটা ভূটীয়া কুকুৰ লৈ ওলাই আহিল । নেগীয়ে ছাগলীটোলৈ চালে । এইটো তাৰ মাকৰ মৰমৰ ছাগলী বুলবুল । বুলবুলৰ ডিঙিত এটা অকণমানি টিলিঙা আছিল । তাই বৰ থোপোকা মৰমলগাজনী আছিল । নেগীৰ মাকে তাইক সদায় নিজ হাতেৰে সুন্দৰ সুন্দৰ বস্ত্ৰ বনাই খুৱাইছিল ।

বুলবুলক লৈ যা আৰু নিজৰ ভাগ্য নিজেই গঢ়গৈ বাছা ।" দেউতাকে ক'লে । "কিন্তু এটা চৰ্ত আছে--তই কেতিয়াও এই ছাগলীজনী বেচিব বা মাৰিব নোৱাৰিবি । আৰু যেতিয়া ঘূৰি আহিবি, হাতত অলপ ধন লৈহে ঘূৰি আহিব পাৰিবি ।"

"নেগীয়ে মূৰ দুপিয়ালে । ছাগলীজনী লৈ আৰু মাক-দেউতাকৰ ভৰি চুই সি ঘৰৰ পৰা ওলাল । সৰু পাহাৰটো সি পাৰ হ'ল আৰু

উপত্যকাও পাৰ হ'ল । বুলবুলে বাটে বাটে গছৰ কুমলীয়া পাতবোৰ খাই গ'ল । আৰু ভূটীয়ায়ো চিকাৰীৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখি গ'ল । মাজে মাজে সি বুলবুলৰ ভৰিত চেলেকি কেংকেঙাই তাইক আগবাঢ়িবলৈ কয় ।

গোটেই দিনটো নেগীয়ে পাহাৰীয়া ৰাস্তাৰে আগবাঢ়ি গ'ল । যাওঁতে বাটত সি বনৰীয়া গছৰ গুটি ছিঙি খায় আৰু পিয়াহ লাগিলে পাহাৰীয়া ঝৰ্ণাৰ পানী খায় ।

সন্ধিয়ালৈ সি পাহাৰটো প্ৰায় পাৰ হ'ল। বেলি বুৰ গৈছিল । নেগীয়ে এজোপা প্ৰকাণ্ড দেৱদাৰু গছৰ তলত বহিল আৰু তাৰ গা-গছতে আউজি জিৰণি ল'লে । তাৰ কাষতে শান্তভাৱে বহি খোৱাবস্তু পাগুলি থকা বুলবুললৈ সি চালে । "দেউতাই তোক হত্যা কৰিবলৈও হাক দিছে আৰু বেচিবলৈয়ো হাক দিছে । মই বুজি পোৱা নাই এটাও নকৰাকৈ মই বাৰু কেনেকৈ ধন ঘটিব পাৰিম ?"

কাষতে বহি কুঁকুৱাই থকা ভুটীয়াৰ মূৰত সি হাত ফুৰাই দিলে । মাজে মাজে প্ৰকাণ্ড কুকুৰটোৱে তাৰ গুলপীয়া জিভাখন উলিয়াই নেগীৰ হাতখন চেলেকি দিলে । বুলবুলে নেগীলৈ এনে ভাৱত চালে যেন তাইয়ো পৰা হ'লে চেলেকি দিলেহেঁতেন নেগীৰ হাত ।

নেগীয়ে এফালে বুলবুল আৰু ভূটীয়াক লৈ ঘাঁহনিৰ ওপৰতে দীঘল দিলে । ৰাতিৰ চেঁচা বতাহজাকৰ আমেজত সি শুই পৰিছিল। পিছদিনা পুৱা চৰাইৰ কিচিৰ-মিচিৰ শব্দত সি সাৰ পালে আৰু চকু মেলি দেখিলে যে ভুটীয়াই গছৰ ওপৰত উঠি থকা এটা মেকুৰীক ভয় খৱাইছে ।

মেকুৰীটোৱে পুতৌ লগাকৈ মিউ-মিউ কৰিছিল । ইফালে তলত ভূটীয়াই নেগুৰডাল জোকাৰি খঙত উত্তেজিত হৈ গুজৰি আছিল। তেনেতে সি কাৰোবাৰ মাত শুনিলে আৰু হঠাতে গছ জোপাৰ আঁৰৰ পৰা দুজনী ছোৱালী ওলাই আহিল । নেগীয়ে আচৰিত হৈ চালে । ছোৱালী দুজনীয়েও চালে তালৈ। সিহঁতে ওচৰে পাজৰে আৰু কাৰোবাক দেখিব বুলি আশা কৰা নাছিল সেয়ে সিহঁতে কৌতূহলবশতঃ ৰৈ গ'ল । তেনেতে সৰুজনী ছোৱালীয়ে গছৰ ওপৰত থকা মেকুৰীটো দেখিলে আৰু ওচৰলৈ দৌৰি গ'ল ।

নেগীয়ে ঘপহকৰে উঠি বহিল আৰু ভূটীয়াক আঁতৰাই দিলে । ছোৱালীজনীয়ে গছৰ ওপৰলৈ গৈ মেকুৰীটো লৈ আহিল ।

ডাঙৰ জনী ছোৱালী কুকুৰটোৰ ওচৰলৈ আহিল আৰু তাৰ ভোবোৰা মূৰটোত লাহেকৈ হাত ফুৰাই দিলে । "আমি ইয়াত কাৰোবাক দেখা পাম বুলি ভবাই নাছিলো ।

তোমালোক দুয়ো অকলে নেকি ?" তাই সুধিলে।

"নহয়, মই ইয়ালৈ বুলবুল নামৰ ছাগলীজনী আৰু ভূটীয়াৰ লগত আহিছোঁ।" নেগীয়ে উত্তৰ দিলে।

"তোমাৰ নাম কি।" তাই সুধিলে।

"নেগী ?"

নেগীয়ে ইতিমধ্যে ছোৱালী দুজনীলৈ চাই আছিল। দুয়োজনীয়ে বৰ ধুনীয়া আছিল। ডাঙৰ জনীক দেখোতেই তাৰ ভাল লাগিছিল। তাই সঘনাই হঁহা মিচিকিয়া হাঁহিটোত তাইৰ দুয়োখন গালতে দুটা খোল পৰি গৈছিল। "মোৰ নাম শ্বামা" তাই ক'লে আৰু ভনীয়েকলৈ আঙুলিয়াই ক'লে, "তাইৰ নাম নীৰজা।"

নেগীয়ে ভাবিলে নামদুটা একেবাৰে ধুনীয়া ছোৱালী দুজনীৰ লগত মিলি পৰিছে। শ্বামা মানে জুই আৰু নীৰজা মানে পদুম ফুল।

নেগী সিহঁতৰ লগত সিহঁতৰ ঘৰলৈ গ'ল। সি এটা পাত্ৰ আনিলে আৰু বুলবুলৰ গাখীৰ খীৰালে। তাৰ পিছত তিনিওটা আলু পৰঠা আৰু ছাগলী গাখীৰেৰে পুৱাৰ আহাৰ খাবলৈ বহিল।

সময়বোৰ পাৰ হৈ গ'ল। নেগীয়ে জানিছিল যে সি তাত সদায় কেতিয়াও থাকিব নোৱাৰে। পইচা উপাৰ্জনৰ বাবে সি কিবা উপায় চিন্তা কৰিবৰ হ'ল। তাৰ মনটো বৰ বেয়া লাগিল। তাৰ মনৰ দুঃশ্চিন্তা মুখত প্ৰকট হৈ উঠিল। শ্বামাই সোনকালেই তাৰ মুখত চিন্তাৰ ৰেখা ধৰিব পাৰিলে।

"তুমি কিয় ইমান চিন্তা কৰি আছা নেগী?" তাই সুধিলে।

নেগীয়ে আৰু ধৈৰ্য ধৰি থাকিব নোৱাৰিলে। সি তাইক গোটেই ঘটনাটো বিবৰি ক'লে।

শ্বামাই ধৈৰ্য ধৰি শুনিলে। নেগীয়ে নিজৰ

জিম কৰবেট ৰাষ্ট্ৰীয় উদ্যান

ভাৰতৰ প্ৰথম ৰাষ্ট্ৰীয় উদ্যান, কৰবেট ৰাষ্ট্ৰীয় উদ্যানে ৫২০ বৰ্গ কিলোমিটাৰৰ অঞ্চল জুৰি আছে। পূৰ্বৰ ইউনাইটেড প্ৰভিন্সৰ প্ৰাক্তন গৱৰ্ণৰৰ নামত ১৯৩৫ চনত হেইলী ৰাষ্ট্ৰীয় উদ্যান নামেৰে এই উদ্যান স্থাপন কৰা হয়। পিছত ১৯৫৭ চনত প্ৰকৃতিবিদ সকলৰ মাজত কিংবদন্তী স্বৰূপ হৈ পৰা সু-লেখক আৰু প্ৰখ্যাত চিকাৰী জিম কৰবেটৰ নামেৰে ইয়াক কৰবেট ৰাষ্ট্ৰীয় উদ্যান বুলি নতুনকৈ নামকৰণ কৰা হয়।

এই উদ্যানখন পাউৰি গাঢ়োৱাল আৰু নাইনিতাল এই দুখন পাহাৰীয়া জিলাৰ মাজত বিস্তৃত হৈ আছে। ৰামগংগা নদীৰ পাৰৰ এই উদ্যানত নদীত বান্ধ দি কৃত্ৰিমভাৱে তৈয়াৰ কৰা এটা হ্ৰদো আছে। চিৰসেউজীয়া বনাঞ্চলেৰে এই উদ্যানখনৰ এটা চহকী জৈৱবিবিধতা আছে। চিতা বাঘ, হাতী, হৰিণাপহু আৰু চম্বৰকে ধৰি এইখন উদ্যানত ১১০ বিধৰো অধিক উদ্ভিদৰ প্ৰজাতি আৰু ৬০০ বিধ চৰাইৰ প্ৰজাতি আছে। বাঘ সংৰক্ষণৰ বাবে প্ৰথম প্ৰজেক্ট টাইগাৰ আঁচনি এই উদ্যানতে পোন প্ৰথমে ১৯৭৩ চনত কাৰ্য ৰূপায়িত কৰা হৈছিল।

কাহিনী শেষ কৰাৰ লগে লগে তাই নিজৰ মূৰটো পিছলৈ হলাই হাঁহিবলৈ ধৰিলে । তাৰ পিছত তাই বুলবুলৰ মূৰটো মোহাৰি দি ক'লে, "কিয়, সেইটোতো অতি সহজ । তুমি তাই নোমবোৰ কাটি কিয় ঊণৰ বেপাৰীক নেবেচা । তেওঁলোকে সেইবোৰ চুৰেটাৰ গুঠিবলৈ বা দলিচা তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰিব ।"

এই সহজ উত্তৰটোত নেগী বিস্মিত হৈ পৰিল । দেউতাকৰ চৰ্ত-পূৰাবৰ বাবে কি বঢ়িয়া উপায় !

"ধন্যবাদ, শ্বামা, ধন্যবাদ," আনন্দতে সি চিঞৰি চিঞৰি জপিয়াবলৈ ধৰিলে । "মোৰ মনত এই কথা খেলোৱাই নাছিল ।"

সেইদিনাই, নেগীয়ে বুলবুলক ওচৰৰ গাঁও এখনলৈ লৈ গ'ল আৰু তাইৰ নোমবোৰ খুৰাই পেলালে । সি নোমবোৰ এটা মৰাপাটৰ মোনাত ভৰালে আৰু ঊণৰ বেপাৰীৰ ওচৰলৈ ওজন কৰি বেচিবলৈ লৈ গ'ল । বুলবুলৰ নোমবোৰ কোমল আৰু সুন্দৰকৈ আঁচুৰি থোৱা আছিল । পেলাবলগীয়া বেয়া নোম তাইৰ নাছিলেই । ঊণৰ বেপাৰীয়ে জানিছিল যে কোমল ঊণবোৰ চুৰেটাৰৰ বাবে সুন্দৰ হ'ব আৰু সেয়ে তেওঁ নেগীক বিনাদ্বিধাই উপযুক্ত মূল্য দিলে ।

পিছদিনাখন নেগী, বুলবুল আৰু ভূটীয়া ঘৰলৈ যাবলৈ বুলি একপ্ৰকাৰ পাহাৰটো পাৰ হ'লেই । ঘৰ পোৱাৰ লগে লগে সি মাক দেউতাকক সাবটি ধৰিলে । তাৰ পিছত সি লাহে লাহে এটা সৰু টোপোলা খুলি টকা আৰু মুদ্ৰা কিছুমান উলিয়ালে । ইমান সোনকালে ধন ঘটি ঘৰলৈ ঘূৰি অহা দেখি মাক-দেউতাক আনন্দত আত্মহাৰা হ'ল ।

"এইটো উপায় তোমাৰ নিজৰ মূৰত খেলালে নে তোমাক আন কোনোবাই বুধি দিলে ?" দেউতাকে তাক সুধিলে ।

"নেগীয়ে সঁচা কথা খুলি ক'লে, "দেউতা, শ্বামা নামৰ এজনী ছোৱালীয়ে মোক সহায় কৰিলে । সিহঁত পাহাৰৰ ওপৰত থাকে ।" বৃদ্ধ দম্পতীয়ে নীৰবে দৃষ্টি বিনিময় কৰিলে ।

"এই ছোৱালীজনী বুদ্ধিমতী হ'ব যেন লাগিছে । আমাৰ নেগীৰ বাবে তাই উপযুক্ত হ'ব ।" তাৰ মাকে ক'লে । "আমাৰ অবিহনে তাই তোমাৰ যত্ন ল'ব পাৰিব ।"

সেয়ে, পিছদিনাখন, নেগীৰ দেউতাকে নেগী যোৱা পথেৰেই আগবাঢ়িল । তেওঁ শ্বামাৰ ঘৰলৈ গ'ল আৰু নেগীৰ সৈতে তাইৰ বিয়া ঠিক কৰিলে । নেগী আৰু শ্বামাৰ বিয়া হ'ল আৰু সিঁহতে সুখেৰে জীৱন কটাবলৈ ধৰিলে । আনকি আজিও সিহঁতে নিজৰ নাতি-নাতিনীহঁতক কয় কেনেকৈ এটা মেকুৰী, এটা কুকুৰ আৰু এজনী ছাগলীৰ বাবেই সিহঁতৰ চিনাকি হ'ল ।

কেৱল এঘৰৰ ভিখাৰী

কৃপণালিত পৰমাৰ সমকক্ষ কোনো নাছিল। দহোটামান পুৰুষে বহি বহি খাব পৰা সম্পত্তি তেওঁ একগোট কৰিছিল। পিছে সম্পত্তি কমি যোৱাৰ ভয়ত তেওঁ একো নকৰাকৈ কেতিয়াও বহি থকা নাছিল। খৰচ হ'ব বুলি ভয়তে তেওঁ খোৱা-বোৱাও ভালকৈ নকৰিছিল।

তেওঁ কৃপণ আছিল ঠিকেই, পিছে বুদ্ধিত তেওঁ বৃহস্পতি আছিল। ভালকৈ ভাবি গুণিহে তেওঁ যিকোনো কাম কৰিছিল। প্ৰথমতে তেও ভাবিছিল যে বিয়া নকৰালেই ভাল হ'ব কিয়নো বিয়া কৰিলে পত্নীৰ ভৰণ-পোষণতে বহুখিনি ধন খৰচ হ'ব। ঘৰৰ ইটো সিটো কাম কৰিবলৈ এজনী বনকৰা ছোৱালী ৰাখিছিল যদিও তাই ঠিকমতে কাম কৰিব পৰা নাছিল। প্ৰতি মাহে তাইক বেতন দিয়াৰ সময়ত পৰমাৰ দুখতে চকুপানী ওলাব খুজিছিল। এদিন তেওঁ ভাবিলে বিয়াখন পাতি ল'লেতো পত্নীক এনেকৈ বেতন নিদিলেও চলিব। পত্নীয়েই সদায় ঘৰৰ দুই-চাৰিখন কাম কৰি থাকিব, তাকো বিনা খৰচত। তেওঁ ভাবিলে বিয়া পাতিলে সাপো মাৰিব, লাঠীও নাভাঙিব।

পৰমা যে কৃপণৰ সম্ৰাট সেই কথা সকলোৱে জানিছিল। কিন্তু বহুতো মাক-দেউতাকে নিজৰ ছোৱালীক পৰমাক দিবলৈ সাজু আছিল, কিয়নো তেওঁৰ আছিল অগাধ সম্পত্তি। সেইসকল লোকে জীয়েকৰ লগত যিমান লাগে সিমান যৌতুক দিবলৈয়ো সাজু আছিল। পৰমাই বহুত চিন্তা কৰি ভাবিলে দুখীয়া ঘৰৰ ছোৱালী বিয়া কৰিলেই ভাল হ'ব। ধনীৰ দুলালীক বিয়া কৰিলে তেওঁৰ অনেক কষ্ট হ'ব। বিয়াখনো ডাঙৰকৈ পাতিব লাগিব। ধনী ঘৰৰ ছোৱালীয়ে লাহ-বিলাহত থাকিব খুজিব, বনকৰা ল'ৰা ছোৱালী ঢেৰ লগত ৰাখিব আৰু ঘৰখনত নিজৰ ৰাজত্ব চলাব। এইবোৰ ভাবি-গুণি পৰমাই এটা দুখীয়া পৰিয়ালৰ এজনী ছোৱালীকে বিয়া কৰাই আনিলে।

সুৰেশ তলবাড়ী

পৰমাৰ পত্নী প্ৰণিতা বৰ ৰূপৱতী আছিল। তাই ভাবিছিল বিয়াৰ পাছত স্বামীয়ে তাইক অতি দামী ৰেচমী শাড়ী কিনি দিব, আ-অলংকাৰেৰে তাইক পুতি পেলাব আৰু তাইক সেৱা কৰিবলৈ অনবৰতে থাকিব বনকৰা ল'ৰা-ছোৱালী । পিছে বিয়াৰ পাছত প্ৰণিতাৰ এইবোৰ আশাৰ এটাও পূৰণ নহল।

বিয়াৰ আগতে মাক-দেউতাকে মৰমতে দিয়া হাৰ এডাল প্ৰণিতাই ডিঙিত পিন্ধি থাকিছিল । এদিন পৰমাই ক'লে, "শৰীৰত লাগি থাকিলে সোণ কোমলি যায় । সেইডাল খুলি থোৱা আৰু বিয়া বাৰু আদি শুভ মুহূৰ্ত্তত হাৰডাল পিন্ধিলেও চলিব ।"

পত্নীৰ বাবে পৰমাই কিনা শাড়ীবোৰ তেনেই সস্তীয়া আৰু নিম্নখাপৰ আছিল । বিয়াৰ আগতে নিজৰ ঘৰতো প্ৰণিতাই এনেকুৱা শাড়ী পিন্ধা নাছিল । অৱশ্যে এটা কথা মানিব লাগিব । পৰমাই সদায় পত্নীৰ গুণ গাইছিল । কৈছিল, যিকোনো পোছাকতে তোমাক সুন্দৰ লাগে। অলংকাৰ নিপিন্ধিলেও তোমাক কেনে ৰূপৱতী দেখি ! ইত্যাদি, ইত্যাদি ।

প্ৰণিতা বৰ নম্ৰ স্বভাৱৰ আছিল । স্বামীৰ প্ৰশংসা ভৰা শব্দবোৰৰ প্ৰকৃত গূঢ়াৰ্থ বুজি পায়ো তাই মনে মনে আছিল । কিন্তু খোৱা-বোৱাৰ ক্ষেত্ৰত আপোচ কৰিবলৈ তাই মুঠেই সাজু নাছিল ।

পৰমাই কিন্তু খোৱা-বোৱাত বেছি খৰচ কৰিব নুখুজিছিল । কিন্তু ভাল ভোজন নকৰিলে স্বাস্থ্য বেয়া হবও পাৰে বুলি তেওঁ ভয় খাইছিল সেয়েহে বৈদ্যৰ পৰামৰ্শ লৈ তেওঁ আৰোগ্যকাৰী আহাৰৰ বিষয়ে জানি লৈছিল। সস্তীয়া বনশাকৰ তেওঁ এখন তালিকা বনাই লৈছিল । সদায় তেওঁ সস্তীয়া শাকৰ বেলেগ বেলেগ তৰকাৰী বনাইছিল । খৰচ কৰিবলৈ ভয় কৰা পৰমাৰ সেই খাদ্য খাই বৰ ভাল লাগিছিল । কিন্তু প্ৰণিতাৰ সেইখিনি খাদ্য পেটলৈ নগৈছিল ।

প্ৰণিতাই সদায় ভাবিছিল এনে অৱস্থাত স্বামীৰ পৰিৱৰ্তন আনিবলৈ তাইক যদি কোনোবা দেৱ দেৱীয়ে সহায় কৰিলেহেঁতেন। পিছে ৰাতিপুৱা শুই উঠি সপোনৰ কোনো কথাই তাইৰ মনত পৰা নাছিল ।

এদিন বাহিৰৰপৰা আহি পৰমাই খাবলৈ বিচাৰি হুলস্থূল লগাইছিল । সেই সময়ত প্ৰণিতাই আগনিশা দেখা সপোনটোৰ কথা মনত পেলাবলৈ চেষ্টা কৰি আছিল । পতিৰ বাবে প্ৰণিতাই আহাৰ ৰান্ধিলে । পৰমাই তেওঁৰ লগতে প্ৰণিতায়ো খাব লগে বুলি জোৰ দি ধৰিলে । তেতিয়াহে প্ৰণিতাৰ

আগনিশা দেখা সপোনটোৰ কথা মনত পৰিল ।

তাই পৰমাক ক'লে, "কালি ৰাতি সপোনত মোক পাৰ্বতী দেৱীয়ে দৰ্শন দিলে। তেওঁ ক'লে যে আজি যদি আমি কোনোবা ভিখাৰীক অন্নদান কৰো তেন্তে আমাৰ সকলো প্ৰকাৰে মংগল হ'ব । আমাৰ উপাৰ্জনো বাঢ়িব । অন্নদান কৰিবলৈ গৈ যাতে খৰচ দুগুণ নহয় তাৰ বাবে মই আজি উপবাসে থাকিবলৈ ঠিক কৰিছো । মোৰ ভাগৰ ভোজন আপুনি কোনোবা ভিখাৰীক দি দিয়ক ।"

পৰমাই পত্নীৰ বুদ্ধিক নশলাগি নোৱাৰিলে আৰু নিজে খাই উঠি পত্নীৰ ভাগৰ খাদ্যখিনি দান কৰিবলৈ এজন ভিখাৰীৰ সন্ধানত ওলাল। কিছুদূৰ গৈ এজোপা গছৰ আঁৰত তেওঁ কোনোবাই কাহ মৰাৰ শব্দ শুনিলে । ওচৰলৈ গৈ দেখিলে কেৱল এঘৰৰ ভিখাৰী।

এই কেৱল এঘৰৰ ভিখাৰীক লৈ গাঁৱত বহুতো বিচিত্ৰ কাহিনীৰ প্ৰচলন আছিল । তেওঁ দিনত এবাৰহে খাইছিল । তাকো মাত্ৰ এঘৰ মানুহৰ ঘৰৰ সমুখত থিয় হৈ ভিক্ষা কৰি পোৱা খাদ্য । কোনোবাই টকা পইচা দিব খুজিলেও তেওঁ নলৈছিল, সেয়েহে যিঘৰ মানুহৰ পদূলিত আহি তেওঁ থিয় হয়হি সেই ঘৰ মানুহে তেওঁক পেটভৰাই সুস্বাদু খাদ্য খাবলৈ দিছিল । বহুতো মানুহে বিশ্বাস কৰিছিল, যিঘৰ মানুহৰ আহাৰ তেওঁ খায়হি সেই মানুহ ঘৰৰ ভাগ্য উদয় হয় । এইদৰে এঘৰ মানুহৰ পৰাহে ভিক্ষা খুজি আহাৰ কৰাৰ কাৰণে তেওঁ কেৱল এঘৰৰ.ভিখাৰী নামে জনাজাত হৈছিল ।

কোনদিন তেওঁ কোনঘৰ মানুহ বাচি লয়

সেই কথা কোনেও নাজানিছিল । কিন্তু আজিলৈকে তেওঁ পৰমাৰ ঘৰৰ আগত থিয় হৈ ভিক্ষা খোজা নাছিল ।

সেইদিনা ভিখাৰীজনৰ কান্ধত অনবৰতে থকা গামোচাখন প্ৰচণ্ড বতাহত উৰি যোৱাত সেইখন ধৰিবলৈ তেওঁ দৌৰ মাৰোতে হামখুৰি খাই পৰিছিল । ভৰিত মুচকা খাই তেওঁৰ উঠিবলৈকে অসুবিধা হৈছিল । ঠিক তেনেকুৱাতে পৰমা আহি সেইখিনি পাইছিলহি ।

পৰমাক দেখি ভিখাৰীজনে অতি দুখেৰে ক'লে, "মহাশয়, মোৰ বৰ ভোক লাগিছে। আপোনাৰ লগত কিবা খাবলৈ আছে যদি দিয়ক । কিবা এটা খাই ললেই লাখুটিত ভৰ দি উঠি ল'ব পাৰিম আৰু যাব পাৰিম ।"

পৰমাই এজন ভিখাৰীয়েই বিচাৰি আছিল। সেয়েহে ভিখাৰীজনৰ কথা শুনি তেওঁ বৰ ভাল পালে । পত্নীৰ সপোন ফলিয়াব



বুলি ভাবি মনতে তেওঁ বৰ আনন্দ পালে । তেওঁ সেইখিনি ভোজন ভিখাৰীজনক দিলে।

ভিখাৰীজনে পৰম আকুলতাৰে এমোকোৰা ভাত মুখত ভৰালে, ভালেখিনি সময় চোবাই থাকি তেওঁ ক'লে, "মহাশয়, মানুহে কয় ক্ষুধাই হেনো সোৱাদ চিনি নাপায়। মোৰ পেটত কেচুঁ-কুমটি ঘূৰিব লাগিছে, তথাপি দেখোন আহাৰখিনি মোৰ বিহৰ দৰে লাগিছে.। কেনেকৈ বনালে এই খাদ্য ?"

পৰমাই সেই খাদ্য বনোৱাৰ কৌশল কোৱাৰ পিছত ভিখাৰীজনে ক'লে, "মানুহে নতুন নতুন বস্তুৰে সোৱাদ লগা খাদ্য বনাবলৈ চেষ্টা কৰে । আপুনিনো কি উদ্দেশ্যেৰে এই অভিনৱ খাদ্য বনাবলৈ লৈছে কওকচোন ।"

"এইখিনি খালে স্বাস্থ্যও ভালে থাকে । আৰু খৰচো বেছি নহয় ।" পৰমাই ক'লে ।

"হে ভগৱান, এজন ভিখাৰী হৈয়ো মই আজিলৈকে এনেকুৱা খাদ্য খোৱা নাই । আপুনি এনেকুৱা খাদ্যকে সদায় কেনেকৈ খায় ?" ভিখাৰীয়ে সুধিলে ।

"কি কৰিম ? মোৰ ভাগ্যত তাকেই লিখা আছে ।" পৰমাই দীঘলকৈ উশাহ টানি ক'লে।

আগবঢ়াই দিয়া আহাৰ কেতিয়াও পেলাই দিব নালাগে, ভিখাৰীজনে সেই কথা জানিছিল । বহুত কষ্টৰে তেওঁ পৰমাই অনা আহাৰখিনি খালে । তাৰ পিছত পৰমাৰ সহায়ত উঠি ল'লে আৰু লেঙেৰাই লেঙেৰাই গুচি গ'ল ।

পিছদিনা, প্ৰণিতাই পৰমাক সুস্বাদু আহাৰ বনাই খোৱালে । পৰমাই ভয়ে ভয়ে সুধিলে, "এই আহাৰ বনাবলৈ তুমি আৱশ্যকীয় বস্তু পালা ক'ৰপৰা ? তোমাৰ মাৰৰ ঘৰৰপৰা অহা নাইতো ?"

"নাই, নাই তেনেকুৱা কোনো কথা নাই। কেৱল এঘৰৰ ভিখাৰীয়ে এইখিনি লৈ

আনিছিল । মই মানা কৰা সত্বেও তেওঁ ৰাখি থৈ গ'ল । মোৰ এনেহে লাগিল যেন এইয়া মোৰ সপোনৰহে ফল । সেয়েহে তেওঁ অনা বস্তুখিনিৰে মই আহাৰ বনালো ।" প্ৰণিতাই ক'লে ।

পৰমাই শুনিছিল যিঘৰ মানুহেই এইজন ভিখাৰীক খুৱাব পাৰে তেওঁৰেই হেনো মংগল হয় । সেই কথা সঁচানে মিছা তেওঁ চুবুৰীৰে দুই চাৰিজনক সুধি চালে । তেতিয়া এজন মানুহে ক'লে, "এতিয়াতো তেওঁ কেৱল এঘৰৰ ভিখাৰী হৈ থকা নাই । এতিয়া তেওঁ অনেক ঘৰত একেলগে ভিক্ষা খোজে । মানুহে পইচা দিলেও তেওঁ ল'বলৈ ধৰিছে।"

ভিখাৰীজনৰ এই আকস্মিক পৰিৱৰ্তন হ'ল কিয় সেই কথা জানিবলৈ পৰমাৰ উৎকণ্ঠা জাগিল । তেওঁ ভিখাৰীজনক বিচাৰি ওলাল । পৰমাই গাঁৱৰ সীমাত থকা এজোপা তেতেলীৰ তলত ভিখাৰীজনক বহি থকা পালেগৈ । পৰমাৰ উৎকণ্ঠাৰ কাৰণ জানিব পাৰি তেওঁ ক'লে, "ক্ষুধাতুৰ অৱস্থাত আহাৰ দি আপুনি মোক সহায় কৰিছিল । সেয়েহে মই আপোনাৰ ওচৰত ঋণী । কিন্তু আপুনি খাই থকা আহাৰ দেখি মোৰ আপোনাৰ ওপৰত বৰ দয়া হ'ল । আপোনাৰ বাবেই মই বহুতো ঘৰত পইচাৰ ভিক্ষা খুজিলো আৰু সেইখিনি পইচাৰে যি পাৰো কিনি লৈ আপোনাৰ পত্নীক দি থৈ আহিলো। প্ৰতিদিনে যাতে আপুনি সুস্বাদু খাদ্য খাব পাৰে মই তাকেই বিচাৰো ।"

ভিখাৰীৰ কথা শুনি পৰমাৰ লাজতে মুখঢকা অৱস্থা হ'ল । তেওঁৰ যেন মূৰটোহে আহি কোনোবাই কাটি নিলে, তেওঁৰ তেনেকুৱা অনুভূতি হ'ল । তেওঁ চিন্তাত পৰিল । মাত্ৰ এবাৰ খাবলৈ দিওঁতেই ভিখাৰীয়ে তাৰ বিনিময় দান কৰিব খোজে । পইচা ভিক্ষা কৰি অৰ্জা টকাকেইটা তেওঁ দাতাৰ নামতে খৰচ কৰিছে । এতিয়া আহিল নিজৰ কথা । ঘৰৰ অপাৰ সম্পত্তি থাকিও কি লাভ? সেইখিনি ধনেৰে তেওঁ আজিলৈকে ওচৰ চুবুৰীয়াকো সহায় কৰি নাপালে ।

সেইদিনাৰপৰা পৰমা সলনি হ'ল । এতিয়া কেৱল এঘৰৰ ভিখাৰীয়েও সেই এঘৰতে ভিক্ষা কৰিবলৈ ল'লে আৰু তেওঁ কেতিয়াবা কেতিয়াবা পৰমাৰ ঘৰৰ মুখতো ৰ'বলৈ ধৰিলে ।

নমস্কাৰৰ আতিশৰ্য

মৌজাদাৰৰ ঘৰত নৰেনে বনকৰা ল'ৰাৰ কাম পালে । দিগম্বৰৰ সহায়তেই নৰেনে সেই কাম পাইছিল । তেওঁ নৰেনক বুজালে, ''তোৰ স্বভাৱটো ভালেই পিছে তই আনক সন্মান দেখুৱাব নাজান । মৌজাদাৰক দেখা পালেই তই সদায় নমস্কাৰ কৰিবি । কেতিয়াও তই এই কথা পাহৰি নাযাবি ।''

নৰেনে দিগম্বৰৰ কথাখিনি ভালকৈ মনত ৰাখিলে । প্ৰথম দিনা মৌজাদাৰক দেখাৰ লগে লগে সি সবিনয়ে নমস্কাৰ কৰিলে । মৌজাদাৰে বৰ ভাল পালে । উপস্থিত লোকসকলৰ সৈতে কথা বতৰা পাতি মৌজাদাৰ আকৌ নৰেনৰ মুখামুখি হ'ল । এইবাৰো নৰেনে মৌজাদাৰক নমস্কাৰ কৰিলে।

নৰেনৰ বিনয় দেখি মৌজাদাৰে বৰ ভাল পালে আৰু তাক ভালেমান কামৰ দায়িত্ব দিলে । গোটেইখিনি কাম শেষ কৰি নৰেন মৌজাদাৰৰ ওচৰলৈ আহিল আৰু নমস্কাৰ কৰি ক'লে যে সি আটাইবোৰ কাম কৰি শেষ কৰিছে ।

এইদৰে, যেতিয়াই মৌজাদাৰক দেখে নৰেনে তেতিয়াই তেওঁক নমস্কাৰ কৰা হ'ল । সেইটো তাৰ অভ্যাসত পৰিণত হ'ল । মৌজাদাৰে কাৰোবাৰ লগত কথা পাতি থাকোতেও যদি নৰেনৰ চকুৰে চকুৰে পৰে তেন্তে নৰেনে তেওঁক নমস্কাৰ কৰিছিল ।

নৰেনৰ এই মাত্ৰাধিক বিনয়ত পৰম সন্তুষ্ট হৈ মৌজাদাৰে এদিন তাক নিজৰ দেহৰক্ষী পাতিলে । তেতিয়াৰে পৰা নৰেন সদায় মৌজাদাৰৰ পাছে পাছে ঘূৰিব লগীয়া হ'ল । নৰেনক কিবা কবলৈ মৌজাদাৰে পাছলৈ ঘূৰি চালেই নৰেনে নমস্কাৰ কৰে । কিবা এটা ভাবি থাকোতে মৌজাদাৰৰ ইফালৰ পৰা সিফাললৈ ঘূৰি ফুৰাৰ অভ্যাস আছিল । এঠাইত বৈ থকা নৰেনৰ চকুত মৌজাদাৰৰ চকু পৰিলেই নৰেনে বিলম্ব নকৰি নমস্কাৰ কৰিছিল ।

এবাৰ মৌজাদাৰৰ ডিঙিত বিষ হ'ল । ডিঙিৰ বিষ নোহোৱা কৰিবলৈ চিকিৎসকৰ পৰামৰ্শ মতে তেওঁ নিজৰ ডিঙিটো এবাৰ বাঁওফালে আৰু এবাৰ সোঁফালে ঘূৰাবলৈ

ধৰিলে । মৌজাদাৰৰ সোঁফালে থিয় হৈ নৰেনে মৌজাদাৰক বাৰে বাৰে নমস্কাৰ কৰিছিল । নৰেনৰ এই হাস্যকৰ অভ্যাসৰ কথা গোটেই মৌজাৰ মানুহে গম পালে ।

এদিন মৌজাদাৰ চহৰৰ ওচৰতে থকা তেওঁৰ খেতিৰ পথাৰলৈ গৈছিল । নৰেন গৈছিল তেওঁৰ পিছে পিছে । কিছুদূৰ যোৱাৰ পাছতে এটা চোৰ আহি নৰেনৰ ওপৰতে পৰিলহি । অপ্ৰস্তুত নৰেন মাটিত বাগৰি পৰিল । চোৰে আগবাঢ়ি দৌৰি গৈ মৌজাদাৰে ডিঙিত পিন্ধি থকা সোণৰ হাৰডাল থপিয়াই আনিলে । ভয়তে মৌজাদাৰে পিছলৈ ঘূৰি চাই দেখিলে নৰেন মাটিত পৰি আছে । চকুৰে চকুৰে পৰাত নৰেনে মৌজাদাৰক নমস্কাৰ কৰিলে ।

মৌজাদাৰে দেখিলে নৰেন উঠিব পৰা অৱস্থাত নাই । তেতিয়া তেওঁ 'চোৰ, চোৰ' বুলি চিঞৰি চোৰটোক পিছে পিছে খেদি গ'ল । নৰেনে দেখিলে কথা বিষম । সিয়ো উঠি লৈ চোৰক খেদি গ'ল । দৌৰি দৌৰি সি প্ৰায় চোৰটোক ধৰিবই খুজিছিল । কিন্তু চোৰ পলাল । নৰেনে আচলতে চোৰটো ধৰিব পাৰিলেহেঁতেন । কিন্তু চোৰক ধৰিবলৈ বুলি হাত মেলোতেই সি মৌজাদাৰক দেখি অভ্যাসবশতঃ নমস্কাৰ কৰিলে । সুযোগ বুজি চোৰেও ভিৰাই লৰ মাৰিলে ।

মৌজাদাৰ খঙত একোনাই হ'ল । হাততে পায়ো নৰেনে চোৰটো এৰি দিলে । নৰেনক তেওঁ তিৰস্কাৰ কৰিলে । নৰেনে হাতযোৰ কৰি ক'লে, "মালিক, আপোনাক নমস্কাৰ নকৰাকৈ মই থাকিব পাৰোনে ? সেই কাৰণেই চোৰটো পলাই সাৰিব পাৰিলে । আপুনিয়েই কওকচোন, নমস্কাৰ কৰি মই কিবা ভুল কৰিছিলো নেকি ? মই এই অভ্যাস এৰিবলৈ চেষ্টা কৰিম ।"

"তোৰ নমস্কাৰৰ বাবেই মই মোৰ মূল্যৱান হাৰডাল হেৰুৱাব লগীয়া হ'ল ।" মৌজাদাৰে খঙেৰে ক'লে । নৰেনে তেতিয়া ক'লে, "মই চোৰটোৰ চেহেৰা ভালকৈ দেখিছো । সি এইখন মৌজাতে থাকে । তাৰ নাম মই নাজানো । কিন্তু আকৌ এবাৰ দেখিলে মই তাক নিশ্চয় চিনি পাম । আপুনি গোটেই মৌজাতে ঘোষণা কৰি দিয়াওক যে নৰেনে চোৰটো চিনি পাইছে । ভালে ভালে আহি সি হাৰডাল ঘূৰাই দিলে তাৰ অপৰাধ মাফ কৰা হ'ব, নহলে তাক ধৰি লৈ কঠোৰ শাস্তি বিহা হ'ব ।"

নৰেনৰ কথামতে মৌজাদাৰে গোটেই মৌজাতে ঘোষণাটো কৰোৱালে । পিছদিনাই

মৌজাদাৰৰ বিচনাত হেৰোৱা সোণৰ হাৰডাল পোৱা গ'ল ।

নৰেনৰ পৰামৰ্শ প্ৰশংসা কৰি মৌজাদাৰে তাক ক'লে, "যি ধৰণে মই হাৰডাল ঘূৰাই পালো তাৰপৰা এই কথা স্পষ্ট হৈ উঠিছে যে মোৰ ঘৰত কামকৰা কোনোবাই চোৰটোক ভালকৈ চিনি পায় । যিকোনো প্ৰকাৰে এই মানুহটোৰ সন্দেহ উলিয়াই তই মোক জনাব লাগিব ।"

কিছু সময় মৌন হৈ থাকি নৰেনে ক'লে, "মালিক, মই দৰাচলতে চোৰটোৰ চেহেৰা দেখাই নাছিলো । এটা কথাত মই দুখ পাইছিলো যে মোৰ বাবেই আপোনাৰ হাৰডাল চোৰে নিবলৈ পালে আৰু মই ভাবিলো যে ভৱিষ্যতে আপুনি মোক আপোনাক নমস্কাৰ কৰিবলৈ অনুমতি নিদিব । সেয়েহে ভাবি গুণি মই আপোনাক সেইটো পৰামৰ্শ দিছিলো । চোৰটোক যে মই চিনি নাপাম সেই কথা মই ভালকৈ জানিছিলো, কিন্তু মই যে তাক চিনি নাপাম, চোৰেনো সেই কথা জানিব কেনেকৈ ?"

"কেৱল নমস্কাৰ কৰাই নহয়, তোৰ মগজু দেখিছো বেয়া বুদ্ধিৰে ঠাহ খাই আছে। চোৰটোক যদি তই ভালকৈ দেখাই নাছিলি তেন্তে তই মোক আসৈ মাতিছিলি কিয় ?" মৌজাদাৰে সুধিলে ।

"মালিক, মোৰ ওপৰত আপোনাৰ এনেয়ে খং উঠিছিল । তাতে চোৰটোক মই দেখা নাপালো বুলি ক'লে আপোনাৰ খং দুগুণে চৰিলহেঁতেন । সেয়েহে চোৰটোক মই চিনি পাইছো বুলি আপোনাক মন্ত্ৰণা কৰিবলৈ ক'লো । ইয়াকে নকৰাহেঁতেন আপুনি জানো মোৰ যোগ্যতাৰ ওপৰত সন্দেহ নকৰিলেহেঁতেন ?" নৰেনে ক'লে।

নৰেনৰ উপস্থিত বুদ্ধিৰ শলাগ লৈ মৌজাদাৰে ক'লে, "তোক লৈ মই সচাঁ য়ে বৰ সুখী । পাকঘৰলৈ গৈ তই ৰান্ধনিক কগৈ মই দুবিধ মিঠাই বনাবলৈ কোৱা বুলি ।"

নৰেনে গৈ লগে লগে কথাটো ৰান্ধনিক ক'লেগৈ আৰু ৰান্ধনিয়েও 'হ'ব' বুলি কৈ ক'লে, "সন্দেশ আৰু ৰসগোল্লা। খাই চোৱাচোন কেনে হৈছে ।" এইবুলি কৈ ৰান্ধনিয়ে নৰেনক এটা ৰসগোল্লা খাবলৈ দিলে ।

ইমান সোৱাদলগা ৰসগোল্লা নৰেনে জীৱনত খাই পোৱা নাছিল । সি আৰু এটা খাব খুজিছিল যদিও ৰান্ধনিক খুজিবলৈ সংকোচ কৰিলে । ঘূৰি গৈ মৌজাদাৰৰ ওচৰ পোৱাৰ ক্ষন্তেক সময়ৰ পাছতে মৌজাদাৰে

নৰেনক আৰু এটা কাম দি পাকঘৰলৈ পঠিয়ালে । সেইবাৰো ৰান্ধনিয়ে তাক এটা ৰসগোল্লা খাবলৈ দিলে ।

সেইদিনা মৌজাদাৰৰ কি হ'ল ক'ব নোৱাৰি, বাৰে বাৰে তেওঁ নৰেনক পাকঘৰলৈ পঠিয়াবলৈ ধৰিলে । আৰু প্ৰতিবাৰতে ৰান্ধনিয়ে নৰেনক এটা ৰসগোল্লা খাবলৈ দিয়ে। দহ-বাৰটামান ৰসগোল্লা খাই উঠি নৰেনৰ কেনেবাখন লাগিল । সি আৰু ৰসগোল্লা খাবলৈ অস্বীকাৰ কৰিলে ।

''নাখাঁও বুলি নক'বা । মৌজাদাৰৰ আদেশ মই মানিবই লাগিব ।'' ৰান্ধনিয়ে ক'লে ।

''বাৰে বাৰে মই ৰসগোল্লাই খাই আছো। আন কিবা মিঠাই আছে যদি খাবলৈ দিয়া ।'' নৰেনে ৰান্ধনিক ক'লে ।

''মৌজাদাৰে আদেশ দিছে তোমাক কেৱল মই ৰসগোল্লাহে খুৱাই থাকিব লাগে । আন কিবা খাব খুজিছো যদি তুমি চাহাবৰ অনুমতি আনিব লাগিব ।'' ৰান্ধনিয়ে ক'লে।

নৰেনে আহি কথাটো মৌজাদাৰক ক'লেহি । মৌজাদাৰে ক'লে, ''তইতো ৰসগোল্লা খাই ভালেই পাৱ, নহয় জানো ?'' নৰেনে উত্তৰ দিলে, ''ভাল পাঁও ঠিকেই । কিন্তু এদিনতে ইমানসোপা ৰসগোল্লা খাই মোৰ আৰু তিতা লগা হৈছে ।''

নৰেনৰ উত্তৰ শুনি মৌজাদাৰে মিচিকিয়াই ক'লে, ''শুন, মোক সন্তুষ্ট কৰিবলৈকে তই গোটেই দিন ইটোৰ পিছত সিটোকৈ নমস্কাৰ কৰ । কথাটো মই ভালেই পাঁও । তই যিহেতু ভাল পাৱ, সেয়েহে মই তোক ৰসগোল্লা খুৱাব খুজিছিলো । সীমাৰ বাহিৰত ভাল পোৱা কাম এটা বাৰে বাৰে কৰি থাকিলেও এসময়ত সি অসহ্য হৈ উঠে। মই কি ক'ব খুজিছো তই বাৰু বুজি পাইছনে?''

নৰেনে এতিয়াহে বুজিলে মালিকে তাক বাৰে বাৰে ৰসগোল্লা খাবলৈ দিয়াৰ কাৰণ । সেইদিনাৰে পৰা নৰেনে দিনে এবাৰ বা দুবাৰহে মৌজাদাৰক নমস্কাৰ কৰা হ'ল । কেতিয়াও সি সীমাৰ বাহিৰলৈ নোযোৱা হ'ল। পিছে মৌজাদাৰৰ জীয়েকে দিয়া 'নমস্কাৰ নৰেন' নামটোৰপৰা অৱশ্যে সি মুক্তি নাপালে ।

ভাৰতৰ বিষয়ে জানি লোৱা

১. এইখন ভাৰতৰ এখন ৰাজ্য । ছপা কৰোতে ৰাজ্যখনৰ উত্তৰ-দক্ষিণ দিশ ভালদৰে অংকন কৰা হোৱা নাই। ৰাজ্যখনৰ নাম কি আৰু ইয়াৰ ৰাজধানী কি ?

২. বৰ্তমান ভাৰতৰ সৰ্বাতোকৈ ডাঙৰ ৰাজ্য কোনখন ?

ক) উত্তৰ প্ৰদেশ,

খ) মধ্য প্ৰদেশ,

গ) ৰাজস্থান,

ঘ) অন্ধ্ৰ প্ৰদেশ

৩. ভাৰতৰ ৰাজধানী কলিকতাৰ পৰা দিল্লীলৈ স্থানান্তৰিত কৰোতে ভাৰতৰ ভাইচৰয় কোন আছিল ?

ক) লৰ্ড কাৰ্জন, খ) লৰ্ড হাৰ্ডিঞ্জ,

গ) লৰ্ড ওৱেভেল, ঘ) লৰ্ড ডেলহাউচি

৪. 'চিপকো' আন্দোলন কোনে আৰম্ভ কৰিছিল ?

ক) মানেকা গান্ধী, খ) অৰুন্ধতী ৰয়,

গ) মেধা পাটেকাৰ, ঘ) সুন্দৰলাল বহুগুণা।

৫. হায়দৰাবাদ ৰাজধানী হোৱাৰ আগতে অন্ধ্ৰপ্ৰদেশৰ ৰাজধানী কি আছিল ?

ক) নেল্লোৰ,

খ) কুৰনূল,

গ) বিজয়ৱাৰা,

ঘ) বিশাখাপট্টনম

৬. জালিয়ানৱালাবাজৰ হত্যাকাণ্ডই ৰবীন্দ্ৰনাথ ঠাকুৰক বৃটিছ চৰকাৰে তেওঁক প্ৰদান, কৰা সন্মানীয় 'নাইট' উপাধি ঘূৰাই দিবলৈ বাধ্য কৰাইছিল । এই হত্যাকাণ্ড কোন চনত সংঘটিত হৈছিল ?

ক) ১৯১৯ চন,

খ) ১৯২২ চন,

গ) ১৯২৪ চন,

ঘ) ১৯২৭ চন.

(উত্তৰ অহা সংখ্যাত)

চেপ্তেম্বৰ সংখ্যাৰ উত্তৰ

১(গ)-১, (ক)-২, (খ)-৩

২. অধিবক্তা

৩. কাৰ্টুনিষ্ট শংকৰ

৪. ছোভিয়েট ৰাচিয়া

৫. ৪৯ বছৰ

৬. তথ্য আৰু অনাতাঁৰ প্ৰচাৰণ মন্ত্ৰী

৭. বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণ

৮. ১৯৮০

গণেশ

এদিন বুঢ়ী আইতাকে ফল-মূল লৈ ক'ৰবালৈ গৈ আছিল । বাটত গছ এজোপাৰ ডালত এজন ল'ৰা বহি আছিল । সি বহি গান গাইছিল । গছজোপা ফলে ফুলে জাতিষ্কাৰ হৈ পৰিছিল ।

বুঢ়ী আইতাকে ল'ৰাটোক ক'লে, "হেৰা বোপা, এটা ফল মোক দিবানে ?"

ল'ৰাটোৱে হাঁহি মাৰি সুধিলে, "আইতা, তুমি কি ফল খাবলৈ ইচ্ছা কৰিছা? এই গছত বিধেবিধে ফল আছে । এটা ফল আছে--খালেই বাৰ্দ্ধক্য নোহোৱা হয় ; আন এটা ফল আছে যিটো খালে মৃত্যু দূৰতে বিদূৰ হয় ; আন এবিধ ফল আছে, যি ফল খালে ধন-সম্পদ বৃদ্ধি হয় । এতিয়া, তুমি কেনেকুৱা ফল খাবা, কোৱাঁ ।"

বুঢ়ীয়ে বুজিলে যে এই ল'ৰাটো সাধাৰণ ল'ৰা নহয়, নিশ্চয় ঈশ্বৰেই হ'ব । বুঢ়ীয়ে বালকক প্ৰণাম কৰি ক'লে, "হে বোপা, হে ঈশ্বৰ ! মোক গভীৰ জ্ঞান আৰ্জিব পৰা ফল এটা খাবলৈ দিয়াঁ ।"

তেতিয়া ঈশ্বৰে নিজ ৰূপ ধাৰণ কৰি বুঢ়ীক বৰ দিলে । বুঢ়ীক ব্ৰহ্মজ্ঞান, ওংকাৰতত্ত্ব, জীৱন মুক্তিৰ উপায় ইত্যাদি জ্ঞান শিকাই আশীৰ্বাদ কৰি অন্তৰ্দ্ধান হ'ল।

বিভিন্ন জ্ঞান অৰ্জাৰ অন্তত--জ্ঞান, ভকতি আৰু সৎপথেৰে জীৱন যাপন কৰাৰ বাণী প্ৰচাৰ কৰি কৰি বুঢ়ীয়ে দেশদেশান্তৰ ভ্ৰমি ফুৰিব ধৰিলে ।

এদিন বনপথেৰে গৈ থাকোঁতে সাঁজ লাগিল । লাহে লাহে বনাঞ্চলত গভীৰ অন্ধকাৰ হ'ল । আকাশখনো আছিল ডাৱৰীয়া । তাৰ ফলত অন্ধকাৰ অধিক ডাঠ হ'ল । কিন কিন কৰে বৰষুণো দিব ধৰিছিল। লগতে মেঘৰ গাজনি আৰু বিজুলী-

ঢেৰেকনিও মাৰিছিল । এনেতে, হঠাৎ বুঢ়ীয়ে এচটা শিলত উজুটি খালে । তেওঁৰ হাতত থকা লাখুটিডাল ক'ৰবাত উফৰি পৰিলগৈ ।

বুঢ়ী খুন্দা খাই বাগৰি পৰাৰ লগে লগে অনতিদূৰত এটা খোজৰ শব্দ উঠিল । সেই খোজৰ শব্দ আছিল মধুৰ ধ্বনিৰ দৰে । বুঢ়ীয়ে চাৰিওফালে চালে । বিজুলীৰ পোহৰত বুঢ়ীয়ে এটি সৰু ল'ৰাক তেওঁৰ পিনে আহি থকা দেখা পালে । ল'ৰাটিৰ পেটটো আছিল অত্যন্ত শকত । ল'ৰাটোৱে বুঢ়ীক হাতত ধৰি উঠাই থিয় কৰালে । তাৰ পাছত লাখুটিডাল বিচাৰি আনি বুঢ়ীক দিলে আৰু সুধিলে, "আই, ক'লৈ যাবলৈ ওলাইছানো ? তীৰ্থ দৰ্শনলৈনে ?"

"বোপা, মই জগতৰ সকলো ঠাইকে তীৰ্থ বুলি ভাবোঁ । কোনোবা বিশেষ ঠাইক তীৰ্থস্থান বুলি নাভাবোঁ । পিছে--মই য'লৈকে যাম বুলি আশা পালি আছিলোঁ, তালৈ যাবলৈ মোৰ শক্তি নাই । মোৰ কথা ক'লোঁ । এতিয়া, কোৱাচোন বোপাটি, তুমি ইমান সৰু ল'ৰাটো হৈ এই আন্ধাৰে-মুন্ধাৰে ঘুৰি ফুৰিছা কিয় ?"

"আইতা, মই সৰুৰেপৰাই তোমাৰ লগে লগে আছোঁ । তুমি মোক ভালকৈ চিনি পোৱা, এন্ধাৰত চিনিব নোৱাৰিলা । কিন্তু তুমি ক'লৈ যাবলৈ ওলাইছিলা--নক'লা দেখোন ।" ল'ৰাটিয়ে সুধিলে ।

বুঢ়ীয়ে ক'লে, "কৈ কি হ'বনো বোপা, তুমি মোক লৈ যাবানে তালৈ ? ঠাই টুকুৰাৰ নাম শিৱসন্নিধান, মহাতীৰ্থ ।"

"অ', । শিৱসন্নিধানলৈ আৰু বেছি বাট নাই । ব'লা, তোমাক মই হাতত ধৰি লৈ যাম ।" এই বুলি কৈ ল'ৰাটিয়ে বুঢ়ীৰ হাতত ধৰি আন্ধাৰৰ মাজেদি স্বচ্ছন্দ গতিৰে গৈ থাকিল । হঠাৎ বিজুলী চমকিল, আৰু সেই বিজুলীৰ পোহৰত বুঢ়ীয়ে দেখিলে যে ল'ৰাটো আন কোনো নহয়, গণেশহে ! গণেশৰ শুঁৰে বুঢ়ীৰ হাতখনত ধৰি আগবঢ়াই লৈ গৈছে ।

তেতিয়া বুঢ়ীয়ে গণেশক ক'লে, "প্ৰভু, সৰুৰেপৰাই তুমি মোক বাট দেখুৱাই আহিছা । মই চকু খুলি ৰাখোঁ, বা মুদিয়েই থাকোঁ, কথা একেটাই ।" এই বুলি কৈ বুঢ়ীয়ে চকু মুদি খোজ কাঢ়িবলৈ ধৰিলে-- কিমানবাৰ যে শিলৰ খটখটি বগাই উঠিল আৰু আকৌ নামিল--তাৰ হিচাপ নাই । বুঢ়ীয়ে যে কিমান সময় ধৰি এইদৰে খোজ কাঢ়িছে--তাৰো হিচাপ নোহোৱা হৈছে ।

ল'ৰাৰূপী গণেশে বুঢ়ীক ক'লে,

"আইতা, আমি শিৱসন্নিধান পালোঁহিয়েই।" কথা শুনি বুঢ়ীয়ে তললৈ চাই পঠালে। তাত অংখ্য নক্ষত্র। কেৱল নক্ষত্ৰয়েই নহয়, বুঢ়ীয়ে অসংখ্য সূৰ্য্যও তাত দেখা পালে। একো একোটা সূৰ্য্যক আকৌ অসংখ্য সূৰ্য্যই প্ৰদক্ষিণ কৰিব ধৰিছে। তৰা-নেজালতৰা আদি যে কিমান আছিল তাৰ সীমা-সংখ্যা নাই। বুঢ়ীয়ে তেওঁৰ দৃষ্টিৰ আগত অনন্ত বিশ্বৰ অপৰূপ জগতখনক প্ৰত্যক্ষ কৰিলে।

বালকৰূপী গণেশে বুঢ়ীৰ হাত এৰি দি ক'লে, "আইতা, এই শিৱসন্নিধানত কাল অৰ্থাৎ সময়ৰ অস্তিত্ব নাই, ইয়াত সৃষ্টি নাই, স্থিতি নাই, লয় নাই। এই ঠাইৰ নাম কৈলাশ। সমগ্ৰ বিশ্বৰ, বিশ্বব্ৰহ্মাণ্ডৰ ঈশ্বৰ স্বয়ং শিৱক তুমি দৰ্শন কৰাঁ।" এই বুলি কৈয়েই গণেশ অন্তৰ্হিত হ'ল।

বুঢ়ীয়ে চকু মেলি লিংগৰদৰে আলোকস্তম্ভ দেখা পালে, আৰু সেই আলোকস্তম্ভৰপৰা ওংকাৰধ্বনি ওলোৱা শুনিলে। এই জ্যোতিৰ মাজতে আছিল শিৱৰ মূৰ্তি। শিৱৰ কাষতে আছিল পাৰ্বতী।

শিৱ দৰ্শন কৰাৰ পাছত বুঢ়ী অলৰ - অচৰভাৱে থিয় হৈ থাকিল। শিৱই বুঢ়ীৰ মূৰত হস্তাৰ্পণ কৰি বৰদান কৰিলে। এইদৰে বুঢ়ী আইতাকে গণেশৰ সহায়ত শিৱক দৰ্শন লাভ কৰিলে।

আন এখন চিত্ৰত কুঁহিয়াৰ হাতত লৈ থকা গণেশৰ চিত্ৰ দেখা পাই এজন খেতিয়কে সেই বিষয়ে সোধাত পণ্ডিত পাৱনমিশ্ৰই খেতিয়কজনক ক'লে।

প্ৰায় ৰজাৰ দৰে এগৰাকী ডাঙৰ জমিদাৰ আছিল। তেওঁ প্ৰতি বছৰে মহা ধুমধামৰে



গণেশৰ পূজা পাতিছিল। ৰাইজে এই জমিদাৰক 'গণেশ ভক্তশিৰোমণি' বুলি আখ্যা দিছিল। জমিদাৰে অন্যান্য খেতি-বাতিৰ লগে লগে কুঁহিয়াৰ খেতিও কৰিছিল। এই কুঁহিয়াৰ খেতি কৰাৰ দায়িত্ব লোৱা খেতিয়কজনে প্ৰতি বছৰে খেতি কৰাৰ আগতে গণেশক উদ্দেশি কৈছিল, "প্ৰভু, খেতি কৰাৰ দায়িত্ব মোৰ। খেতি ভালকৈ কৰিব পাৰিলে আমাৰ জমিদাৰ ডাঙৰীয়া তুষ্ট হ'ব। সেয়েহে, মোৰ প্ৰাৰ্থনা, যোৱা বছৰতকৈয়ো ভাল খেতি হয় যেন প্ৰভু!"

কেৱল এই খেতিয়কজনেই নহয়, খেতিয়কজনৰ ঘৈণীয়েক আৰু তেওঁৰ দহ বছৰীয়া ল'ৰাটোৱেও এই খেতিৰ কাম কৰিছিল। কিন্তু এইজন খেতিয়ক যিমানেই সৎ নহওক কিয়--জমিদাৰে তেওঁৰ ন্যায্য প্ৰাপ্য কেতিয়াও দিয়া নাছিল। কিন্তু গণেশ-ভক্ত জমিদাৰ-পত্নীয়ে তেওঁৰ স্বামীক

ধুমধামৰে পাতোঁ সদায়--বিফল হ'ব কেনেকৈ ?"

পৰিবাৰে ক'লে, "কেৱল প্ৰভুৰ কৃপাহে আছে, খেতিয়কহঁতৰ শ্ৰম নাইনে ?"

"তোমাৰ কথাৰ আগ-গুৰি ধৰিব পৰা নাই মই । খেতি ভাল হ'ল বুলি খেতিয়ক-বনুৱাহঁতক মূৰত তুলি লৈ নাচিব লাগিব নেকি ? সিহঁতক লাই দিয়াৰ অৰ্থ হ'ল আমাৰ সৰ্বনাশ ।" জমিদাৰে জনালে ।

জমিদাৰৰ কথা শুনি জমিদাৰ-পত্নীয়ে কৰযোৰে গণেশক ক'লে, "হে প্ৰভু, মোৰ স্বামীৰ জ্ঞানোদয় হওক !"

এদিন খেতিয়কজনে তাৰ ল'ৰাটোক এডাল কুঁহিয়াৰ দিলে । ল'ৰাটোৱে কুঁহিয়াৰডাল হাতত লৈ ঘৰলৈ উভতি যাওঁতে জমিদাৰে খেতিয়কৰ ল'ৰাৰ হাতত কুঁহিয়াৰ থকা দেখা পাই অতিপাত ক্ৰুদ্ধ হৈ উঠিল । তেওঁ চিঞৰি খেতিয়কজনক ক'লে, "হেৰ', মোৰ খেতিৰ কুঁহিয়াৰ তোৰ ঘৰত সোমাবগৈ কিয় ?" এই বুলি কৈ তেওঁ খেতিয়জনক অশ্ৰাব্য ভাষাৰে গালি পাৰি থাকিল । তাৰ পাছত জমিদাৰে খেতিয়ক-জনক বেতেৰে কোবাই থাকিল । এই দৃশ্য দেখিও কোনেও একো ক'ব নোৱাৰিলে জমিদাৰৰ প্ৰতাপৰ আগত সকলো সেও, ইমানেই প্ৰতাপী তেওঁ। কোনে নিজৰ বিপদ চপাই ল'ব?

খেতিয়কজনে জমিদাৰক ক'লে, "গণেশ দেৱতাৰ পূজাৰ বাবে মাত্ৰ এডাল কুঁহিয়াৰ ঘৰলৈ পঠাইছোঁ ।"

"কি ক'লি, কি ক'লি তই ? এটা খেতিয়ক, সৰুজাত, তইগণেশ পূজা কৰিবি!"

কৈছিল, "সিহঁতে কিমান কষ্ট কৰি খেতি-বাতি কৰে, সিহঁতৰ শ্ৰমৰ মূল্য কমকৈ দিলে পাপ হ'ব।"

জমিদাৰে পৰিবাৰৰ ওপৰত বিৰক্ত হৈ কৈছিল, "এই উপদেশ অৰ্থহীন । মই যদি ধোঁৱাখুলীয়াৰ দৰে খৰচ কৰোঁ, যদি এইদৰে ধনৰ অপব্যৱহাৰ কৰোঁ, তেনেহ'লে উন্নতি কৰিম কেনেকৈ ? নিজৰ ধন ভাঙি ইমান ডাঙৰ উছৱখন পাতিব নোৱাৰি ।"

জমিদাৰ-পত্নীয়ে গিৰিয়েকৰ এনেবোৰ কথাৰ উত্তৰ নিদিলেও মনে মনে গণেশক কৈছিল ," প্ৰভু, দুখীয়াহঁতক ঠগি তোমাৰ পূজা পতাৰ কি প্ৰয়োজন ? হে প্ৰভু মোৰ স্বামীক সুবুদ্ধি দিয়াঁ ।"

সেই বছৰ হাতীৰ শুঁৰৰ দৰে শকত অথচ কোমল কুঁহিয়াৰ হৈছিল । তেতিয়া জমিদাৰে তেওঁৰ পৰিবাৰক ক'লে, "এই সকলো গণেশ প্ৰভুৰ কৃপা । তেওঁৰ পূজা ইমান

জমিদাৰে অবাক হৈ সেই খেতিয়কজনক সুধিলে।

"দেৱতাৰ আগতো ডাঙৰ জাত-সৰু জাত কিবা আছেনে দেউতা?" খেতিয়কজনে জমিদাৰক কোৰাত জমিদাৰৰ খঙে টিকনিৰ আগ পালেগৈ ।

জমিদাৰে তাক ডাবি মাৰি ক'লে, "দেৱতাসকলৰ খোৱা শোৱাৰ বাহিৰে আৰু একো কাম নাই, তোৰ মাত শুনিয়েই লৰৰি আহিব । যা যা, ততাতৈয়াকৈ সেই কুঁহিয়াৰডাল আনগৈ যা ঘৰৰপৰা ।"

খেতিয়কে ক'লে, "এডাল কুঁহিয়াৰ নিলে কিনো লোকচান হ'ব আপোনাৰ ?"

"কি--! সৰু জাতৰ ডাঙৰ কথা ! সহ্য নকৰোঁ মই ।--সেই এডাল এডালকৈয়েই এহেজাৰ হয় । আৰু, মোৰ মানত এডালো যি এহেজাৰডালো সি, একেই । তোক মই অভিনৱ শাস্তি দিম, ৰ'বি । আজি ৰাতিৰ আগতেই তই এহেজাৰডাল কুঁহিয়াৰ চোবাই খাব লাগিব ।" এই বুলি কৈ সেই খেতিয়কজনক এটা কোঠাত বন্দী কৰি তাৰ আগত এহেজাৰডাল কুঁহিয়াৰ দি জমিদাৰ ডাঙৰীয়াই ক'লে, "এইবোৰ যদি তই ৰাতিটোৰ ভিতৰতে চোবাই খাব নোৱাৰ, তেনেহ'লে এহেজাৰ সৌকাৰ কোব খাব লাগিব ।" জমিদাৰে খেতিয়কক পহৰা দিবলৈকো এজন মানুহক নিযুক্ত কৰিলে ।

এই কথা শুনি জমিদাৰ-পত্নীয়ে



গণেশদেৱতাক উদ্দেশি ক'লে, "হে প্ৰভু! এজন মানুহে কেনেকৈনো এহেজাৰডাল কুঁহিয়াৰ চোবাই খাব? আনহাতে--নাখালেও সৌকাৰ কোব খাব লাগিব। হে প্ৰভু! তুমি যেনেতেনে এই সৎ খেতিয়ক-জনক এই বিষম অত্যাচাৰৰপৰা ৰক্ষা কৰাঁ!"

ইপিনে, খেতিয়কজন পৰিল মহা সমস্যাত। এহেজাৰডাল কুঁহিয়াৰ! ধেমালি নহয়। গণেশদেৱতাক সুঁৱৰি খেতিয়কজন টোপনিত লাল-কাল হৈ পৰিল।

পাছদিনা, টোপনিৰপৰা সাৰ পায়েই জমিদাৰ খেতিয়কজনক বন্ধ কৰি থোৱা কোঠাৰ ওচৰলৈ গ'ল। তাত সৰু-সুৰা পাহাৰৰ দৰে ওখ কুঁহিয়াৰৰ সিটাৰ দ'মটো দেখি তেওঁৰ চকু টেলেকা-টেলেক হৈ পৰিল। তেওঁ হতবাক অৱস্থাত শিলৰ দৰে থৰ হৈ থাকিল তাত।

হঠাৎ জমিদাৰে আৰ্তনাদ কৰি উঠিল। আৰু সেই আৰ্তনাদ শুনি তেওঁৰ পত্নী দৌৰি আহিল তাত। জমিদাৰে তেওঁৰ পত্নীক ক'লে, "দেখিছানে কাণ্ড! ৰাতিৰ ভিতৰতে এহেজাৰডাল কুঁহিয়াৰ চোবাই খাব পৰাটো মানুহ নহয়, ভূতহে হ'ব লাগিব। ব'লা, গুচি যাওঁ ইয়াৰপৰা, নহ'লে সি আমাকো খাই পেলাব পাৰে।"

জমিদাৰ-পত্নীয়ে জমিদাৰক ক'লে, "ইমান কুঁহিয়াৰ এই খেতিয়কজনে নিশ্চয় খোৱা নাই, আৰু সি ভূতো নহয়, দানহো নহয়, মানুহহে। মই হাতীৰ চিঞৰ শুনিছিলোঁ ৰাতি, আৰু সেই হাতীটিয়েই নিশ্চয় এই কুঁহিয়াৰখিনি খালেহি।"

"তোমাৰ কথাৰ আগ-গুৰি ধৰিব পৰা নাই মই। আমাৰ ঘৰৰ ওচৰে-পাঁজৰে ক'তো কেনিও হাতী নাই।" জমিদাৰে ক'লে।

এনেতে কিছুমানে দৌৰি আহি হেঁপাই-ফোঁপাই জমিদাৰক ক'লে, "অতি অদ্ভুত কথা হ'ল দেউতা, আমাৰ মন্দিৰৰপৰা গণেশদেৱতাৰ মূৰ্তি ৰাতিটোৰ ভিতৰতে নোহোৱা হ'ল, আমি বহুধৰণে বিচাৰিও উলিয়াব পৰা নাই।"

কিন্তু পাছ মুহূৰ্ততে সিহঁতেই আকৌ কৈ উঠিল, "চাওক দেউতা! সৌৱা! সৌৱা আমাৰ গণেশদেৱতাৰ বিগ্ৰহ!"

দুটা বৰ

বহুত দিনৰ আগতে দেবনাথ নামৰ এজন যুৱক আছিল । তাৰ মাক-বাপেক সি সৰু থাকোতেই ঢুকাইছিল । তাৰ আইতাকে তাক ডাঙৰ কৰিছিল ।

কেইবছৰ মানৰ পিছত আইতাকো টান নৰিয়াত পৰিল আৰু বহুত দিনলৈকে অক্ষম হৈ পৰি ৰ'ল । মৰিবৰ সময়ত তেওঁ দুখন ছবি তাক দিলে আৰু ক'লে, "চা দেবনাথ, এয়া দুগৰাকী দেৱীৰ ছবি । শ্ৰদ্ধাৰে ছবি দুখনৰ পূজা কৰিলে তোৰ মঙ্গল হ'ব ।"

আইতাকৰ মৃত্যুৰ পিছত সি আন কোনো ঠাইত থাকিবলৈ বুলি ওলাই গ'ল । সি এখন হাবিৰ মাজেৰে যাবলৈ ধৰিলে । তাত সি এটা ঘৰ দেখা পালে । সেই ঘৰটোত এগৰাকী তিৰোতা আছিল । সি তেওঁক ক'লে, "মোক এনেকুৱা আশ্ৰয় লাগে, য'ত ভোকত থাকিব নালাগে । তাতেই এই দুখন ছবিৰ পূজা কৰি থাকিম ।"

সেই তিৰোতা গৰাকীয়ে হাঁহিবলৈ ধৰিলে আৰু ক'লে, "ইয়াৰ পৰা পূব দিশত গৈ থাকা। তাত তুমি এটা টিলা দেখা পাবা । তাত বিভিন্ন ধৰণৰ ফলৰ গছ আছে । তাত এটা পৰিত্যক্ত ঘৰো আছে । তাতেই তোমাৰ ছবি দুখনৰ পূজা কৰিব পাৰিবা ।"

দেৱনাথ গৈ টিলাটো পালেগৈ । তিৰোতাগৰাকীয়ে কোৱাৰ দৰে পৰিত্যক্ত ঘৰটোও দেখা পালে । সেই ঘৰটোৰ চাৰিওফালে বিভিন্ন ধৰণৰ ফলৰ গছ আছে । ফল খাই পেট ভৰিলত সি সেই ঘৰটোত থাকিবলৈ ল'লে আৰু আইতাকে দিয়া ছবি দুখনৰ শ্ৰদ্ধাৰে পূজা কৰিবলৈ ধৰিলে ।

কিছু সময়ৰ পিছত এগৰাকী দেৱী আৱিৰ্ভাৱ হ'ল । তেওঁ দেৱনাথক ক'লে, "তোমাৰ পূজাত মই খুবেই সন্তুষ্ট । কোৱা, তোমাক কি বৰ লাগে ?"

"মাতৃ, আপুনি কোনগৰাকী দেৱী ?" দেৱনাথে সুধিলে ।

"মই হ'লো স্বাৰ্থৰ দেৱী । তুমি যি বৰ

২৫ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী ।

খোজা, তাত স্বাৰ্থ নিশ্চয় থাকিব লাগিব । এই কথাটো মনত ৰাখি বৰ খুজিবা ।"

"মই ভবাই নাছিলো যে ইমান সোনকালে আপুনি আবিৰ্ভাৱ হ'ব । অনুগ্ৰহ কৰি কাইলৈ পুনৰ দৰ্শন দিব আৰু যি বৰ ভিক্ষা কৰো তাকেই দিব ।" দেবনাথে ক'লে । স্বাৰ্থ-দেৱীয়ে 'হ'ব' বুলি কৈ অদৃশ্য হ'ল ।

দেবনাথে ভাবি মোৰ নাপালে যে স্বাৰ্থ কি চৰাইৰ নাম হ'ব পাৰে । সি তৎক্ষণাৎ তাৰ পৰা ওলাই গ'ল আৰু হাবিৰ মাজত থকা সেই তিৰোতাগৰাকীৰ ওচৰলৈ গ'ল । সি স্বাৰ্থ দেৱীৰ কথা তেওঁক ক'লে আৰু সুধিলে, "এই স্বাৰ্থ মানেনো কি ?"

"প্ৰথমতে ঘৰৰ ভিতৰলৈ আহা ।" এইদৰে কৈ তেওঁ দেবনাথক ঘৰৰ ভিতৰলৈ লৈ গ'ল আৰু তাক খোৱাবস্তু দেখুৱালে । তাৰ পিছত এজনী ছোৱালী তাৰ সমুখলৈ লৈ আহিল আৰু সুধিলে, "এই ছোৱালীজনী কেনে লাগিছে ?"

"অপূৰ্ব" দেবনাথে ক'লে । সি আজিলৈকে এনে সুন্দৰী ৰমণী দেখা নাছিল।

"বাছা এইজনী মোৰ ছোৱালী । সুন্দৰী ঠিকেই, পিছে জন্মৰ পৰাই বোবা । স্বাৰ্থ-দেৱীৰ পৰা বৰ খুজি তাইক বোবা নোহোৱা কৰি দিব পাৰিলে তাইক মই তোমাৰ লগত বিয়া দিম ।" তিৰোতাগৰাকীয়ে ক'লে ।

দেবনাথে পুনৰ টিলাটোলৈ ঘূৰি আহিল। পিছদিনা যেতিয়া সি পূজাত মগ্ন আছিল তেতিয়া স্বাৰ্থ-দেৱী আৱিৰ্ভাৱ হ'ল । সি দেৱীক ক'লে, "মই এজনী ছোৱালীক বিয়া কৰাব খোজোঁ । তাই বোবা । এনেকুৱা বৰ দিয়ক, যাৰদ্বাৰা তাই কথা ক'ব পাৰে ।"

স্বাৰ্থ-দেৱীয়ে তাৰ ইচ্ছা পূৰ কৰিলে আৰু অন্তৰ্দ্ধান হ'ল । দেবনাথে পুনৰ সেই তিৰোতা-জনীৰ ওচৰলৈ গ'ল । তালৈ গৈ সি দেখিলে যে এতিয়া আৰু ছোৱালীজনী বোবা নহয় ।

"তুমি তো কথা দিছিলা যে তোমাৰ ছোৱালীৰ বিবাহ মোৰ লগতে কৰাবা । তেন্তে কৰোঁৱা ।" দেবনাথে জোৰেৰে ক'লে ।

"দেৱনাথ, তুমি দেখিছে বৰ অঁকৰা । এতিয়া আৰু তাই কেৱল মোৰ ছোৱালীয়েই হৈ থকা নাই । সেয়েহে এই সুন্দৰীৰ বিবাহ কোনো মহাৰাজৰ সৈতে কৰোৱাম । যি কোনো মহাৰাজেই তাইৰ সৌন্দৰ্যত মুগ্ধ হৈ তাইক বিয়া কৰাবলৈ ৰাজী হ'ব ।" তিৰোতাগ ৰাকীয়ে ক'লে ।

দেৱনাথে ব্যথা ভৰা মাতেৰে ক'লে, "তুমি এইটো ভাল কাম কৰা বুলি ভাবিছানে?" "হয়, উচিত কৰিছোঁ । তুমি মোক সুধিছিলা নহয় স্বাৰ্থ

মানেনো কি ? ইয়াকেই স্বাৰ্থ বুলি কয় । নিজৰ ছোৱালীৰ বিবাহ তোমাৰ লগত নকৰাই কোনো মহাৰাজৰ লগত কৰোৱাকে স্বাৰ্থ বুলি কয়।" তিৰোতাগৰাকীয়ে ব্যংগ ভৰা মাতেৰে ক'লে।

দেবনাথৰ স্বাৰ্থৰ অৰ্থ ভাল নালাগিল । সি নিজৰ ঠাইলৈ ঘূৰি আহিল । আৰু ইগৰাকী দেৱীৰ পূজা কৰিবলৈ ধৰিলে । কেইবাবছৰো একেৰাহে পূজা কৰাৰ পিছত সেই দেৱী আৱিৰ্ভাৱ নহ'ল । তাৰ দাড়ি আৰু মোচ বাঢ়ি যাবলৈ ধৰিলে । বহুত বছৰৰ পিছত সেই দেৱী আৱিৰ্ভাৱ হ'ল আৰু তাক বৰ খুজিবলৈ ক'লে । দেবনাথে ভক্তিভাৱেৰে তেওঁক প্ৰণাম কৰি ক'লে, "মাতৃ, তুমি কোন ?"

"মোক নিস্বাৰ্থ দেবী বুলি কয় । মোৰ বৰত যদি তুমি লাভ বিচাৰা তেন্তে তাত কোনো স্বাৰ্থ থাকিব নোৱাৰে ।" দেৱীয়ে ক'লে । দেবনাথ আচৰিত হ'ল ।

দেবনাথে তেওঁক পিছদিনাখন আহিবলৈ ক'লে আৰু হাবিৰ মাজত থকা সেই তিৰোতাগৰাকীৰ ওচৰলৈ গ'ল । তেওঁ এতিয়া একেবাৰে বৃদ্ধা । নিস্বাৰ্থ দেৱীৰ আৱিৰ্ভাৱৰ কথা তেওঁক সি ক'লে আৰু সুধিলে, "নিস্বাৰ্থ মানেনো কি ?"

বুঢ়ীয়ে হাঁহিবলৈ ধৰিলে আৰু ক'লে, "কলিংগ দেশৰ ৰজাই মোৰ কন্যাক বিবাহ কৰালে । তাইৰ ছোৱালী এজনী হ'ল । তাইৰ নাম বৎসলা । তাই এতিয়া ওঠৰ বছৰীয়া যুৱতী । দেখিবলৈ ধুনীয়া । কিন্তু তাই বোবা। নিস্বাৰ্থ দেৱীৰ পৰা বৰ খোজা যাৰদ্বাৰা তাই পুনৰ কথা ক'ব পাৰে । তাই ভাল হৈ উঠিলেও মই তাইক তোমাৰ লগত বিয়া নিদিওঁ । ই নিস্বাৰ্থ বৰ হ'ব ।"

দেবনাথে ঘূৰি আহোঁতে এই কথা ভাবিবলৈ ধৰিলে । সি ঘূৰি ফুৰিবলৈ ধৰিলে



আৰু এবাৰ এজন মুনিৰ আশ্ৰমত গৈ উপস্থিত হ'ল । মুনিয়ে তেওঁৰ সকলো কথা শুনিলে আৰু ক'লে, "বাছা, মই ইয়াত তোমাতকৈ বিশ বছৰৰ আগৰ পৰাই তপস্যা কৰি আহিছোঁ। কিন্তু মোৰ তপস্যা সফল হোৱা নাই । ইয়াৰ কাৰণ কি হ'ব পাৰে নিস্বাৰ্থ দেৱীক সোধা আৰু মোক জনাবা ।"

দেবনাথে "বাৰু" বুলি ক'লে আৰু কিবা প্ৰকাৰে টিলাটো পালেগৈ ।

পিছদিনা নিস্বাৰ্থ দেৱী পুনৰ আৱিৰ্ভাৱ হ'ল । দেবনাথে তেওঁ বোবা বৎসলাক বাক শক্তি দিবলৈ বৰ খুজিলে আৰু তপস্বীৰ অসফলতাৰ কাৰণ জানিব খুজিলে ।

নিস্বাৰ্থ দেৱীয়ে ক'লে, "বৎসলাই খুব শীঘ্ৰেই কথা ক'ব পাৰিব । এতিয়া হ'ল তপস্বীৰ কথা । তেওঁৰ সকলো সমস্যা তেওঁৰ কমণ্ডুলুৰ পৰাই হয় । সেই কমণ্ডুলুত তেওঁৰ যি তপোশক্তি ভৰি আছে, সেয়া তপস্বীৰ প্ৰয়োজনত নাহে । সেইখিনিৰ পৰা অন্য কাৰোবাৰহে লাভ হ'ব । সেই তপোশক্তি আন কাৰোবাক দিয়াৰ পিছতহে মুনিৰ তপস্যা সফল হ'ব ।" এইদৰে কৈ তেওঁ অদৃশ্য হৈ গ'ল ।

দেবনাথে মুনিক লগ ধৰিলে আৰু দেৱীয়ে কোৱা কথাখিনি জনালে । মুনিয়ে সেই কমণ্ডলু তাক দি দিলে । সেইটো হাতত লোৱাৰ লগে লগে তাৰ নিহিত তপোশক্তিৰ দ্বাৰা দেবনাথ যুবক হৈ পৰিল । সি পোনেই বুঢ়ীৰ ওচৰলৈ গ'ল আৰু ক'লে, "আইতা, দেৱীয়ে কৈছে যে তোমাৰ নাতিনীয়ে যেতিয়াই নিজৰ ভাবীস্বামীক দেখিব, তেতিয়াই কথা ক'ব ।"

"ভালেই হ'ল, তুমি আহিলা । মোৰ নাতিনী কালিয়েই ইয়ালৈ আহিছে । ৰ'বা, মই তাইক ইয়ালৈ লৈ আহিছোঁ এইদৰে কৈ তেওঁ ভিতৰলৈ গ'ল । ইমান সময়ে তেওঁৰ নাতিনী ৰাজকুমাৰী ঘৰৰ বাহিৰলৈ ওলাই আহিল আৰু দেবনাথক দেখি সুধিলে, "আইতা, এয়া কোন ?"

নাতিনীয়েকে কথা কোৱা দেখি বুঢ়ী কিছু সময় স্তম্ভিত হৈ ৰ'ল । পিছত ক'লে, "তুমি কথা কৈছা ! তাৰ মানে এয়াই তোমাৰ হ'বলগা স্বামী ।"

দেবনাথ আৰু বৎসলাৰ বিবাহ ধুমধামকৈ হৈ গ'ল । প্ৰথমতে সি কলিঙ্গ দেশৰ ৰজাৰ জোৱাই হ'ল । পিছত সেই দেশৰ ৰজা ।



অতি চালাকৰ গলত ফাঁচী

ধীৰেণ এজন সাধাৰণ খেতিয়ক আছিল। ইফালে কেইবছৰ মানৰ পৰা তাৰ দিনো বৰ বেয়া পৰিছিল । খেতি চপাবৰ হওঁ হওঁ এনেতে প্ৰৱল বৰষুণ হ'ল আৰু সকলোবোৰ নষ্ট হ'ল । আমৰ গছত আমে নৌ মলিয়াওতেই প্ৰবল বৰষুণে আমৰ গছবোৰৰ সৰ্বনাশ কৰিলে । ধীৰেণৰ ছোৱালীজনীৰ বিয়া ঠিক হৈ আছিল । কিন্তু কিবা কাৰণত বিয়াখন ন'হ'লগৈ ।

ধীৰেণৰ পুতেক ৰতনে নিজকে খুব বুদ্ধিমান বুলি ভাবিছিল। যেতিয়া তেওঁ দেখিলে যে সকলো প্ৰতিকূলে গৈছে তেতিয়া তেওঁ জ্যোতিষী মহেন্দ্ৰনাথ শৰ্মাক লগ ধৰিলে। তেওঁ সকলোবোৰ চাই মেলি ৰতনক ক'লে, "এজন অপদেৱতা তোমাৰ ঘৰত আছে । এসপ্তাহ জুৰি পূজা কৰা আৰু তাৰ পিছত এটা বুৰ্বকক পেট ভৰাই খুউওৱা।"

"বুৰ্বকক ? আপোনাৰ পৰামৰ্শ মোৰ বৰ আচৰিত লাগিছে ।" ৰতনে ক'লে ।

"ইয়াত আচৰিত হ'ব লগা একো নাই । তোমাৰ ঘৰৰ ইটোতকৈ সিটো বুধিয়ক । বুধিয়কবোৰক ঠগি অপদেৱতাই বৰ ভাল পায়। বুৰ্বকৰ পৰা তেওঁ নিশ্চয়কৈ দূৰত থাকিব। তোমালোকৰ পূজাত প্ৰসন্ন হোৱাৰ পিছত সেই অপদেৱতাই তোমালোকৰ ঘৰ এৰি গুচি যাব আৰু আন কোনোবা বুধিয়কৰ ঘৰত সোমাব । সেয়েহে কোনো বুৰ্বকক যদি দেখুৱাই দিব পাৰা তেন্তে বচ, সি তোমাৰ ঘৰ এৰিবলৈ বাধ্য হ'ব ।" মহেন্দ্ৰনাথে ক'লে ।

ৰতনে এই কথা মাক-দেউতাকক ক'লে।

"বুৰ্বক ক'ত পোৱা যাব ?" ধীৰেনে সুধিলে ।

তেতিয়া ৰতনৰ ধনীৰামলৈ মনত পৰিল।

ধনীৰাম শিৱনাথৰ পুতেক । গম পোৱা গৈছিল যে-ইফালে কিছু বছৰৰ পৰা তাৰো অৱস্থা ভাল নহয় । তাৰো দিনবোৰ ভালেৰে যোৱা নাছিল । বহুত মানুহে কয় যে ধনীৰাম নিজেই ইয়াৰ কাৰণ । ধনীৰামে নিজকে বৰ চতুৰ বুলি ভাবে । কিন্তু সি একেবাৰে বুৰ্বক । যদি কোনোবাই তাক বুৰ্বক বুলি কয় তেন্তে তাৰ বৰ খং উঠে । সেয়েহে মানুহবোৰে জানি-বুজি তাক বুধিয়ক বুলি কয় আৰু তাৰ

অশোক ৰাণা

নথৈ প্ৰশংসা কৰে । তেতিয়া সি বৰ ভাল পায় ।

ৰতনে ধীৰেণক ধনীৰামৰ কথা ক'লে । "মই জানো যে সি বুৰ্বক । কিন্তু আমি তাক এইকথা কেনেকৈ কওঁ যে তুমি বুৰ্বক সেয়ে আমাৰ ঘৰত খাবলৈ আহাঁ ।" ধীৰেণে প্ৰশ্ন কৰিলে ।

"দেউতা, তাক আমি কেতিয়াও নকওঁ যে তুমি বুৰ্বক । তাক আমি ভুৰি ভুৰি প্ৰশংসা কৰিম । আমাৰ প্ৰশংসা ভৰা কথা শুনি সি গৰ্বতে ফুলি উঠিব । মই তাক কেনেকৈ বশ কৰিব লাগে ভালদৰে জানো । এই কাম মোৰ ওপৰত এৰি দিয়ক ।"

ধীৰেণে সন্মতি জনালে । ৰতনে ধনীৰামক লগ কৰিলে আৰু ইটো সিটো কথাৰ পিছত ক'লে যে "তোমাৰ মাতটো ইমান শুৱলা । সংগীত সাধনা কৰি আছা নেকি ?"

"হয়, কৰি আছোঁ । কবিতাও লিখো ।" তাৰ পিছত সি এটা স্বৰচিত কবিতা শুনালে।

"বাহ বাহ । কিমান সুন্দৰ কবিতা । এনে এটা বিদ্যাত পাৰ্গত হোৱাটো পৰম ভাগ্যৰ কথা । ভগৱানে তোমাক আৰু অলপ সুন্দৰ কৰি সৃজাহেঁতেন কিমান যে ভাল হ'লহেঁতেন!" ৰতনে ক'লে ।

"কিন্তু মানুহে কয় যে মই অতি সুন্দৰ।" ধনীৰামে অলপ আহত হৈ ক'লে ।

"চোৱা, মই মিছা কথা নকওঁ । যিটো সঁচা সেইটোহে কওঁ । তোমাৰ কবিতা সুন্দৰ, সেয়ে প্ৰশংসা কৰিলো । মানি লৈছো তোমাৰ কণ্ঠস্বৰো মিঠা । এইটোও জানো যে তুমি বৰ বুধিয়ক । বচ, তোমাৰ চেহেৰাতহে অলপ ত্ৰুটি থাকি গ'ল । এই সঁচা কথাটো মই তোমাৰ পৰা লুকুওৱাও নাই । মোৰ মনত যি ভাৱ হৈছে খোলা-খুলিকৈ কৈ দিছো । ইয়াৰ অৰ্থ এইটো নহয় যে তুমি কুৰূপ । মানুহে তোমাৰ প্ৰশংসা সেই কাৰণেই কৰে কাৰণ তুমি প্ৰকৃত সত্য বা বাস্তৱিকতাক মানি লোৱা ।" ৰতনে এইদৰে তাৰ প্ৰশংসা কৰি ধনীৰামক একেবাৰে আকাশৰ ওপৰত তুলি-লৈগে ।

ধনীৰামে বৰ ভাল পালে । ইয়াৰ পিছত পিছদিনাখন ৰতনে তেওঁৰ ঘৰত ধনীৰামক খাবৰ বাবে নিমন্ত্ৰণ জনালে । ধনীৰামে সেই নিমন্ত্ৰণ গ্ৰহণ কৰিলে ।

ধীৰেণৰ ঘৰত মহেন্দ্ৰ শৰ্মাই যথোচিত পূজা কৰোৱালে । পূজা শেষ হোৱাৰ লগে লগেই ধনীৰামক পেট ভৰাই সুস্বাদু আহাৰ খুউওৱা হ'ল । ধীৰেণৰো অৱস্থা বহুত ভাললৈ আহিল । দূৰ সম্পৰ্কীয় লোকে মৃত্যুৰ সময়ত নিজৰ নিজৰ সম্পত্তি তেওঁৰ নামত দি থৈ গ'ল । আৰু খেতিও বহুত নদন-বদন

হ'ল। জীয়েককো এটা সম্ভ্রান্ত পৰিয়ালৈ বিয়া দিয়া হ'ল ।

এদিন তেওঁৰ দূৰ সম্পৰ্কীয় মুকুন্দ তেওঁৰ ঘৰলৈ আহিল । তেওঁৰ ৰতনৰ বুধিৰ প্ৰশংসা কৰি ক'লে, "অহাটো শুক্ল পক্ষত তুমি আমাৰ ঘৰলৈ এসাজ খোৱাকৈ আহিবা ।"

ৰতনে ক'লে, "তোমাৰ নিমন্ত্ৰণত মই আচৰিত হৈছোঁ । তুমি আকৌ কিবা অপদেৱতাৰ পূজা কৰিবলৈ লোৱা নাইতো ?"

"তুমি ঠিকেই কৈছা । কিন্তু এয়া তুমি কেনেকৈ জানিলা ?" মুকুন্দই সুধিলে ।

তেতিয়া ৰতনে সবিস্তাৰে মুকুন্দক সকলো কথা বৰ্ণনা কৰিলে আৰু ক'লে, "সেই পূজাৰ পিছত কোনো বুৰ্বকক আহাৰ খুৱাব লাগে । মোৰ দৰে বুধিয়কক নহয় । শিৱনাথৰ পুতেকক আহাৰ খাবলৈ মতাৰ পিছত আমাৰ আজিৰ অৱস্থা আৰু আগৰ অৱস্থাৰ লগত আকাশ পাতাল পাৰ্থক্য আহি পৰিল । তাৰোপৰি এইটো কথাও প্ৰমাণিত হ'ল যে ধনীৰাম অতি মুৰ্খ । সেয়েহে তুমি তাক ভোজনৰ বাবে মাতা । তোমাৰ পূজাৰ বাবে সিয়েই উপযুক্ত ব্যক্তি ।"

"এইদৰে ভাবিয়েই মই তাক নিমন্ত্ৰণ কৰিবলৈ গৈছিলো । ততালিকে সি গম পালে যে মই অপদেৱতাৰ পূজা কৰিবলৈ লৈছো । তুমি ভাবিবও পাৰিবানে সি সেই সময়ত স্পষ্ট ভাষাৰে ক'লে, "এইবোৰ সব অন্ধবিশ্বাস । পূজা নকৰাকয়ে আমাৰ ঘৰৰ অৱস্থা সলনি হৈ গ'ল। সকলো ফালৰ পৰা আমি এতিয়া সুখী আৰু প্ৰসন্ন । সি ছাগে তোমাৰ কোনো অপমান কৰিব খোজা নাছিল । সেয়েহে সি তোমাৰ পূজাৰ বিষয়ে মোক এষাৰো নক'লে।" মুকুন্দই ক'লে ।

"তেন্তে তুমি মোৰ ওচৰলৈ কিয় আহিছা? তুমি তাৰমানে মোক বুৰ্বক বুলি ভাবিছা নেকি?" ৰতনে খঙত সুধিলে ।

"তুমি এইবোৰ কি কৈছা ? তোমাৰ বিষয়ে মইনো জানোৱেই বা কি ? আৰু মইনো তোমাক কিয় বুৰ্বক বুলি ক'ম ? তোমাক ভোজনৰ বাবে মাতিবলৈ আমাৰ গাৱঁৰ জ্যোতিষী মহেন্দ্ৰনাথ শৰ্মাই ক'লে । তেওঁ কোৱা কাৰণেই মই তোমাক নিমন্ত্ৰণ জনাইছোঁ ।" মুকুন্দই স্পষ্টকৈ ক'লে ।

ৰতনক অপদেৱতাৰ পূজা কৰিবলৈ উপদেশ দিয়া মহেন্দ্ৰ শৰ্মাই তাৰ বিষয়ে কি ধাৰণা কৰে তাৰ এতিয়া স্পষ্ট হ'ল । এতিয়া ৰতনৰ শিৰ লাজত দোঁ খাই গ'ল । সি ট ট কৈ চকু দুটা মেলি একে থৰে মাটিলৈ চাই ৰ'ল ।



সংসাৰৰ সৃষ্টি কেনেকৈ হ'ল

হাজাৰ হাজাৰ বছৰৰ আগতে মাটি নাছিল, বেলি নাছিল, জোন নাছিল, তৰা নাছিল। গোটেই সংসাৰ সাগৰৰ দৰে পানীৰে পাৰাপাৰ নাছিল। আৰু ওপৰত আছিল আকাশ।

ভগৱান মগুআয়ন সমুদ্ৰৰ ৰজা আছিল আৰু ভগৱান কপ্তানে আকাশৰ ওপৰত ৰাজত্ব কৰিছিল। মগুআয়নৰ এজনী ছোৱালী আছিল। নাম আছিল লিডাগত বা জলনিধি। আৰু কপ্তানৰ এটা ল'ৰা আছিল-- লিহাংগিন বা পৱন।

"লিডাগতকে আমি নিজৰ বোৱাৰী কৰি নলওঁ কিয় ?" ভগৱান কপ্তানে লিহাংগিনক পৰামৰ্শ দিলে। ভগৱান মগুআয়নে এই প্ৰস্তাৱ গ্ৰহণ কৰিলে। দুয়ো দেৱতাই তেওঁলোকৰ পুত্ৰ-কন্যাৰ এই বিবাহত ৰাজী হ'ল। এইদৰে জলনিধি পৱনৰ কইনা হ'ল।

তেওঁলোকৰ তিনিজন পুত্ৰ আৰু এগৰাকী ছোৱালী জন্ম হ'ল। পুত্ৰসকলৰ নাম আছিল--লিকালিবুতন, লিয়াদলাও আৰু লিবুলন। ছোৱালীজনীৰ নাম আছিল-লিচুগা।

লিকালিবুতনৰ শৰীৰ লোহাৰে গঢ়া আছিল আৰু সি বহুত বলৱান আৰু সাহসী আছিল। লিয়াদলাওৰ শৰীৰ আছিল সোণেৰে গঢ়া আৰু সি সদায় বৰ ৰঙিয়াল আছিল। লিবুলন আছিল তামেৰে গঢ়া আৰু দুৰ্বল আৰু নিশকতীয়া আছিল। সুন্দৰী লিচুগাৰ শৰীৰ খাঁটি ৰূপেৰে গঢ়া আছিল আৰু তাই বৰ মধুৰ আৰু ভদ্ৰ আছিল। তাইৰ মাক-দেউতাকে তাইক খুব বিচাৰিছিল। তেওঁলোক প্ৰসন্ন মনৰ আছিল আৰু নিজৰ জীৱনত সুখী আছিল।

কিছুদিনৰ পিছত লিহাংগিনৰ মৃত্যু হ'ল। ইয়াৰ পিছত তেওঁৰ জ্যেষ্ঠ পুত্ৰ লিকালিবুতনে বতাহৰ ওপৰত শাসন কৰিবলৈ ল'লে। লিডাগতৰো ইতিমধ্যে মৃত্যু হৈছিল।

লাহে লাহে বতাহৰ ওপৰত থকা নিজৰ শক্তিৰ বাবে লিকালিবুতন অহঙ্কাৰী হৈ উঠিল আৰু সি আৰু অধিক শক্তি আহৰণৰ বাবে মন কৰিলে। বতাহৰ ওপৰত মোৰ অগাধ ৰাজত্ব। কিন্তু সিয়েই যথেষ্ট নহয়। মোক বহুত শক্তিৰ প্ৰয়োজন। মই কপ্তানক আক্ৰমণ কৰিম আৰু আকাশৰ ওপৰতো ৰাজত্ব কৰিম।" লিকালিবুতনে ভাবিলে।

সি নিজৰ ভায়েকহঁতক এই আক্ৰমণৰ বাবে সহায় খুজিলে। প্ৰথমতে দুয়ো বাধা দিছিল যদিও পিছত তাৰ পৰিকল্পনাত সিহঁতেও যোগ দিলে। তিনিও মিলি আকাশৰ ওপৰত আক্ৰমণ চলালে।

লিকালিবুতনে সকলোতকৈ শক্তিশালী ধুমুহা-বতাহক আকাশৰ

ইস্পাটৰ দুৱাৰ ভাঙিবলৈ পঠিয়ালে । যেনে তেনে দুৱাৰ ভাঙি কেউজন ককাই-ভাই আকাশৰ ভিতৰলৈ সোমাই গ'ল । কিন্তু তেনেতে খঙত চকু ৰঙা কৰি ভগৱান কপ্তান সেইখিনি পালেহি । কপ্তানে সিহঁতলৈ তিনিপাত বজ্র মাৰিলে ।

প্ৰথম বজ্ৰত তামৰ শৰীৰৰ লিবুলনক ছাৰখাৰ কৰি পেলালে। দ্বিতীয় বজ্ৰৰ প্ৰহাৰত সোণেৰে গঢ়া লিয়াদলাওকো ছাৰখাৰ কৰিলে। তৃতীয় বজ্ৰত লিকালিবুতনৰ লোহাৰ শৰীৰ খণ্ড খণ্ড হৈ সমুদ্ৰত পৰি ৰ'ল। তাৰ শৰীৰ ইমানেই বিশাল আছিল যে তাৰ প্ৰতিটো খণ্ড পানীৰ স্তৰৰ ওপৰত উঠি থাকিল আৰু সেই প্ৰতিটো স্থলেই পৃথিৱীৰ মাটি হৈ ৰ'ল ।

ইয়াৰ মাজতে বিনয়ী লিচুগা নিজৰ ভাতৃসকলৰ সন্ধানত আকাশৰ ফালে যাবলৈ ধৰিলে । খঙত উন্মত্ত কপ্তানে তাইলৈকো এপাত বজ্ৰ নিক্ষেপ কৰিলে । তাই অপৰূপ শৰীৰ হাজাৰটা খণ্ডত পৰি ৰ'ল ।

কপ্তানে তেতিয়া আকাশৰ পৰা তললৈ নামি আহিল আৰু সমুদ্ৰ চিৰাচিৰ কৰি মগুআয়নক বাহিৰলৈ ওলাই আহিবলৈ ক'লে । তেওঁৰ মগুআয়নৰ বিষয়ে আকাশৰ ওপৰত হোৱা আক্ৰমণৰ অভিযোগ আনিলে। মগুআয়নে জনালে যে এই আক্ৰমণৰ বিষয়ে তেওঁ একোৱেই নাজানে কাৰণ তেওঁ সমুদ্ৰৰ অতল গহ্বৰত শুই আছিল । তেওঁ কোনো ৰকমে কপ্তানৰ খং শাম কটালে । পিছত দুয়ো নিজৰ নাতিহঁতৰ মৃত্যুত বহুত দুখ কৰিলে, বিশেষকৈ সুন্দৰী আৰু মৰম লগা লিচুগাক হেৰুৱাই তেওঁলোকে সচাকৈয়ে দুখ পাইছিল । তেওঁলোকে নিজৰ সকলো শক্তি প্ৰয়োগ কৰিও তাইক জীয়াই তুলিব নোৱাৰিলে। তথাপিও, তেওঁলোকে প্ৰতিটো

মৃত শৰীৰকে এটা সুন্দৰ ৰূপ দিলে যি সদায় জিলিকি থাকিব ।

এই দৰে সোণৰ লিয়াদলাও সূৰুয হ'ল আৰু তামৰ লিবুলন জোন হ'ল । ৰূপৰ লিচুগাৰ শৰীৰৰ হাজাৰটা টুকুৰা আকাশৰ তৰাবোৰ হৈ চিকমিকাবলৈ ধৰিলে । দুষ্ট লিকালিবুতনক দেৱতাসকলে কোনো ৰূপ নিদিলে কিন্তু তাৰ শৰীৰক মানুহৰ এটা নতুন জাতিৰ আধাৰ কৰিবলৈ সিদ্ধান্ত কৰিলে । সেয়েহে, কপ্তানে মগুআয়নক এটা বীজ দিলে যিটো তেওঁ সেই মাটিত ৰুই দিলে যি লিকালিবুতনৰ বিশাল শৰীৰৰ এটা অংশ আছিল ।

শীঘ্ৰেই সেই বীজৰ পৰা এজোপা গছ গজি আহিল । তাৰ এটা ডালৰ খোৰোঙত এগৰাকী স্ত্ৰী আৰু এজন পুৰুষ আছিল । পুৰুষ জনৰ নাম চিকালক আৰু স্ত্ৰীগৰাকীৰ নাম চিকাবে আছিল । এওঁলোকেই আছিল মানৱ জাতিৰ পূৰ্বপুৰুষ । এইদৰেই সূৰুয, চন্দ্ৰ আৰু তৰাবোৰৰ লগতে পৃথিৱীত মানৱ জাতিৰ জীৱন আৰম্ভ হৈছিল ।

2
ৰজা শান্তিদেৱে সেনাপতি বীৰসিঙে কৰা ষড়যন্ত্ৰৰ আঁচনিৰ উমান পালে । তেওঁ নিজৰ ৰাণীক প্ৰাসাদৰ পৰা পলাই যাবলৈ দিহা দিলে । ৰাণী পলাই যোৱাৰ পিছতেই ৰজাৰ ওপৰত আক্ৰমণ চলে...
আৰ্য
অজ্ঞাত ৰাজকুমাৰৰ ৰহস্য ।
চিত্ৰ : গান্ধী অয্যা
মোলৈ বাট নাচাবা । গুপ্তপথে তোমাক আৰু আমাৰ সন্তানক সুৰক্ষিত স্থানলৈ লৈ যাব ।
ঠিক আছে স্বামী !
ৰজা নিজৰ কোঠালৈ ঘূৰি আহে ।
ৰজাই তেওঁৰ দুৱাৰত কোনোবাই উত্তেজিত হৈ প্ৰহাৰ কৰাৰ শব্দ শুনে ।
কোন হ'ব পাৰে বাৰু ?
দুৱাৰৰ গুপ্ত ছিদ্ৰৰে ৰজাই জুমি চায় ।
বীৰসিঙৰেই মানুহ ।
বহুতো মানুহে এটা বিশাল খুটাৰে দুৱাৰত প্ৰহাৰ কৰে ।

ৰজাই হঠাতে দুৱাৰখন খুলি দিয়ে।
বিদ্রোহীহঁত হামখুৰি খাই ইজন সিজনৰ ওপৰত বাগৰি পৰে।
ৰজাই নিজৰ তৰোৱাল চলায়।
কেইজনমান বিদ্রোহী নিহত হয়।

বাজকুমাৰৰ জন্মদিন সমাৰোহ ধুমধামেৰে চলি থাকে । ৰাইজাৰ দলদোপ হেন্দোলদোপ । প্ৰাসাদৰ ভিতৰত কি ঘটনা ঘটি আছে সেই কথা কোনেও নাজানে ।
বীৰ সিং !
ৰজাই নিজকে বচাব পাৰে ।
খটখটীত তেওঁ মুখামুখি হয় গুপ্তচৰৰ ।

ৰজাক ঘেৰি ল'ব খোজা সিহঁতৰ চক্রান্ত বিফল হয়।
ৰজা বীৰসিঙৰ মুখামুখি হয়, সংঘৰ্ষত বীৰসিঙৰ এখন কাণ কটা যায়।
কোনোমতে ৰজা ছাদৰ ওপৰত উঠেগৈ।
ছাদৰ কাষলৈ যোৱাত এজন সৈনিকে ৰজাক বাধা দিয়ে।
ৰজাই সহজেই সেইজন সৈনিকক বশ কৰে।
ৰজাই দেখিলে মানুহবোৰ ছাদৰ ওপৰলৈ উঠিবলৈ চেষ্টা কৰিছে।
ক্রমশঃ

খেলিমেলি ধেমালি

এখন অৰণ্যৰ এইখন এখন মনোমোহা চিত্ৰ । ইয়াত আৰু কেইটামান মজাৰ কথা আছে । হাতত পেঞ্চিল তুলি লোৱা আৰু বিচাৰা ।

১. ছবিখন ৰং কৰা

ফ্ৰেডি ভেকোলাই ৰং মনেৰে খোজকাঢ়ি আছে । অকণমান ৰঙেৰে বোলাই তাৰ খোজ-কাটল আৰু গম্ভীৰ কৰি তোলাচোন ।

২. লিণ্ডাক সহায় কৰা

লিণ্ডা সোণপৰুৱাৰ বৰ চিন্তা । তাইৰ বায়েক গছৰ কাণ্ডত সোমাই পৰিল । অসংখ্য ৰাস্তাৰ কোনটোৰেদিনো গ'লে তাই বায়েকৰ ওচৰ পাবগৈ বাৰু ? তুমি তাইক সহায় কৰাচোন । বাটত থকা কীট-পতঙ্গবোৰৰ পৰা বচাই নিবা আকৌ ।



৩. নিমিলা কোন বাৰু ?

কেটী নামৰ পলুটোৱে ঢেৰ পাত খালে । প্ৰতিটো গছপাত খাওঁতে তাই এটা আকৃতি এৰি থৈ গৈছে । তাৰে এটা পাতৰ আকৃতি বাকীবোৰতকৈ বেলেগ । কোনটো বাৰু ?

৪.লুকা - ভাকু

এটা পতঙ্গ লুকাই আছে । তুমি পতঙ্গটো লুকাই থকা ফুলপাহ বিচাৰি উলিয়াব পাৰিবানে ?

(উত্তৰ ৬৬ পৃষ্ঠাত)

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো
দুখন নামকৰণ কৰিব পাৰিবানে?



VICKY MANOHAR

SOURAA

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব । পুৰস্কাৰ পাওঁতা জনৰ নাম ডিচেম্বৰ সংখ্যাত প্ৰকাশ কৰা হ'ব !

অভিনন্দন

আগষ্ট সংখ্যাৰ পুৰস্কাৰ বিজেতা
উপাসনা দাস
মাৰফৎ:বুবুল দাস
অধ্যাপক, অসম কৃষি বিশ্ববিদ্যালয়
যোৰহাট, অসম

বিজয়ী বাক্য

নাখাই নবৈ নাতি ল'ৰাক দিম মই কিবা ।
ভাল কিতাপ নাই যদি কলম এটাকে দিয়া ।

খেলিমেলি ধেমালিৰ উত্তৰ (৬৪-৬৫ পৃষ্ঠা)	৩.নিমিলা কোন বাক ? D যেই নিমিলা পাতখন ৪.লুকাভাকু পতঙ্গটো লুকাই আছে B ফুলপাহত

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

FOR MOTHERS

A CONTEST WITH A DIFFERENCE !

Theme : A true incident in the early years (6–9) of her child (in 250 – 300 words)

Prize : Educational endowment in the name of the child in the form of National Savings Certificate

One First Prize : Endowment for Rs.10,000

Two Second Prizes : Endowment for Rs. 5,000 each

Look for entry form and more details in

Junior CHANDAMAMA

October 2003 issue

CHANDAMAMA (Assamese) **OCTOBER 2003**
Regd. with Registrar of Newspaper for India No. 30278/76
Registered No. TN/PMG(CCR)-588/03-05
Licensed to post without prepayment No. 369/03-05
Foreign - WPP. No. 370/03-05